# অন্বেষণ


ত্ৰয়োদশ বছৰ ■ প্ৰথম সংখ্যা ■ ফেব্ৰুৱাৰী, ২০২৬

## বব ডিলান: মুক্ত আত্মাৰ গান



## পামিৰ মালভূমি

## আমি কেনেকৈ 'অনন্য' মানুহ হ'লোঁ?



## যোৱা বছৰত মানৱে এক নতুন ইতিহাস ৰচিলে



Thor's well



Crooked forest



নীলা মছজিদ



ৰঙা পাণ্ডা



ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ তলৰ সুৰংগ পথ (প্ৰস্তাবিত)



ছালাৰ ডি উয়ুনি

# অন্বেষণ

**ত্ৰয়োদশ বছৰ, প্ৰথম সংখ্যা, ফেব্ৰুৱাৰী, ২০২৬ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A monthly inhouse journal of Assam Jatiya Bidyalay,
published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **যোৱা বছৰত মানৱে এক নতুন ইতিহাস ৰচিলে**
■ ড° ৰুবুল মাউত

৪ **আমি কেনেকৈ 'অনন্য' মানুহ হ'লোঁ?**
■ অভিজিত শৰ্মা বৰুৱা

৬ **পামিৰ মালভূমি**
■ ৰুণুমী কলিতা

৮ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

১১ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১২ **বব ডিলান : মুক্ত আত্মাৰ গান**
■ নিশা দেৱী

১৩ **ছালাৰ ডি উয়ুনি**
■ সুজিৎ কুমাৰ নেওগ

১৫ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২১ **জীৱাশ্ম ইন্ধন : প্ৰকৃতিৰ বাবে এক ভাবুকি**
■ উদয়া ফুকন

২৪ **ওজাপালি**
■ যুথিকা পাটোৱাৰী

২৫ **ব্ৰেইন-ড্ৰেইন**
■ তৃষা ঠাকুৰীয়া

২৭ **The eight classical dances of India : A celebration of culture and tradition**
■ Zichan Ray

২৯ **নাহৰ**
■ ময়ূৰ ডেকা

৩০ **ভাষা**
■ ৰশ্মিনন্দা কলিতা

৩১ **নাম নথকা মানুহজন**
■ কৌশিক বাগচী

৩১ **সময়ৰ সদ্ব্যৱহাৰ**
■ নিচান প্ৰতীম ভৰদ্বাজ

৩১ **প্ৰতিবিম্ব**
■ দোকমোকালি গোস্বামী

৩২ **কুইজ**
■ দীপাংকৰ কৌশিক

৩৩ **শৰীৰত কিমান শতাংশ কাৰ্ব'হাইড্ৰেট থকাটো প্ৰয়োজনীয়**
■ দিগন্ত তালুকদাৰ

৩৪ **Did You Know**
■ Niki Katharpi

৩৫ **Stories from World Classics**
■ Papari Kalita

৩৬ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৮ **চুড'কু**

৩৯ **ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ তলৰ সুৰংগ পথ**
■ জাহ্নৱী বৰুৱা

**মুখ্য সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সম্পাদক** : পংকজ দত্ত
**সহযোগী সম্পাদক** : ড° লিপিমণি দত্ত, কুশল গোস্বামী
**সহকাৰী সম্পাদক** : ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা (উৎস : ইণ্টাৰনেট)
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰিন্স চৌধুৰীৰ দ্বাৰা মুদ্ৰিত।*


# যোৱা বছৰত মানৱে এক নতুন ইতিহাস ৰচিলে
# (A new and exciting step in humankind)

■ ড° ৰুবুল মাউত

২০২৫ বৰ্ষত পোনপ্ৰথমবাৰৰ বাবে সৌৰশক্তি (solar energy) উৎপাদনৰ ক্ষমতাই বাকীবোৰ শক্তিৰ উৎসৰ (যেনে, জীৱাশ্ম ইন্ধন, কয়লা, খাৰুৱা তেল, প্ৰাকৃতিক গেছ ইত্যাদি) উৎপাদনক চেৰ পেলালে।

মানুহ তথা জীৱৰ অস্তিত্বৰ বাবে এই ঘটনাটো বৰ গুৰুত্বপূৰ্ণ।

কাৰণটো হ'ল যোৱা দুশ বছৰত মানুহে কয়লা আৰু খাৰুৱা তেলৰ অবাধ দহন কৰাৰ ফলত পৃথিৱীৰ গোলকীয় উত্তাপ বাঢ়িল, প্ৰদূষণ বৃদ্ধি হ'ল, যাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱে অজস্ৰ জীৱ-জন্তুৰ লগতে মানুহৰো জীৱন বিপন্ন কৰি তুলিলে, যিবোৰৰ ব্যাখ্যা নিষ্প্ৰয়োজন।




*ছায়েন্স আলোচনীত প্ৰকাশিত লেখ*

ইয়াৰ এক বিকল্প হৈছে পৰিষ্কাৰ আৰু নৱীকৰণযোগ্য শক্তিৰ (renewable energy) ব্যৱহাৰ। এইবোৰৰ ভিতৰত সূৰ্য্যৰ কিৰণক পোনে পোনে শক্তিলৈ ৰূপান্তৰ কৰি ব্যৱহাৰ কৰাটোৱে, অৰ্থাৎ সৌৰশক্তিয়েই হয়তো সৰ্বোত্তম।

যোৱা সংখ্যাৰ ছায়েন্স (science) আলোচনীত প্ৰকাশিত লেখত দেখা যায় কেনেকৈ মাত্ৰ বিছ বছৰৰ ভিতৰতে সৌৰশক্তিয়ে দুৰ্দান্ত গতিৰে বাকীবোৰ শক্তিৰ উৎপাদন ক্ষমতাক পিছ পেলাই আগবাঢ়ি গৈছে। মোৰ বোধেৰে যোৱা এশ বছৰত মানৱ সভ্যতা তথা বিজ্ঞানে আনি দিয়া ই আটাইতকৈ উল্লেখনীয় সাফল্য।

সৌৰশক্তিৰ উৎপাদনৰ ইতিহাসলৈ উভতি চালে বিস্ময়াভিভূত হওঁ। মাত্ৰ আশী বছৰৰ আগতে বিশেষ এগৰাকী মহিলাৰ দুৰ্দান্ত দূৰদৃষ্টি, উদ্ভাৱন আৰু কল্পনাই কেনেকৈ সৌৰশক্তি তথা মানৱ সভ্যতালৈ বিবৰ্তন আনিলে সেয়া ভাবি চমকি উঠোঁ।

১৯৩৯ চনৰ কথা। এমআইটিত (MIT– Masachusetts Institute of Technology) পৰীক্ষামূলকভাৱে সূৰ্য্যৰ ৰশ্মি আহৰণ কৰি শক্তিলৈ ৰূপান্তৰিত কৰিবলৈ এটা ক্ষুদ্ৰ একোঠীয়া ঘৰ নিৰ্মাণ কৰা হৈছিল, যাৰ নাম ৰখা হৈছিল সৌৰগৃহ-১ (solar house-1) আৰু ইয়াৰ গুৰি ধৰিছিল হয়ট হোটেল (Hyot Hottel) নামৰ এমআইটিৰ বিজ্ঞানীজনে। ই আছিল বিশ্বৰ প্ৰথমটো এনে পদক্ষেপ। ইয়াৰ আগতে কাচৰ ঘৰ নিৰ্মাণ কৰি সূৰ্য্যৰ তাপ ধৰি ৰাখিবলৈ চেষ্টা কৰা হৈছিল। এই প্ৰকল্পত কাম কৰিবলৈ সেই সময়ত মাৰিয়া টেল্কিজ (Maria Telkes) নামৰ এগৰাকী হাংগেৰীয়ান মহিলা অভিযন্তা আৰু বিজ্ঞানীক নিয়োজিত কৰা হৈছিল।

সেয়াই আৰম্ভণি।

কিন্তু সূৰ্য্যৰ ৰশ্মিত নিহিত অনন্ত-অবিনাশী শক্তিৰ স্বৰূপক ধৰি ৰাখি তাক দৈনন্দিন ঘৰুৱা কামত ব্যৱহাৰ কৰিব পৰা শক্তিলৈ ৰূপান্তৰ কৰিব পৰা যায় কেনেকৈ? উল্লেখ্য যে বিশেষ জীৱকোষে হাজাৰ কোটি বছৰৰ আগতেই সালোকসংশ্লেষণৰ যোগেদি সূৰ্য্যৰ ৰশ্মিক ধৰি ৰাখি শক্তি উৎপাদন কৰিবলৈ শিকিছিল আৰু আমাৰ

চৌপাশে উদ্ভিদে এতিয়াও অহর্নিশে সেই কাৰ্য্য কৰি আহিছে।

তেনেকুৱাতে মাৰিয়া টেল্কিজে উদ্ভাৱন কৰিছিল এক নতুন পদ্ধতি। তেওঁ গ্লাউবাৰ ছল্ট (glauber salt) নামৰ এক অজৈৱিক লৱণ ব্যৱহাৰ কৰি সূৰ্য্যৰ ৰশ্মিক ধৰি ৰাখি শক্তিলৈ ৰূপান্তৰ কৰিছিল। এই পদ্ধতিৰেই তেওঁ ১৯৪৮ চনত মানৱ ইতিহাসৰ প্ৰথমটো সৌৰশক্তিচালিত ব্যক্তিগত আবাস নিৰ্মাণ কৰিছিল—যাৰ নাম আছিল ডোভাৰ সৌৰগৃহ (Dover sun house)।



*এমআইটিৰ প্ৰথম সৌৰগৃহ*

অৱশ্যে মাৰিয়া টেল্কিজৰ পদ্ধতিত আসোঁৱাহ আছিল বহুত। ইয়াৰ কেইবছৰমানৰ পাছত ১৯৫৪ চনত বেল লেবৰেটৰীত আধুনিক ফটোভ'ল্টিক ছ'লাৰ পেনেলৰ (photovoltaic solar panels) প্ৰথম আৰ্হি নিৰ্মাণ হৈছিল। তাৰ পাছতো অজস্ৰ ঘাত-প্ৰতিঘাত নেওচি, অলেখ বিজ্ঞানী-অভিযন্তাৰ অৰিহণাৰ ফলশ্ৰুতিত আমি আজি এইখিনি পাইছোঁহি, এক বৈজ্ঞানিক বিপ্লৱৰ মাজেদি।

আনকি সৌ সিদিনা ভাৰতে নিক্ষেপ কৰা সৌৰশক্তিচালিত চন্দ্ৰযানে কেনেকৈ চন্দ্ৰত অৱতৰণ কৰিছিল সেয়া আমি দেখিছিলোঁ—যাৰ চিকমিকীয়া ছ'লাৰ পেনেলৰ ছবি এতিয়াও আমাৰ স্মৃতিত সঞ্চিত।

হয়ট-মাৰিয়াৰ (Hyot-Maria) সেই যুগান্তকাৰী প্ৰকল্পৰ পৰা আজিৰ সৌৰশক্তিৰ উত্থানলৈকে এক দীঘলীয়া পৰিক্ৰমা। কিন্তু মানৱ সভ্যতাৰ বিকাশৰ ইতিহাস চালে গম পোৱা যায় যে এনে সভ্যতা পৰিৱৰ্তনকাৰী উদ্ভাৱনৰ প্ৰক্ৰিয়াবোৰ বহুত দীঘলীয়া, যেনে—মেছ'পটেমিয়াৰ ছুমেৰীয়সকলে বৰ্ণ উদ্ভাৱন কৰাৰ হাজাৰ বছৰৰ পাছতহে সাহিত্য সৃষ্টি হৈছিল; ঠিক তেনেকৈ জুই, শস্য আদি বিকাশ হওঁতেও লাগিছিল হাজাৰ হাজাৰ বছৰ। এক কথাত ক'বলৈ গ'লে মাত্ৰ আশী বছৰৰ ভিতৰতে প্ৰযুক্তিৰ ধাৰণা এটা উদ্ভৱ হোৱাৰ পৰা পৃথিৱীজুৰি ইয়াৰ প্ৰভাৱ পৰালৈ ই এক চমৎকাৰ।

যি কি নহওক, সৌৰশক্তিৰ উৎপাদন ক্ষমতাই বাকীবোৰ শক্তিৰ উৎপাদনক চেৰ পেলালেও, বিশ্বৰ মুঠ শক্তি উৎপাদনৰ ১৫-২০% মানহে সৌৰশক্তি (৫০% মুঠ নৱীকৰণযোগ্য শক্তি)। অৰ্থাৎ, জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰসমূহ নাইকিয়া হ'বলৈ এতিয়াও বহু বাকী। কিন্তু যিটো হাৰত সৌৰশক্তিৰ উত্থান ঘটিল, এইটো নিশ্চিত যে এটা দশকৰ ভিতৰতে কেৱল সূৰ্য্যৰ প্ৰত্যক্ষ শক্তিয়েই আমাৰ পৃথিৱী উজলাব, যাৰ বাবে ব্যাপক হাৰত বৰ্ধিত প্ৰদূষণ আৰু গোলকীয় উত্তাপ যথেষ্ট লাঘৱ হ'ব বুলি আশা কৰিব পৰা যায়। ❖

---

***টোকা :*** *ড° ৰুবুল মাউত এগৰাকী জীৱ-চিকিৎসাবিজ্ঞানী। তেওঁ বৰ্তমান হাৰ্ভাৰ্ড মেডিকেল স্কুল আৰু বষ্টন চিল্ড্ৰেন হাস্পতালত কৰ্মৰত। তেওঁৰ গৱেষণাৰ মূল বিষয় হ'ল—কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত নতুন প্ৰ'টিন অণুৰ আৰ্হি প্ৰস্তুতকৰণ, টি-কোষ অভিযন্ত্ৰণ, ইমিউনোথেৰাপী (কেন্সাৰ আৰু ভাইৰাছৰ সংক্ৰমণৰ প্ৰতিৰোধ কৰিবলৈ), জিন-সম্পাদনা আদি। তেওঁ মাছাচুছেটছ বিশ্ববিদ্যালয়ৰ পৰা জিন-সম্পাদনাত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰি মানৱ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বিকাশৰ এটা দীৰ্ঘকালীন গৱেষণাৰ লগতো ৰুবুল মাউত জড়িত। ড° মাউত এগৰাকী সুলেখকো। 'মোৰো এটা সপোন আছে' তেওঁৰ এখন বহুপঠিত তথা প্ৰেৰণাদায়ক গ্ৰন্থ।*

# আমি কেনেকৈ ‘অনন্য’ মানুহ হ’লোঁ?

■ অভিজিত শৰ্মা বৰুৱা



মানুহৰ আদিম ৰূপ কি আছিল, তাৰ ৰহস্য এতিয়াও সম্পূৰ্ণৰূপে খোল খোৱা নাই। আমি ক’ৰ পৰা আহিলোঁ, আমাৰ আগতে থকা প্ৰজাতিসমূহৰ লগত আমাৰ সম্পৰ্ক কি, আমি আন সকলো মানৱসদৃশ প্ৰজাতিৰ পৰা পৃথক এক প্ৰজাতি ‘হ’ম’ ছেপিয়েনছ’ (Homo Sapiens) হিচাপে কেনেকৈ সৃষ্টি হ’লোঁ— এইবোৰ প্ৰশ্নৰ সন্দেহাতীত উত্তৰ কোনেও দিবলৈ সক্ষম হোৱা নাই। পাছে কিছু বছৰ ধৰি এই ক্ষেত্ৰত নিৰৱচ্ছিন্ন অন্বেষণ আৰু পৰীক্ষা-নিৰীক্ষা চলাই বিজ্ঞানীসকলে কিছুমান অভিনৱ তথ্য উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। তেনে এজন অগ্ৰণী বিজ্ঞানী হ’ল ছুইডিছ জিনবিজ্ঞানী ছাণ্টে পাব’ (Svante Pääbo) (তেওঁ ২০২২ চনত চিকিৎসাবিজ্ঞানত ন’বেল বঁটা লাভ কৰিছিল)। পাব’ই প্ৰথমবাৰৰ বাবে বৰ্তমানৰ মানৱ প্ৰজাতিৰ এক নিকটসম্পৰ্কীয় প্ৰজাতি নিয়েণ্ডাৰথালৰ (Neanderthal) জিন’মৰ শ্ৰেণীবদ্ধকৰণ (sequencing) কৰিবলৈ সক্ষম হৈছিল। আনহাতে আমি আগতে নজনা আন এক মানৱসদৃশ প্ৰজাতি ‘ডেনিছ’ভা’ (Denisova) সম্পৰ্কত চমকপ্ৰদ তথ্য আৱিষ্কাৰ কৰিবলৈও তেওঁ সক্ষম হৈছিল। ফলত আমি জানিব পাৰিছিলোঁ যে সেই বিলুপ্ত মানৱসদৃশ প্ৰজাতিসমূহৰ পৰা হ’ম’ ছেপিয়েনছলৈ (বৰ্তমানৰ মানৱ প্ৰজাতি) কিছুমান জিন স্থানান্তৰিত হৈছিল আৰু প্ৰায় ৭০,০০০ বছৰ আগতে হ’ম’ ছেপিয়েনসকলে আফ্ৰিকাৰ পৰা প্ৰব্ৰজন কৰাৰ সময়ত সেয়া সংঘটিত হৈছিল। জিনৰ এই প্ৰাচীন স্থানান্তৰভৰনে বৰ্তমানৰ মানৱ প্ৰজাতিৰ শাৰীৰিক আৰু দৈহিক তন্ত্ৰসমূহৰ পৰিবৰ্তনৰ ক্ষেত্ৰতো সহায় কৰিছিল। উদাহৰণস্বৰূপে, আমাৰ প্ৰতিৰক্ষা তন্ত্ৰই কোনো জীৱাণুৰ সংক্ৰমণৰ সময়ত কেনেদৰে প্ৰতিক্ৰিয়া কৰিব লাগে, সেয়া এনে জিন স্থানান্তৰৰ ফলত তেতিয়াই নিৰ্ৰূপিত হৈছিল। বিলুপ্তপ্ৰায় মানৱসদৃশ প্ৰজাতিৰ লগত বৰ্তমানৰ মানৱ প্ৰজাতিৰ জিনীয় পাৰ্থক্যৰ আৱিষ্কাৰে এতিয়া আমাক এই কথা জনাতো সহায় কৰিব যে আমি কেনেকৈ এই অনন্য মানৱ জীৱন লাভ কৰিলোঁ।

**আমি ক’ৰ পৰা আহিলোঁ?**

প্ৰাচীন কালৰ পৰাই মানুহক এই প্ৰশ্নই বিব্ৰত কৰি আহিছে। কাৰণ ইয়াৰ প্ৰামাণ্য সদুত্তৰ পাবলৈ নাই। মানৱৰ বিবৰ্তনৰ বিষয়ে জনাৰ ক্ষেত্ৰত জীৱাশ্মবিজ্ঞান (paleontology) আৰু প্ৰত্নতত্ত্ববিজ্ঞান (archeology) হ’ল অধ্যয়নৰ দুই প্ৰকাৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। গৱেষণালব্ধ তথ্যৰ পৰা জানিব পৰা গৈছে যে দৈহিক গঠনতন্ত্ৰৰ দিশৰ পৰা আধুনিক মানৱ প্ৰজাতি, হ’ম’ ছেপিয়েনছক প্ৰায় ৩ লাখ বছৰ আগতে আফ্ৰিকাত প্ৰথম দেখা গৈছিল। আনহাতে আমাৰ নিকটতম প্ৰজাতি নিয়েণ্ডাৰথাল প্ৰজাতি বিকশিত হৈছিল আফ্ৰিকাৰ বাহিৰত। নিয়েণ্ডাৰথাল মানৱে ইউৰোপ আৰু পশ্চিম এছিয়াত প্ৰায় ৪ লাখ বছৰৰ আগৰ পৰা ৩০ হাজাৰ বছৰ আগলৈকে বাস কৰিছিল আৰু তাৰ পাছতে এই প্ৰজাতি বিলুপ্ত হৈ যায়। আনহাতে প্ৰায় ৭০ হাজাৰ বছৰ আগতে হ’ম’ ছেপিয়েনছৰ এটা দলে আফ্ৰিকাৰ পৰা প্ৰব্ৰজন কৰি মধ্য প্ৰাচ্যলৈ আহে। অৰ্থাৎ প্ৰায় ৪০ হাজাৰ বছৰ ধৰি এইখন পৃথিৱীৰে এক বৃহৎ অঞ্চলত হ’ম’ ছেপিয়েনছ আৰু নিয়েণ্ডাৰথালসকলে একেলগে বাস কৰিছিল। কিন্তু আমাৰ লগত নিয়েণ্ডাৰথালসকলৰ সম্পৰ্কৰ বিষয়ে আমি কি জানো?

তাৰ বিষয়ে তথ্য আমি জিনীয় বৈশিষ্ট্যৰ পৰাই ল'ব লাগিব। ১৯৯০ৰ দশকৰ শেষভাগত প্ৰায় সকলো মানৱ জিন'মৰ (genome) শ্ৰেণীবদ্ধকৰণৰ কাম সমাপ্ত হয়। এয়া এক গুৰুত্বপূৰ্ণ কাম আছিল, কাৰণ তাৰ ফলত বিভিন্ন অঞ্চলৰ মানুহৰ মাজত থকা জিনীয় সম্পৰ্ক সম্বন্ধে অধ্যয়ন কৰিব পৰা গৈছিল। পাছে নিয়েণ্ডাৰথালসকলৰ লগত আধুনিক মানৱৰ জিনীয় সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰিবলৈ হ'লে নিয়েণ্ডাৰথালসকলৰ জিনীয় ডিএনএ-ৰ (DNA) শ্ৰেণীবদ্ধকৰণ জৰুৰী আৰু প্ৰাচীন দেহাৱশেষৰ পৰাহে ডিএনএ পোৱা যাব পাৰে। কিন্তু এনেকৈ নিয়েণ্ডাৰথাল মানৱৰ ডিএনএ উদ্ধাৰ কৰি তাৰ শ্ৰেণীবদ্ধ কৰাটো ক'বলৈ গ'লে অসম্ভৱ কামেই।

**অসম্ভৱক সম্ভৱ**

বিজ্ঞানীসকলে পাছে এই কামতে হাত দিলে। পাব'ই আধুনিক জিনীয় পদ্ধতিৰে নিয়েণ্ডাৰথাল মানৱৰ ডিএনএ অধ্যয়ন কৰাৰ চেষ্টা কৰিলে। পাছে এই কাম কৰিবলৈ গৈ তেওঁ চৰম প্ৰযুক্তিগত প্ৰত্যাহ্বানৰ সমুখীন হ'ল। কাৰণ নিয়েণ্ডাৰথালৰ ডিএনএ পোৱা গ'লেও সেয়া ৰাসায়নিকভাৱে পৰিবৰ্তিত হৈ নিচেই ক্ষুদ্ৰ কিছুমান অংশত পৰিণত হৈছিল। হাজাৰ হাজাৰ বছৰৰ পাছত সামান্য পৰিমাণৰ ডিএনএৰ অৱশেষহে আছিল আৰু যি অৱশেষ আছিল, সেইবোৰকো বেক্টেৰিয়াৰ ডিএনএ আৰু সেই সময়ৰ হ'ম' ছেপিয়েনসকলৰ ডিএনএ-ই দূষিত কৰি তুলিছিল। পাব'ই তেওঁৰ এজন সহকৰ্মী এলান উইলছনৰ (Allan Wilson) লগ হৈ সেই সামান্য পৰিমাণৰ দূষিত ডিএনএ-কে অধ্যয়ন কৰি গ'ল। তেওঁলোকে নিয়েণ্ডাৰথালৰ মাইট'কণ্ড্ৰিয়াৰ (mitochondria) পৰা ডিএনএ নিষ্কাসন কৰাৰ চেষ্টা চলালে। মাইট'কণ্ড্ৰিয়া হ'ল কোষৰ ভিতৰত থকা এক প্ৰকাৰ কণা, যাৰ নিজা ডিএনএ থাকে। পাছে সেই ডিএনএবোৰ তেনেই ক্ষুদ্ৰ আৰু তাত কোষৰ জিনীয় তথ্যৰ কিছু অংশহে থাকে। কিন্তু সুবিধা এটাই যে তেনে ডিএনএসমূহৰ সংখ্যা হাজাৰৰ ঘৰত আৰু সেয়ে সফল হোৱাৰ সম্ভাৱনাও অধিক। তেওঁৰ নিজা সংশোধিত পদ্ধতিৰ জৰিয়তে পাব'ই ৪০ হাজাৰ বছৰৰ পুৰণি এটুকুৰা হাড়ৰ পৰা মাইট'কণ্ড্ৰিয়েল ডিএনএ নিষ্কাসন কৰি তাৰ এক অংশক শ্ৰেণীবদ্ধকৰণ কৰিবলৈ সক্ষম হ'ল। সেয়া আছিল এক মানৱ সম্পৰ্কীয় বিলুপ্ত প্ৰাণীৰ জিনৰ প্ৰথম শ্ৰেণীবদ্ধকৰণ। সমসাময়িক মানৱ আৰু চিম্পাঞ্জীৰ ডিএনএ-ৰ লগত সেয়া তুলনা কৰি দেখা গ'ল যে নিয়েণ্ডাৰথাল মানৱৰ ডিএনএ জিনীয়ভাৱে পৃথক।

নিয়েণ্ডাৰথাল আৰু হ'ম' ছেপিয়েনসকলৰ ডিএনএ-ৰ তুলনামূলক অধ্যয়নে দেখুৱালে যে এই দুয়ো প্ৰজাতিৰ নিকটতম এক প্ৰজাতিয়ে প্ৰায় ৮ লাখ বছৰ আগতে পৃথিৱীত বাস কৰিছিল। আনহাতে এইটোও দেখা গ'ল যে নিয়েণ্ডাৰথালসকলৰ ডিএনএ অনুক্ৰমৰ লগত ইউৰোপ বা এছিয়াৰ হ'ম' ছেপিয়েনসকলৰ ডিএনএ অনুক্ৰমৰ সাদৃশ্য যিমান, আফ্ৰিকাৰ হ'ম' ছেপিয়েনসকলৰ ডিএনএ অনুক্ৰমৰ লগত সাদৃশ্য তাতকৈ কম। এই কথাই ইয়াকে সূচায় যে একে সময়তে ইউৰোপ বা এছিয়াত বাস কৰা হ'ম' ছেপিয়েনছ আৰু নিয়েণ্ডাৰথালসকলৰ মাজত সম্পৰ্ক স্থাপন হৈছিল আৰু তাৰ ফলতে তেওঁলোকৰ জিনৰ মাজত সাদৃশ্য বেছি হৈছিল। আধুনিক মানৱৰ জিন'মৰ প্ৰায় ৪ শতাংশ জিন'ম নিয়েণ্ডাৰথালসকলৰ পৰা আহিছে।

**নতুন মানৱসদৃশ প্ৰজাতি—ডেনিছ'ভা**

২০০৮ চনত ছাইবেৰিয়াৰ দক্ষিণ অংশৰ ডেনিছ'ভা গুহাত ৪০ হাজাৰ বছৰ পুৰণি এক আঙুলিৰ হাড় আৱিষ্কৃত হ'ল। এই হাড়ডালত থকা ডিএনএবোৰ আশ্চৰ্য্যজনকভাৱে সুৰক্ষিত হৈ আছিল। সেই হাড়ডালৰ ডিএনএসমূহক শ্ৰেণীবদ্ধকৰণ কৰাৰ পাছত দেখা গ'ল যে নিয়েণ্ডাৰথালসকলৰ সকলো ডিএনএ অনুক্ৰম আৰু আধুনিক মানৱৰ ডিএনএ অনুক্ৰমতকৈ সেয়া আছিল সম্পূৰ্ণ পৃথক। অৰ্থাৎ এইবিধ প্ৰজাতি এক নতুন মানৱসদৃশ প্ৰজাতি। এই প্ৰজাতিৰ নাম ৰখা হ'ল—ডেনিছ'ভা (ডেনিছ'ভা গুহাৰ পৰা)। তাৰ পাছত জানিব পৰা গ'ল যে ডেনিছ'ভা আৰু হ'ম' ছেপিয়েনসকলৰ মাজতো সম্পৰ্ক ঘটিছিল। বিশেষকৈ মেলানেছিয়া আৰু দক্ষিণ-পূব এছিয়াৰ আন অংশত এই মিল বেছি দেখা গৈছিল। এই অঞ্চলৰ আধুনিক মানৱৰ দেহকোষত ৬ শতাংশ পৰ্য্যন্ত ডেনিছ'ভা ডিএনএ আছে। এতিয়া নিশ্চিত হ'ব পৰা গৈছে যে আফ্ৰিকাৰ পৰা হ'ম' ছেপিয়েনসকলে প্ৰব্ৰজন কৰাৰ সময়ত ইউৰেছিয়াত অন্ততঃ দুটা মানৱসদৃশ প্ৰজাতিয়ে বাস কৰিছিল। নিয়েণ্ডাৰথালসকলে বাস

কৰিছিল পশ্চিম ইউৰেছিয়াত আৰু ডেনিছ'ভাসকলে বাস কৰিছিল সেই মহাদেশৰ পূব অংশত। হ'ম' ছেপিয়েনসকলৰ লগত নিয়েণ্ডাৰথালসকলৰহে যে মিলন ঘটিছিল, সেয়াই নহয়, তেওঁলোকৰ লগত ডেনিছ'ভাসকলৰো মিলন ঘটিছিল। হ'ম' ছেপিয়েনসকলে নিজৰ প্ৰতিৰক্ষাতন্ত্ৰ সৃষ্টি কৰাৰ বাবে জিন লাভ কৰিছিল নিয়েণ্ডাৰথালসকলৰ পৰা আৰু উচ্চ উচ্চতাত বসবাস কৰিব পৰা (উদাহৰণ—তিব্বতীসকল) জিন লাভ কৰিছিল ডেনিছ'ভাসকলৰ পৰা।

**বিজ্ঞানৰ নতুন ক্ষেত্ৰ—'পেলিঅ'জিনমিক্স'**

এই মৌলিক আৱিষ্কাৰসমূহে এক সম্পূৰ্ণভাৱে নতুন বৈজ্ঞানিক ক্ষেত্ৰৰ সৃষ্টি কৰিছে। এই নতুন শাখাটোৰ নাম দিয়া হৈছে 'পেলিঅ'জিনমিক্স' (paleogenomics)। এই শাখাত বিলুপ্ত প্ৰজাতিৰ জিনীয় তথ্যৰ পুনৰ্গঠন আৰু বিশ্লেষণ কৰা হয়। সংগ্ৰহালয়সমূহত সংৰক্ষিত কংকালসমূহ, বৰফৰ গভীৰতাত বা প্ৰত্নতাত্ত্বিক স্থানসমূহত থকা প্ৰাচীন জীৱাশ্মৰ ডিএনএবোৰৰ (ancient DNA–aDNA) নিষ্কাসন পদ্ধতি উন্নত হৈ উঠাৰ পৰিপ্ৰেক্ষিতত এতিয়া এনে বিশ্লেষণ সম্ভৱ হৈ উঠিছে। আনকি এতিয়া পৰৱৰ্তী প্ৰজন্মসমূহত ডিএনএসমূহৰ কি ৰূপান্তৰণ হ'ব পাৰে, তাকো ধাৰণা কৰিব পৰা গৈছে।

**কিহে আমাক অনন্য মানৱ কৰি তুলিলে?**

আমি হ'ম' ছেপিয়েনসকল জটিল সংস্কৃতি সৃষ্টি, উদ্ভাৱনী ক্ষমতা, নানা প্ৰযুক্তিগত আৱিষ্কাৰ, উচ্চ বুদ্ধি-বৃত্তি আদিৰ বাবে বিখ্যাত। আমাৰ দৰে নিয়েণ্ডাৰথালসকলেও দল পাতি বাস কৰিছিল আৰু তেওঁলোকৰো মগজু আমাৰ দৰেই বৃহৎ আছিল। তেওঁলোকে সা-সঁজুলি ব্যৱহাৰ কৰিলেও সেইবোৰৰ অতি কম বিকাশ হৈছিল। তেনেহ'লে কেনেকৈ আমি ইমান দূৰ আগবাঢ়ি আজিৰ আধুনিক মানুহ হ'ব পাৰিলোঁ?

এতিয়া আমি হ'ম' ছেপিয়নছ আৰু হ'ম' ছেপিয়েনছৰ নিকটতম প্ৰজাতিৰ জিনীয় পাৰ্থক্যৰ বিষয়ে যথেষ্ট কথা জানিব পাৰিছোঁ। এই ক্ষেত্ৰত অধিক গৱেষণা আৰু বিশ্লেষণৰ পাছত আমি হয়তো জানিব পাৰিম, কেতিয়া, কেনেকৈ আমাৰ মাজত উদ্ভাৱনী ক্ষমতা, চিন্তা-চৰ্চা আদিৰ সৃষ্টি হ'ল আৰু আমি কেনেকৈ অনন্য বৈশিষ্ট্যৰ মানুহ হ'ব পাৰিলোঁ? ❖

## ভূগোল

# পামিৰ মালভূমি

■ **ৰুণুমী কলিতা**

সৌৰজগতৰ তৃতীয় গ্ৰহ পৃথিৱীপৃষ্ঠৰ গঠন বৈচিত্ৰ্যপূৰ্ণ। এফালে যদি আছে সুউচ্চ পৰ্বতমালা, অইনফালে আছে গভীৰ গিৰিখাদ। আকৌ এফালে যদি বিশাল মৰুভূমি, বিপৰীত ফালে আছে তুষাৰ আবৃত পৰ্বতশ্ৰেণী। পৃথিৱীপৃষ্ঠৰ এনে বৈচিত্ৰ্যপূৰ্ণ গঠনৰ মূলতে হৈছে ইয়াৰ ভৌগোলিক অৱস্থা, পৰিবেশ তথা জলবায়ু। পৃথিৱীৰ এই বৈচিত্ৰ্যময় গঠনৰ এক বিশেষ অংশ হৈছে মালভূমিবোৰ। সাধাৰণতে ওখ পাহাৰৰ সমতল অঞ্চলক মালভূমি বোলা হয়। এনে এক উল্লেখযোগ্য মালভূমি হৈছে পামিৰ মালভূমি। পৃথিৱীৰ আটাইতকৈ ওখ মালভূমিখনেই হ'ল পামিৰ মালভূমি। পামিৰ মালভূমিৰ ভৌগোলিক অৱস্থিতিৰ বাবে এই মালভূমি ভ্ৰমণপিপাসু লোকৰ বাবে এক বিশেষ আকৰ্ষণৰ কেন্দ্ৰ। সেইদৰে ভূতাত্ত্বিক গৱেষকৰ বাবেও পামিৰ মালভূমি বিশেষভাৱে গুৰুত্বপূৰ্ণ।

'পামিৰ' শব্দটো মূলতঃ আঞ্চলিক শব্দ 'পমিৰ'ৰ পৰা আহিছে যাৰ অৰ্থ 'চৰণীয়া পথাৰ'। এই মালভূমি মধ্য এছিয়াৰ মূলতঃ পূব তাজিকিস্তানত অৱস্থিত। ইয়াৰ কিছু অংশ আফগানিস্তান, উজবেকিস্তান, চীন, তিব্বত, কিৰ্গিস্তান আৰু পাকিস্তান পৰ্য্যন্ত বিস্তৃত হৈ আছে।

## ভূগোল



সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ২৫ হাজাৰ ফুট উচ্চতাত অৱস্থিত এই পামিৰ মালভূমিক 'পৃথিৱীৰ মূধচ' (roof of the Earth) বুলি কোৱা হয়। অতি উচ্চ আৰু জটিল পাহাৰীয়া ভৌগোলিক অৱস্থিতিৰে পৰিপূৰ্ণ পামিৰ মালভূমি বিশ্বৰ বহুতো পৰ্বতমালাৰ সংযোগস্থল। তিয়ান শ্বান, কুনলুন, কাৰাকোৰাম, হিমালয় আৰু হিন্দুকুশ পৰ্বতমালা লগ হৈ এই বিশাল পৰ্বতশ্ৰেণী গঠিত হৈছে। অৱস্থানৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায়—ইয়াৰ উত্তৰ-পূব অংশত আছে তিয়ান শ্বান পৰ্বতমালা। পূব অংশত কুনলুন আৰু দক্ষিণ-পশ্চিমত কাৰাকোৰাম পৰ্বতশ্ৰেণী অৱস্থিত। আকৌ ইয়াৰ দক্ষিণ দিশত আছে সুউচ্চ হিমালয় পৰ্বতশ্ৰেণী।

পামিৰ মালভূমি শিলাময় উপত্যকা, গিৰিখাদ আৰু হিমবাহৰ দ্বাৰা আবৃত এক বিশাল এলেকা। ভাৰতীয় আৰু ইউৰেছিয়ান টেকট'নিক (tectonic) প্লেটৰ সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা এই মালভূমি অঞ্চলটোৰ ভূমিকম্পীয় সক্ৰিয়তা অধিক। প্ৰায় প্ৰতিটো দশকৰ মূৰে মূৰে ইয়াত ৬-৭ প্ৰাবল্যৰ (ৰিখটাৰ স্কেলৰ) ভূমিকম্প অনুভূত হয়। ভূবিজ্ঞানৰ তথ্য অনুসৰি অঞ্চলটো বছৰি প্ৰায় ১৩-১৯ মিলিমিটাৰ হাৰত সংকুচিত হৈ আছে। পামিৰ মালভূমিৰ প্ৰায় ১০ শতাংশ হিমবাহে আগুৰি আছে। পূৰ্বৰ ছোভিয়েট ইউনিয়নৰ আটাইতকৈ দীঘল অমেৰু হিমবাহ 'ভাঞ্চ ইয়াখ' (Vanch Yakh) ইয়াতেই অৱস্থিত। পামিৰৰ হিমবাহৰ পানী বহুতো নদীৰ উৎস।

প্ৰতি বছৰে অতি কম সময়ৰ বাবে ইয়াত গ্ৰীষ্মকাল অনুভূত হয় আৰু বাকী সময়ছোৱা এই মালভূমি অঞ্চল বৰফাবৃত হৈ থাকে। বছৰৰ বেছিভাগ সময় বৰফে আবৰি থকা পামিৰ মালভূমিৰ জলবায়ু অতি ঠাণ্ডা আৰু শুষ্ক। অঞ্চলটোৰ শীতকাল দীঘলীয়া তথা তীব্ৰ শীত অনুভূত হোৱাৰ বিপৰীতে গ্ৰীষ্মকাল তুলনামূলকভাৱে চুটি, কম ঠাণ্ডা আৰু আৰামদায়ক হোৱা দেখা যায়। গ্ৰীষ্মকালৰ সময়ছোৱাত এই মালভূমি অঞ্চল প্ৰাণচঞ্চল হৈ উঠে। মালভূমিখনৰ ওচৰে-পাঁজৰে থকা স্থানীয় জনগোষ্ঠীয় লোকসকলৰ বাবে এই গ্ৰীষ্মকাল বিশেষভাৱে গুৰুত্বপূৰ্ণ। গ্ৰীষ্মকালত বাৰ্ষিক বৰষুণৰ পৰিমাণ প্ৰায় ১৩০ মিলিমিটাৰ হোৱাৰ ফলত পামিৰ মালভূমিৰ বিস্তীৰ্ণ এলেকা ঘাঁহনিৰে পৰিপূৰ্ণ হৈ পৰে। ইয়াৰ স্থানীয় লোকসকলেও গ্ৰীষ্মকালৰ সময়ছোৱাতে বিস্তীৰ্ণ ঘাঁহনি অঞ্চলৰ ওপৰত নিৰ্ভৰ কৰি পশুপালনৰ জৰিয়তে জীৱিকা নিৰ্বাহ কৰে। ইয়াত প্ৰধানকৈ পামিৰ, ৱাখী, কিৰ্গিজ, তাজিককে ধৰি বিভিন্ন জনগোষ্ঠীয়ে বাস কৰে। এই অঞ্চলৰ অধিবাসীসকলৰ ভাষা, খাদ্যাভ্যাস, সাজ-পোছাক আদিৰ এক সুকীয়া বৈশিষ্ট্য থকাৰ দৰে তেওঁলোকে এক নিজস্ব সংস্কৃতি বহন কৰে।

পামিৰ মালভূমিৰ ভৌগোলিক অৱস্থিতিয়ে ভাৰতৰ লগতে মধ্য আৰু দক্ষিণ এছিয়াৰ জলবায়ু নিৰ্ধাৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। পামিৰৰ ওখ পৰ্বতশ্ৰেণীয়ে উত্তৰ দিশৰ পৰা অহা ঠাণ্ডা আৰু দক্ষিণৰ পৰা অহা উষ্ণ, আৰ্দ্ৰ বতাহক বাধা দি দুয়োফালে দুটা ভিন্ন জলবায়ু মণ্ডলৰ সৃষ্টি কৰি ভাৰতৰ কৃষিৰ ওপৰত প্ৰভাৱ পেলোৱা মৌচুমী বতাহক পৰোক্ষভাৱে হ'লেও প্ৰভাৱিত কৰে। খনিজ সম্পদৰ ফালৰ পৰাও পামিৰ মালভূমি বিশেষভাৱে সমৃদ্ধিশালী। মালভূমিখনৰ পশ্চিম প্ৰান্তত কয়লাৰ খনিও আৱিষ্কৃত হৈছে। গতিকে পামিৰ মালভূমি কেৱল প্ৰাকৃতিক বৈশিষ্ট্যৰে পূৰ্ণ অঞ্চলেই নহয়, ভাৰতকে ধৰি বহু দেশৰ পৰিবেশ, জলবায়ু, ৰাজনৈতিক তথা অৰ্থনৈতিক সম্পৰ্কত প্ৰভাৱ পেলোৱা এক গুৰুত্বপূৰ্ণ অঞ্চলো। লগতে এই মালভূমিৰ এক ঐতিহাসিক গুৰুত্ব আছে। ই এসময়ত সাংস্কৃতিক বিনিময়ৰ এক উল্লেখযোগ্য কেন্দ্ৰ হোৱাৰ লগতে প্ৰাচীন ৰেছম পথৰ (ancient silk road) এক অবিচ্ছেদ্য অংশ আছিল; যিয়ে প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত বাণিজ্য আৰু পাৰস্পৰিক সম্পৰ্কৰ সুবিধা কৰি দিছিল। পামিৰ মালভূমি ইয়াৰ বৈচিত্ৰ্যময় ভৌগোলিক অৱস্থানৰ বাবে পৰ্যটনৰ কেন্দ্ৰ হৈ পৰিছে। ❖

## ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতিক আমেৰিকা যুক্তৰাষ্ট্ৰৰ হৰণ



যোৱা ৩ জানুৱাৰী তাৰিখে মাজনিশা আমেৰিকা যুক্তৰাষ্ট্ৰই আকাশী অভিযান চলাই ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাছ মাডুৰোক পত্নীসহ ৰাজধানী কাৰাকাছৰ পৰা বলপূৰ্বক ধৰি-বান্ধি নিয়া কাৰ্য্যই সমগ্ৰ বিশ্বক স্তম্ভিত কৰি তোলে। তুলনামূলকভাৱে সৰু স্বাধীন দেশখনৰ ৰাষ্ট্ৰপতি আৰু তেওঁৰ পত্নী চিলিয়া ফ্লৰেছক ধৰি নি নিউয়ৰ্কত বিচাৰ চলোৱা হয়। এই অতৰ্কিত অভিযানত মাৰ্কিন ডেল্টা ফৰ্চৰ (delta force) বিশেষ কামাণ্ডোৱে যুঁজাৰু বিমানেৰে অংশগ্ৰহণ কৰিছিল। তৈল সম্পদত অতি চহকী, স্বাভিমানী ভেনিজুৱেলাৰ বিৰুদ্ধে ড্ৰাগছ সৰবৰাহৰ অভিযোগ আনি আমেৰিকা যুক্তৰাষ্ট্ৰই দেশখনক আক্ৰমণ কৰাৰ ভাবুকি দি আহিছিল। অভিযানৰ পূৰ্বে ভেনিজুৱেলাৰ সামৰিক বাহিনী আৰু সুৰক্ষা ব্যৱস্থা বোমা বিস্ফোৰণ কৰি নিষ্ক্ৰিয় কৰা হৈছিল আৰু সামৰিক ঘাটিসমূহ ধ্বংস কৰি দিয়া হৈছিল। সাহসী মাডুৰো বিপুল সংখ্যাগৰিষ্ঠতাৰে ২০২৪ চনত দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল যদিও আমেৰিকা যুক্তৰাষ্ট্ৰই স্বীকৃতি দিয়া নাছিল। এই গণতন্ত্ৰবিৰোধী আক্ৰমণক ৰাছিয়া, চীন, ইৰান আদি দেশে তীব্ৰ ভাষাৰে নিন্দা কৰে। উপ-ৰাষ্ট্ৰপতি ডেলচি ৰড্ৰিগেজে দেশখনৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

## প্ৰধানমন্ত্ৰী মোডীৰ দুদিনীয়া অসম ভ্ৰমণ



যোৱা ১৭ জানুৱাৰী তাৰিখে দুদিনীয়া অসম ভ্ৰমণৰ কাৰ্য্যসূচী হাতত লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী গুৱাহাটীত উপস্থিত হয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা ৰোড শ্ব' কৰি তেওঁ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত বড়োসকলৰ বাগৰুম্বা নৃত্য অনুষ্ঠানত অংশগ্ৰহণ কৰে। প্ৰায় দহ হাজাৰ শিল্পীয়ে পৰিবেশন কৰা দৃষ্টিনন্দন বাগৰুম্বা নৃত্য দেখি প্ৰধানমন্ত্ৰীগৰাকী মুগ্ধ হয় আৰু অসমৰ চহকী সংস্কৃতিক লৈ সমগ্ৰ ভাৰতবৰ্ষই গৌৰৱ অনুভৱ কৰে বুলি ভাষণত কয়। ইয়াৰ পূৰ্বে মালদহত প্ৰধানমন্ত্ৰী মোডীয়ে হাওৰা-কামাখ্যাৰ মাজত দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ ৰেল সেৱাৰ শুভাৰম্ভ কৰে। ১৮ জানুৱাৰী তাৰিখে তেওঁ কলিয়াবৰত দুখন নতুন দূৰণিবটীয়া অমৃত ভাৰত এক্সপ্ৰেছ ৰেলগাড়ীৰ ফ্লেগ অফ কৰে। লগতে ৬৯৫০ কোটি টকা ব্যয়সাপেক্ষ ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এলিভেটেড কৰিড'ৰৰ (elevated corridor) ভূমি পূজন সম্পন্ন কৰি ভ্ৰমণৰ সামৰণি মাৰে।

## প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাৰ দেহাৱসান



যোৱা ১৪ জানুৱাৰী তাৰিখে প্ৰথিতযশা লেখক, সাংবাদিক, প্ৰখ্যাত পয়েকীয়া আলোচনী 'প্ৰান্তিক'ৰ সম্পাদক প্ৰদীপ বৰুৱাৰ ৮৭ বছৰ বয়সত দেহাৱসান ঘটে। প্ৰান্তিক আলোচনীৰ জন্মদাতা তথা সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ তৃতীয় তথা কনিষ্ঠ পুত্ৰ প্ৰদীপ বৰুৱাৰ জন্ম হৈছিল ১৯৩৮ চনত ডিব্ৰুগড়ৰ আমোলাপট্টিত। ১৯৬০ চনত কটন মহাবিদ্যালয়ৰ পৰা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত পিতৃৰ দ্বাৰা প্ৰকাশিত ইংৰাজী দৈনিক কাকত 'দি আছাম ট্ৰিবিউন'ত যোগদান কৰি কৰ্ম জীৱনৰ পাতনি মেলে। ১৯৬৭-৬৮ চনত প্ৰয়াত বৰুৱাই উন্নত ছপা প্ৰযুক্তিৰ অধ্যয়ন আৰু জ্ঞান আহৰণৰ বাবে ৰাছিয়া আৰু ইংলণ্ড ভ্ৰমণ কৰে। ১৯৭৭ চনত তেওঁ সুকীয়াকৈ ছপাশাল প্ৰতিষ্ঠা কৰি গ্ৰন্থ প্ৰকাশত মনোনিবেশ কৰে। স্বাভিমানী, অতি শিষ্টাচাৰী

বৰুৱাই ১৯৮১ চনত ড° ভবেন্দ্ৰনাথ শইকীয়াক মুখ্য সম্পাদক হিচাপে লৈ পযেকীয়া আলোচনী 'প্ৰান্তিক'ৰ প্ৰকাশ আৰম্ভ কৰি এটা মননশীল ধাৰা সৃষ্টি কৰে। ১৯৯৭ চনত ড° শইকীয়াই স্বাস্থ্যজনিত কাৰণত অব্যাহতি লোৱাত প্ৰয়াত বৰুৱাই সম্পাদকৰ গুৰুদায়িত্ব লৈ প্ৰান্তিকৰ প্ৰকাশ অব্যাহত ৰাখিবলৈ সমৰ্থ হৈছিল। নিজৰ লেখা আৰু নিৰপেক্ষ চিন্তাৰ জৰিয়তে অসমীয়া জাতি, ভাষা, সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰত প্ৰভূত অৱদান আগবঢ়াই যোৱা বৰুৱাই 'প্ৰান্তিক'ৰ জৰিয়তে এটা নতুন যুগৰ সৃষ্টি কৰে। প্ৰান্তিকৰ জৰিয়তে এচাম ৰুচিশীল, সংবেদনশীল আৰু মূল্যবোধসম্পন্ন পাঠক আৰু লেখক সৃষ্টিৰ ক্ষেত্ৰত প্ৰয়াত বৰুৱা চিৰস্মৰণীয় হৈ ৰ'ব।

অসমীয়া ভাষা-সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অতুলনীয় অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁ কমল কুমাৰী বৰুৱা বঁটা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য বঁটা, অসম জাতীয় বিদ্যালয় সন্মান, ৰাধিকা মোহন ভাগৱতী সোঁৱৰণী জীৱনজোৰা সাধনা বঁটা আদি সন্মান লাভ কৰিছিল। তেওঁৰ 'স্বগতোক্তি' শীৰ্ষক আত্মজীৱনীখনে পাঠক সমাজৰ পৰা বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। মৃত্যুৰ সময়ত তেওঁ পত্নী মায়া বৰুৱা, কন্যা ৰশ্মি বৰুৱাসহ অনেক গুণমুগ্ধক এৰি থৈ যায়।

## প্ৰসিদ্ধ কণ্ঠশিল্পী সমৰ হাজৰিকাৰ চিৰবিদায়



যোৱা ১৩ জানুৱাৰী তাৰিখে ৭৯ বছৰ বয়সত প্ৰসিদ্ধ কণ্ঠশিল্পী সমৰ হাজৰিকাৰ দেহাৱসান ঘটে। ১৯৪৭ চনত জন্মগ্ৰহণ কৰা তথা ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ সৰ্বকনিষ্ঠ ভাতৃ সমৰ হাজৰিকাই স্কুলীয়া দিনতে আকাশবাণী গুৱাহাটীৰ কণ্ঠশিল্পী হিচাপে স্বীকৃতি লাভ কৰিছিল। বাল্যকালতে সংগীতৰ জগতত যাত্ৰা আৰম্ভ কৰা প্ৰয়াত হাজৰিকাৰ প্ৰথমটো গীতৰ এলবাম 'উত্তৰ কোঁৱৰ প্ৰতিমা বৰুৱা দেৱী' ১৯৬৮ চনত মুক্তি পায়। আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ 'বি-হাই' শিল্পী হিচাপে স্বীকৃত হাজৰিকাই ২১ খন অসমীয়া বোলছবি আৰু তিনিখন দূৰদৰ্শন ধাৰাবাহিকত কণ্ঠ নিগৰাই অগণন দৰ্শক-শ্ৰোতাৰ মন জয় কৰিবলৈ সক্ষম হয়। ভাৰতীয় খাদ্য নিগমৰ বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ কৰা প্ৰয়াত হাজৰিকাই কণ্ঠ নিগৰোৱা কেইখনমান জনপ্ৰিয় বোলছবি হৈছে—দেৱী, বোৱাৰী, ঘৰ-সংসাৰ, এই দেশ মোৰ দেশ, সোণ মইনা, পিতা-পুত্ৰ, চিৰাজ, ব'হাগৰ দুপৰীয়া, প্ৰতিমা, অহিৰ ভৈৰৱ ইত্যাদি।

অসমৰ সংগীত ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁ কেইবাবাৰো শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰূপে পুৰস্কাৰ লাভ কৰিছিল।

## টি-২০ ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতা

অহা ৭ ফেব্ৰুৱাৰী তাৰিখৰ পৰা দশমসংখ্যক আইচিচি ক্ৰিকেট বিশ্বকাপ (পুৰুষ) প্ৰতিযোগিতা ভাৰত আৰু শ্ৰীলংকাত যৌথভাৱে ২০ টা প্ৰতিযোগী দলৰ মাজত অনুষ্ঠিত হ'ব। ২০০৭ চনত আৰম্ভ হোৱা এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বাংলাদেশ অংশগ্ৰহণৰ পৰা বিৰত থাকিব। বাংলাদেশৰ পৰিবৰ্তে স্কটলেণ্ডে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ৭ ফেব্ৰুৱাৰীত শুভাৰম্ভ হ'বলগীয়া প্ৰতিযোগিতাখনৰ ৮ মাৰ্চত ফাইনেল খেল অনুষ্ঠিত হ'ব। উদ্যোক্তা দুয়োখন দেশৰ ৮ খন ষ্টেডিয়ামত মুঠ ৫৫ খন খেল অনুষ্ঠিত হ'ব আৰু এই বৰ্ষত ইটালীয়ে প্ৰথমবাৰৰ বাবে বিশ্বকাপত অংশগ্ৰহণ কৰিব।

## অসমৰ পাঁচগৰাকী ব্যক্তিলৈ পদ্মশ্ৰী বঁটা



নুৰুদ্দিন আহমেদ | পখিলা লেকথেপী | ড° যোগেশ দেউৰী | কবীন্দ্ৰ পুৰকায়স্থ | হৰিচৰণ শইকীয়া

যোৱা ২৫ জানুৱাৰী তাৰিখে কেন্দ্ৰীয় চৰকাৰে ২০২৬ বৰ্ষৰ পদ্ম বঁটা প্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। চৰকাৰে ঘোষণা কৰা তালিকা অনুসৰি এই বৰ্ষত ৫ গৰাকীয়ে পদ্মবিভূষণ, ১৩ গৰাকীয়ে পদ্মভূষণ আৰু ১১৩ গৰাকী ব্যক্তিয়ে পদ্মশ্ৰী বঁটা লাভ কৰে। অসমৰ বিশিষ্ট কলা নিৰ্দেশক তথা ভাস্কৰ্য্য শিল্পী নুৰুদ্দিন আহমেদ,

লোকশিল্পী পখিলা লেকথেপী, বিশিষ্ট কৃষি আৰু ৰেছম উদ্যোগী ড° যোগেশ দেউৰী, প্ৰাক্তন মন্ত্ৰী তথা সমাজসেৱক কবীন্দ্ৰ পুৰকায়স্থ আৰু যশস্বী সত্ৰীয়া নৃত্য শিল্পী হৰিচৰণ শইকীয়ালৈ দেশৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক বঁটা 'পদ্মশ্ৰী' এই বৰ্ষত আগবঢ়োৱা হয়। ১৯৫৪ চনতে প্ৰবৰ্তন কৰা এই বঁটাসমূহ কলা, সাহিত্য, ক্ৰীড়া, সংস্কৃতি, কৃষি, সমাজসেৱা ইত্যাদি বিভিন্ন ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়াই অহা ব্যক্তিসকললৈ আগবঢ়োৱা হয়। এই বৰ্ষৰ দেশৰ সৰ্বোচ্চ অসামৰিক বঁটা (সন্মান) 'ভাৰতৰত্ন' প্ৰাপকৰ নাম চৰকাৰে এই পৰ্য্যন্ত ঘোষণা কৰা নাই।

## ইৰানত গণ বিদ্ৰোহ



যোৱা ২৮ ডিচেম্বৰ তাৰিখৰ পৰা ইৰানৰ ৩১ খন প্ৰদেশৰ ১৮০ খন চহৰত দেশখনৰ স্বেচ্ছাচাৰী ইছলামিক গণৰাজ্যিক চৰকাৰৰ বিৰুদ্ধে গণ বিদ্ৰোহৰ সূচনা হয়। দেশখনৰ সৰ্বোচ্চ নেতা আলি খামেইনীয়ে বিদ্ৰোহী প্ৰতিবাদকাৰীসকলৰ ওপৰত গুলীচালনাৰ আদেশ দিয়ে। এনে গুলীচালনাত প্ৰায় ৩০ হাজাৰ লোকৰ প্ৰাণহানি হয় আৰু ৩ লাখ ৬০ হাজাৰ লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দেশখনৰ ইতিহাসৰ সৰ্ববৃহৎ গণহত্যা বুলি পৰিগণিত হোৱা এই বিদ্ৰোহৰ মূল কাৰণ কেইটামান হৈছে—অৰ্থনৈতিক অৰাজকতা, আন্তৰ্জাতিক নিষেধাজ্ঞা, ৪৩ শতাংশ মুদ্ৰাস্ফীতি, নিম্নগামী মুদ্ৰাস্তৰ, মানৱ অধিকাৰ উলংঘন, সীমাহীন দুৰ্নীতি, বাধ্যতামূলক হিজাব পৰিধান ইত্যাদি। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ সামৰিক আক্ৰমণৰ নেৰানেপেৰা ভাবুকিৰ পৰিপ্ৰেক্ষিতত দেশখনৰ আভ্যন্তৰীণ পৰিস্থিতি অশান্ত হৈ পৰে আৰু মূলতঃ যুৱশক্তিয়ে একনায়কত্ববাদী ধৰ্মান্ধ শাসনক ক্ষমতাচ্যুত কৰিবৰ বাবে বিদ্ৰোহত জঁপিয়াই পৰে। খামেইনী চৰকাৰে কঠোৰ হাতেৰে বিদ্ৰোহ দমন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে যদিও বিদ্ৰোহী জনতাই গণতান্ত্ৰিক প্ৰমূল্য পুনৰ প্ৰতিষ্ঠাৰ বাবে গণভোট অনুষ্ঠিত কৰাৰ দাবী কৰি আহিছে।

## ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত 'মুক্ত বাণিজ্য চুক্তি' স্বাক্ষৰ

যোৱা ২৭ জানুৱাৰী তাৰিখে ভাৰত আৰু ইউৰোপীয় সংঘৰ (European Union) মাজত অনুষ্ঠিত শীৰ্ষ সন্মিলনত বহু প্ৰতীক্ষিত 'মুক্ত বাণিজ্য চুক্তি' (Free Trade Agreement) স্বাক্ষৰ কৰা হয়। ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভন ডাৰ লেয়েন (Ursula Von der Leyen), ইউৰোপীয় পৰিষদৰ অধ্যক্ষ এণ্টনিঅ' কষ্টা (Antonio Costa) আৰু ভাৰত চৰকাৰৰ মাজত স্বাক্ষৰিত হোৱা চুক্তি অনুসৰি ইউৰোপীয় সংঘৰ প্ৰায় ৯০ শতাংশ সামগ্ৰীৰ ওপৰত থকা শুল্ক নিৰ্মূল তথা হ্ৰাস কৰা হ'ব। ইউৰোপীয় সংঘৰ ২৭ খন দেশৰ পৰা ভাৰতে আমদানি কৰা সামগ্ৰী, যেনে—সুৰা, স্পিৰিট আদিৰ শুল্ক ৫০ শতাংশ হ্ৰাস কৰা হৈছে। তদুপৰি জলফাই তেল, ভেষজ তেল, বিমান, মহাকাশযানৰ সামগ্ৰী আদিৰ ওপৰত থকা শুল্ক বাতিল কৰা হৈছে। আমদানিকৃত গাড়ীৰ শুল্ক ১১০ শতাংশৰ পৰা ১০ শতাংশলৈ হ্ৰাস কৰা হৈছে (২.৫ লাখ খন গাড়ী পৰ্য্যন্ত)। ৰাসায়নিক পদাৰ্থসমূহৰ শুল্ক ২২ শতাংশ কমোৱা হৈছে। চুক্তি অনুসৰি ইউৰোপীয়ান সংঘৰ ট্ৰেডমাৰ্ক, ডিজাইন, কপিৰাইট আদিয়ে আইনী সুৰক্ষা লাভ কৰিব। ২০০৭ চনতে সীমিত পৰিসৰত আৰম্ভ কৰা চুক্তি প্ৰক্ৰিয়াই ২০২৬ বৰ্ষত পূৰ্ণাংগ ৰূপ লাভ কৰে আৰু এই চুক্তিত প্ৰতিৰক্ষা, প্ৰযুক্তি, জলবায়ু সহযোগিতা, বিনিয়োগ আদি বিষয় সন্নিৱিষ্ট কৰা হয়।

এই চুক্তিখনৰ ফলত ভাৰত যথেষ্ট উপকৃত হ'ব আৰু বাণিজ্যিক দিশটোৰে নতুন গতি লাভ কৰিব বুলি আশা কৰা হৈছে। এই বহুল বিস্তাৰিত চুক্তিখনক 'সকলো চুক্তিৰ জননী' বুলি অভিহিত কৰা হৈছে। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

## খবৰৰ লেছেৰি বোটলা

**(২১ ডিচেম্বৰ ২০২৫ ৰ পৰা ২০ জানুৱাৰী ২০২৬লৈ)**

২১ **ডিচেম্বৰ ২০২৫** : শ্ৰীলংকাৰ জনপ্ৰিয় 'ৰেডিঅ' চিলন'এ (বীনাকা গীতমালা) শতবৰ্ষ অতিক্ৰম কৰি অভিলেখ সৃষ্টি কৰে।

২৩ **ডিচেম্বৰ** : ২৮ বছৰীয়া অলৰাউণ্ডাৰ দীপ্তি শৰ্মাই আইচিচি বলাৰৰ ৰেংকিঙত শীৰ্ষস্থান লাভ কৰে।

২৪ **ডিচেম্বৰ** : ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৬০০০ কিলোগ্ৰাম ওজনৰ 'এলভিএম-৩' উপগ্ৰহ কৃতকাৰ্য্যতাৰে মহাকাশত উপস্থাপন কৰিবলৈ সক্ষম হয়।

২৭ **ডিচেম্বৰ** : ৰত্নেশ্বৰ মৰাণক ২০২৫ বৰ্ষৰ প্ৰতিমা বৰুৱা পাণ্ডে বঁটা প্ৰদান কৰা হয়।

২৯ **ডিচেম্বৰ** : ভাৰতীয় মূলৰ ৪০ বছৰীয়া প্ৰাক্তন ক্ৰিকেটাৰ ইছা গুহক ইংলণ্ডৰ ৰজাই 'মেম্বাৰ অৱ দা অৰ্ডাৰ অৱ দা বৃটিছ আম্পায়াৰ' (MBE) সন্মান প্ৰদান কৰে।

৩০ **ডিচেম্বৰ** : বাংলাদেশৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী খালেদা জিয়াৰ ৭৯ বছৰ বয়সত মৃত্যু হয়।

৩১ **ডিচেম্বৰ** : ডেনমাৰ্ক ডাক সেৱা (postal service) সমাপ্ত (বন্ধ) কৰা বিশ্বৰ প্ৰথমখন দেশ হিচাপে পৰিগণিত হয়।

১ **জানুৱাৰী ২০২৬** : ৰাষ্ট্ৰীয় ৰোলবল চেম্পিয়নশ্বিপত অসমে তামিলনাডুক হৰুৱাই চেম্পিয়নৰ খিতাপ দখল কৰে।

২ **জানুৱাৰী** : ১২৩.৪ বিলিয়ন মাৰ্কিন ডলাৰ সম্পত্তিৰে মুকেশ আম্বানীয়ে দেশৰ ধনাঢ্য ব্যক্তিৰ ভিতৰত শীৰ্ষস্থান দখল কৰে।

৩ **জানুৱাৰী** : ৰাজস্থান চৰকাৰে চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীয়ে দৈনিক বাতৰি কাকত পঢ়াটো বাধ্যতামূলক কৰা বুলি ঘোষণা কৰে।

৪ **জানুৱাৰী** : ২০২৫ বৰ্ষত ভাৰত বিশ্বৰ ভিতৰত সৰ্বাধিক ধান উৎপাদনকাৰী দেশ বুলি মাৰ্কিন কৃষি গৱেষণা সংস্থাই ঘোষণা কৰে (১৫ কোটি ২০ লাখ মেট্ৰিকটন)।

৫ **জানুৱাৰী** : ব্ৰহ্মপুত্ৰ নদীৰ তলেৰে ১৮,৬০০ কোটি টকা ব্যয় সাপেক্ষে নুমলীগড়-গহপুৰ সুৰংগ পথত (৩২ কিলোমিটাৰ দৈৰ্ঘ্য) কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনায়।

৮ **জানুৱাৰী** : বিশ্ব স্বাস্থ্য সংস্থা, জলবায়ু সন্মিলন সংস্থাকে ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰই মুঠ ৬৬টা গুৰুত্বপূৰ্ণ সংস্থা ত্যাগ কৰা বুলি ৰাষ্ট্ৰপতি ট্ৰাম্পে ঘোষণা কৰে।

১০ **জানুৱাৰী** : নৰম এলিট ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত লাভলীনা বৰগোহাঁয়ে স্বৰ্ণপদক লাভ কৰে।

- অসমৰ ২৩ বছৰীয়া প্ৰজ্ঞান চক্ৰৱৰ্তীয়ে অষ্ট্ৰেলিয়াৰ প্ৰশাসনীয় সেৱাত নিযুক্তি লাভ কৰে।

১১ **জানুৱাৰী** : উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য্যকান্তে উত্তৰ গুৱাহাটীৰ ৰংমহলত অসমৰ ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন কৰে।

১২ **জানুৱাৰী** : উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ 'লাচিত-১'ৰ উৎক্ষেপণ বিফল হয়।

১৫ **জানুৱাৰী** : গুৱাহাটী এছীয় চলচ্চিত্ৰ মহোৎসৱত বিষ্ণু খাৰঘৰীয়াক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়।

১৮ **জানুৱাৰী** : শাস্ত্ৰীয় সংগীতৰ গুৰু তথা বিশিষ্ট বেহেলাবাদক (সংগীত নাটক একাডেমী বঁটা বিজয়ী) মিনতি খাউণ্ডৰ ৮৬ বছৰ বয়সত দেহাৱসান ঘটে।

১৯ **জানুৱাৰী** : ভাৰতবৰ্ষ আৰু সংযুক্ত আৰব আমিৰ শ্বাহীৰ মাজত ২০০ বিলিয়ন মাৰ্কিন ডলাৰৰ প্ৰতিৰক্ষা চুক্তি স্বাক্ষৰিত হয়।

২০ **জানুৱাৰী** : বিহাৰ বিধানসভাৰ বিধায়ক নীতিন নবীনে ভাৰতীয় জনতা দলৰ (বিজেপি) ১২ সংখ্যক ৰাষ্ট্ৰীয় সভাপতিৰূপে নিযুক্তি লাভ কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, জানুৱাৰী, ২০২৬

ৰাগিণী কাশ্যপ (সপ্তম গ), পল ভৰালী (সপ্তম গ)। ❖

# বব ডিলান : মুক্ত আত্মাৰ গান

■ নিশা দেৱী



বব ডিলানৰ (Bob Dylan) গানত এক ধৰণৰ যাদু আছে। তেওঁৰ কণ্ঠ, গানৰ কথা আৰু সুৰে হৃদয় চুই যায়। কিন্তু তেওঁৰ কথা পাতিবলৈ গৈ প্ৰায়ে থমকি ৰ'বলগীয়া হয়। আমি কোনজন বব ডিলানৰ কথা পাতিম? ২০০১ চনৰ অস্কাৰ বিজয়ী গায়কজনৰ নে ২০১৬ চনত সাহিত্যৰ ন'বেল বঁটা পোৱা সাহিত্যিকজনৰ, অনন্য কণ্ঠৰ অধিকাৰী বব ডিলানৰ কথা পাতিম নে আমেৰিকাৰ সংগীত পৰম্পৰালৈ নতুন কাব্যিক প্ৰকাশৰ সৃষ্টি নিগৰোৱা কবি, গীতিকাৰ, সাহিত্যিকজনৰ কথা পাতিম? মানুহ বাৰু একেজনেই অথচ অনন্য প্ৰতিভা, সুগভীৰ চিন্তা আৰু সূক্ষ্ম দৃষ্টিভংগীৰ কি যে সন্তুলিত ব্যক্তিত্ব !

বব ডিলানৰ কণ্ঠ অনন্য। গীতিকাৰ হিচাপে তেওঁ বিস্ময়কৰ। প্ৰতীক আৰু অলংকাৰেৰে সমৃদ্ধ তেওঁৰ গানৰ কথা বেছ অৰ্থবহ। বব ডিলান কেৱল এজন গায়ক নহয়, কেৱল এজন সংগীতকাৰ বা এজন গীতিকাৰ নহয়, এই সকলোবোৰ আভূষণেৰে ভূষিত বব ডিলান হৈছে পৃথিৱীৰ প্ৰথমজন ব্যক্তি যিয়ে কেৱল গান লিখি, গানৰ মাজতেই নিজৰ সুগভীৰ চিন্তাধাৰাৰ সুন্দৰ সুন্দৰ পোখাবোৰ পুতি, সদৌ শেষত সাহিত্যৰ ন'বেল বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। বিশ্বই দেখিছে কেনেকৈ বব ডিলানৰ গানৰ সৰু সৰু পোখাবোৰে একোজোপা বৃক্ষৰ ৰূপ লৈ গ্ৰীষ্মত আতুৰ জীৱন-পথিকক বিভিন্ন সময়ত ছাঁ দি গা জুৰ পেলাইছে। বব ডিলানক সাহিত্যৰ ন'বেল বঁটা দিয়া হৈছে আৰু সমগ্ৰ বিশ্বই (দুই-একৰ বাহিৰে) এই সিদ্ধান্তত অভিভূত হৈ প্ৰশংসা কৰিছে। এতিয়া অলপ আলোচনা কৰা যাওক। আচলতে কি আছে বব ডিলানৰ গানৰ কথাত।

প্ৰথমতেই তেওঁৰ কণ্ঠৰ বিষয়ে অলপ লিখোঁ। কোৱা হয় বব ডিলানৰ কণ্ঠ আচলতে সাধু কথা কোৱাৰহে উপযোগী—অনুনাসিক, কেঁচা, খহটা। সমালোচকে তেওঁৰ কণ্ঠক 'বালি আৰু আঠা' বুলি কয়; কাৰণ তেওঁৰ কণ্ঠত এক ধৰণৰ 'প্ৰত্যেকজন মানুহ'ৰ কণ্ঠৰ গুণ আছে; যিটো খহটা হোৱাৰ পাছতো নিজৰ গভীৰ আবেগ আৰু জীৱন-দৰ্শনক সুন্দৰভাৱে কঢ়িয়াব পাৰে। সময়ৰ লগে লগে এই কথা প্ৰমাণিত হৈছে যে বব ডিলানৰ আশ্চৰ্য্যকৰ কণ্ঠহে স্বাভাৱিকতে তেওঁ লিখা গানবোৰৰ প্ৰচণ্ড আবেগ আৰু সুগভীৰ জীৱনবোধ কঢ়িয়াবলৈ উপযুক্ত।

ডিলানৰ 'ইট্‌ছ অলৰাইট, মা' আই এম অনলি ব্লিডিং ('It's Alright, Ma' I'm Only Bleeding) গানটোৰ কথা মৰ্মস্পৰ্শী। বাস্তৱৰ কঠিন আঘাতত বাৰে বাৰে প্ৰতাৰিত হোৱাৰ পাছত, বিচৰাটো নোপোৱাৰ দুখে মৰ্মাহত কৰাৰ পাছত, জীৱনটো মাৰ কোলালৈ পিছুৱাই যায় আৰু নিজৰ দুখ ঢকাৰ ব্যৰ্থ প্ৰয়াস কৰি মাথোঁ কয়, 'ইট্‌ছ অলৰাইট, মা'।

'মাই বেক পেজেছ' (My Back Pages) গানটো হৈছে শৈশৱ, কৈশোৰ আৰু যৌৱনৰ ৰৌদ্ৰোজ্জ্বল দিনবোৰলৈ উভতি যোৱাৰ এটি অতি সুন্দৰ, কাব্যিক প্ৰকাশ। গানটোৱে শ্ৰোতাক সেই দিনবোৰলৈ লৈ যায়, যিবোৰ দিনে সুবিধা পালেই অতীতৰ পৰা উঠি আহি অনবৰতে এজন মানুহৰ মনস্তত্ত্বৰ সোঁৱে-বাঁৱে ঘূৰি থাকে।

'ডোণ্ট থিংক টুৱাইছ, ইট্‌ছ অলৰাইট' (Don't Think Twice, It's Alright) গানটোৱে যদিও সহজ বিদায়ৰ ইংগিত দিয়ে, ই গায়কৰ তিতা-মিঠা অভিজ্ঞতা

আৰু শেষত গায়কৰ সকলোবোৰ এৰি দিয়াৰ মনোভাবৰ কথাও ব্যক্ত কৰে। সহজ ভাষাত, গায়কে যেন গানটোৰ জৰিয়তে ক'ব খুজিছে—"জীৱন তথাপিও আগবাঢ়ি যাব।"

বব ডিলানৰ কালজয়ী গানবোৰৰ এটা হ'ল 'দা টাইমছ দে আৰ এ-চেঞ্জিন' (The Times They Are A-Changin)। এই গানটোক বহুতেই সমাজ পৰিবৰ্তনৰ জাতীয় সংগীত বুলি ক'ব খোজে। গানটোৰ জৰিয়তে ডিলানে শ্ৰোতাক পৰিবৰ্তিত সমাজৰ বিষয়ে বাৰে বাৰে সোঁৰৰাই দিছে। সমাজ, ৰাজনীতি আৰু সংস্কৃতিৰ পৰিবৰ্তিত সোঁতবোৰৰ সৈতে জুখি-মাখি চলিবলৈ তেওঁ শ্ৰোতাক আহ্বান জনাইছে। বুজি নোপোৱাখিনিক সমালোচনা কৰিবলৈ তেওঁ মানা কৰিছে আৰু কৈছে আজিৰ পৰাজিতজন কাইলৈ বিজয়ী হৈ উঠিবলৈ বেছি পৰ নালাগে।

কেঁচা, কাব্যিক চিত্ৰকল্পৰে ভৰা ডিলানৰ আন এটা গান হ'ল 'লাইক এ ৰোলিং ষ্টʼন' (Like a Rolling Stone)। গানটোৱে হেৰোৱাৰ দুখ, নিৰাশাবাদ, সামাজিক ব্যৱস্থা, স্বাধীনতা আৰু মুক্তিৰ দৰে বিভিন্ন বিষয়ক চুই গৈছে। পৰিত্যক্তা প্ৰেমিকা এগৰাকীক উদ্দেশ্য কৰি ডিলানে গানটোত সুধিছে, "চহৰৰ শ্ৰেষ্ঠ স্কুলখনলৈ তুমি যোৱা নাছিলা জানো?" একেটা গীততে তেওঁ এই প্ৰেমিকাগৰাকীক এই কথাটোও কৈছে, "তেওঁ এতিয়া মুক্ত।" গানটোত যদিওবা স্বাধীনতাৰ উল্লেখ আছে ই এটা অনিশ্চয়তাৰে ভৰা স্থিতিৰো ইংগিত দিয়ে। যদি পৃথিৱীখনক বিশাল গাঁও এখনৰ লগত তুলনা কৰোঁ, আমি দেখিম যে এই গাঁওখনৰ প্ৰায়বোৰ বাসিন্দাই বব ডিলানৰ কলমেৰে নিগৰা গানবোৰৰ কথাৰ মাজত নিজক বিচাৰি পায়। এই সাৰ্বজনীনতা অসাধাৰণ, এই সাৰ্বজনীনতা সহজ নহয়। যি সাহিত্যই জাতি-ধৰ্ম-ঠাই-সমাজ নিৰ্বিশেষে প্ৰায় সকলোৰে হৃদয় চুব পাৰে, সেই সৃষ্টি মহান। বব ডিলান কেৱল প্ৰতিভাসম্পন্ন নহয়, শ্ৰেষ্ঠতম গায়ক বা গীতিকাৰ এজনো নহয়, বব ডিলান হৈছে সৃষ্টিকৰ্তাৰ এক মহান সৃষ্টি। ❖

## প্ৰকৃতি

# ছালাৰ ডি উয়ুনি

■ **সুজিৎ কুমাৰ নেওগ**

বলিভিয়া (Bolivia) নামৰ দেশখনৰ দক্ষিণ-পশ্চিম অংশত অৱস্থিত ছালাৰ ডি উয়ুনি (Salar de Uyuni) হৈছে ১০ হাজাৰ বৰ্গ কিলোমিটাৰতকৈও অধিক এলেকা সামৰি থকা বিশ্বৰ আটাইতকৈ ডাঙৰ লৱণ-পৃষ্ঠ। এই প্ৰাকৃতিক আশ্চৰ্য্যটোক প্ৰায়ে 'আকাশৰ দাপোণ' বুলি কোৱা হয়। চকুৰে মনিব পৰালৈকে অন্তহীন নিমখৰ এখন বগা চাদৰ, তাৰ ওপৰত নানা বন্যপ্ৰাণীৰ বাসস্থান—ই সঁচাকৈ এক মনোমোহা প্ৰাকৃতিক দৃশ্য। এটা প্ৰাচীন হ্ৰদৰ অৱশিষ্টৰ পৰা গঠিত ছালাৰ ডি উয়ুনি কেৱল পৰ্য্যটনৰ বাবেই নহয়, আধুনিক প্ৰযুক্তিত ব্যৱহৃত খনিজ ধাতু লিথিয়ামৰ (lithium) এক গুৰুত্বপূৰ্ণ উৎস হিচাপেও বিবেচিত হৈছে।

ছালাৰ ডি উয়ুনি কেনেকৈ গঠন হৈছিল? হাজাৰ হাজাৰ বছৰৰ আগতে মিনচিন নামৰ এটা বিশাল প্ৰাগ ঐতিহাসিক হ্ৰদ দক্ষিণ-পশ্চিম বলিভিয়াৰ বহু অংশ ধৰি বিস্তৃত হৈ আছিল। সময়ৰ লগে লগে জলবায়ু পৰিবৰ্তনৰ বাবে হ্ৰদটো কালক্ৰমত শুকাই গ'ল আৰু হ্ৰদৰ তলিভাগ ওলাই পৰিল। ইয়াৰ ফলতেই এই লৱণ-পৃষ্ঠৰ সৃষ্টি হ'ল। মুখ্য হ্ৰদটোৰ অৱশিষ্ট হিচাপে এতিয়াও তাত দুটা সৰু সৰু হ্ৰদ আছে। ছালাৰ ডি উয়ুনিৰ নিমখৰ খোলাটো কিছুমান ঠাইত ১০ মিটাৰ (৩৩ ফুট) পৰ্য্যন্ত ডাঠ। এই কঠিন নিমখৰ স্তৰৰ তলত লিথিয়াম সমৃদ্ধ ব্ৰাইনৰ (ছ'ডিয়ামযুক্ত দ্ৰৱ) এটা ভাণ্ডাৰ আছে।

ছালাৰ ডি উয়ুনিৰ অন্যতম যাদুকৰী বৈশিষ্ট্য



হ'ল—বৰষুণৰ সময়ত ইয়াৰ পৃষ্ঠভাগ দাপোণৰ দৰে হৈ পৰে। পানীৰ পাতল তৰপ এটাই নিমখৰ সমতল অংশটো ঢাকি ৰাখি আকাশৰ এটা নিখুঁত প্ৰতিবিম্ব গঠন কৰে। ফলত মাটি আৰু আকাশ একাকাৰ হৈ পৰাৰ দৰে এক মনোমোহা দৃশ্যৰ সৃষ্টি হয়। খৰালি কালত পানী বাষ্পীভূত হৈ নিমখৰ পৃষ্ঠত ফাট মেলি ষড়ভূজাকৃতিৰ দৃষ্টিনন্দন আৰ্হিৰ সৃষ্টি কৰে।

এই নিমখীয়া পৰিবেশৰ মাজতো ছালাৰ ডি উয়ুনি আৰু ইয়াৰ চাৰিওকাষৰ অঞ্চলত বন্যপ্ৰাণীৰ উপস্থিতি দেখা পোৱা যায়। গোটেই সমতল জুৰি কেইবাটাও ৰঙীন লেগুন (অগভীৰ পানীৰ এক পুখুৰীৰ দৰে অংশ) আছে। ইয়াৰে লেগুনা কলোৰাডা (Laguna Colorada) লেগুনটো শেলাই আৰু খনিজ পদাৰ্থৰ দ্বাৰা সৃষ্টি হোৱা ৰঙা পানীৰ বাবে পৰিচিত। লেগুনা ভাৰ্দে (Lagura verde) নামৰ লেগুনটো উচ্চ পৰিমাণৰ খনিজ পদাৰ্থৰ উপস্থিতিৰ বাবে সেউজীয়া দেখা যায়। এই লেগুনবোৰ তিনিটা প্ৰজাতিৰ ফ্লেমিংগ'ৰ বাসস্থান। এই ফ্লেমিংগ'বোৰে পানীত থকা সৰু সৰু জীৱবোৰ খাই বাচি থাকে। ইয়াত নিমখৰ তৰপ ওখ হৈ গঠিত হোৱা ইনকাহুৱাচি দ্বীপটো (Incahuasi island) বিশাল কেকটাছেৰে আবৃত এটা শিলৰ পাহাৰ। এই কেকটাছবোৰৰ কিছুমানৰ বয়স ১,০০০ বছৰৰো অধিক আৰু ই ১২ মিটাৰ পৰ্য্যন্ত ওখ হ'ব পাৰে। এই দ্বীপটো এসময়ত আগ্নেয়গিৰি আছিল আৰু ই এতিয়া পৰ্য্যটকৰ বাবে জনপ্ৰিয় জিৰণি স্থল। চাৰিওফালৰ নিমখৰ মৰুভূমিৰ ওখ অঞ্চলবোৰত বিভিন্ন প্ৰজাতিৰ শিয়াল, শহাপহুৰ লগতে দেখাত হাঁহৰ দৰে বিৰল প্ৰজাতিৰ চৰাই বাস কৰে। প্ৰতি বছৰে হাজাৰ হাজাৰ ভ্ৰমণকাৰী প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ ইয়ালৈ আহে। বাৰিষাৰ সময়ত সৃষ্টি হোৱা আকাশৰ দৃষ্টিনন্দন প্ৰতিফলন ফটোগ্ৰাফীৰ বাবে আকৰ্ষণীয় ঠাই। তদুপৰি উচ্চ উচ্চতা আৰু প্ৰদূষণমুক্ত হোৱাৰ বাবে ছালাৰ ডি উয়ুনিৰ পৰা হাতীপটিৰ অবিশ্বাস্য দৃশ্য পৰিলক্ষিত হয়। পৰ্য্যটকক আকৰ্ষিত কৰিবলৈ অঞ্চলটোৰ কিছুমান হোটেল সম্পূৰ্ণৰূপে নিমখৰ ইটাৰে নিৰ্মাণ কৰা হৈছে, য'ত দেৱাল, মজিয়া আনকি আচবাবো নিমখৰ টুকুৰাৰে তৈয়াৰী।

ছালাৰ ডি উয়ুনি প্ৰাকৃতিক সৌন্দৰ্য্য, বৈজ্ঞানিক গুৰুত্ব আৰু অৰ্থনৈতিক সম্ভাৱনাৰ এক সুন্দৰ মিশ্ৰণ। ইয়াৰ তলি অংশত বিশ্বৰ প্ৰায় ৯০% লিথিয়াম মজুত আছে। এই লিথিয়াম স্মাৰ্টফোন, লেপটপ আৰু ইলেকট্ৰিক গাড়ীৰ বাবে ৰিচাৰ্জ কৰিব পৰা বেটাৰীৰ এটা মূল উপাদান। এই লিথিয়ামৰ খননে বলিভিয়ালৈ উন্নয়ন কঢ়িয়াই আনিলেও পাৰিবেশিক বিপদৰ সম্ভাৱনাৰো সৃষ্টি কৰিছে। ধাতু নিষ্কাসন কৰিবলৈ মাটিৰ তলৰ পৰা ব্ৰাইন পাম্প কৰি উলিয়াই অনা হয়। ইয়াৰ ফলত ভূগৰ্ভত পানীৰ পৰিমাণ হ্ৰাস পায়। নিষ্কাসন কৰিবলৈ ব্যৱহৃত ৰাসায়নিক পদাৰ্থই মাটি দূষিত কৰিব পাৰে। পৰ্য্যটন আৰু লিথিয়ামৰ খনন বৃদ্ধি পোৱাৰ লগে লগে বলিভিয়াই এই সংবেদনশীল পৰিবেশ তন্ত্ৰটো সংৰক্ষণ কৰাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে।


যিয়েই নহওক কিয়, যদি কোনোবাই অন্তহীন বগা পথাৰ এখনত খোজ দি ৰাতিৰ আকাশ উপভোগ কৰিব বিচাৰে বা মাটিত প্ৰতিফলিত হোৱা নীলা আকাশৰ সাক্ষী হোৱাৰ সপোন দেখে, তেওঁৰ বাবে ছালাৰ ডি উয়ুনি এক বিশেষ গন্তব্যস্থান। ❖

*(ইণ্টাৰনেটৰ পৰা সংগৃহীত)*

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# চৰিত তোলা প্ৰথা




চৰিত তোলা প্ৰথা অসমৰ বৈষ্ণৱ ধৰ্মৰ এক আধ্যাত্মিক পৰম্পৰা। এই পৰম্পৰাত শংকৰদেৱ, মাধৱদেৱ আৰু অন্যান্য বৈষ্ণৱ গুৰুসকলৰ জীৱন, কৰ্ম আৰু আদৰ্শসমূহ আলোচনা কৰাৰ লগতে লিপিবদ্ধও কৰা হয়। এই পৰম্পৰাৰ ফলস্বৰূপে চৰিত পুথি (যেনে 'কথা গুৰুচৰিত') সৃষ্টি হৈছিল। এই প্ৰথাৰ মূল উদ্দেশ্য হৈছে গুৰুসকলৰ জীৱন-কাহিনীৰ জৰিয়তে অনুগামীসকলক আধ্যাত্মিক পথলৈ আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগোৱা। চৰিত তোলা প্ৰথাৰ জৰিয়তে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ আদি গুৰুসকলৰ জীৱনৰ ঘটনা, তেওঁলোকৰ আধ্যাত্মিক শিক্ষা আৰু তেওঁলোকৰ শিষ্যসকলৰ জীৱনৰ বিষয়ে আলোচনা কৰা হয়। এই প্ৰথা 'চৰিত চৰ্চা' বা 'গুৰু চৰ্চা' নামেৰেও জনা যায়, য'ত গুৰুৰ মহিমা বৰ্ণনা কৰা হয়। চৰিত তোলা প্ৰথাৰ পৰাই অসমীয়া সাহিত্যত 'চৰিত পুথি'ৰ সৃষ্টি হৈছিল। এইবোৰ গদ্য আৰু পদ্য উভয় মাধ্যমতে ৰচিত হৈছিল। ইয়াৰ জৰিয়তে বৈষ্ণৱ ধৰ্মৰ মূল নীতি-নিয়ম আৰু গুৰুৰ আদৰ্শসমূহ সমাজলৈ প্ৰসাৰিত কৰা হৈছিল।

কথা গুৰুচৰিতৰ তথ্য অনুসৰি, মাধৱদেৱে প্ৰথমে এই প্ৰথা আৰম্ভ কৰে। বৰপেটা আৰু সুন্দৰীদিয়াত থকা সময়ত মাধৱদেৱে শংকৰদেৱৰ জীৱন-কাহিনী তেওঁৰ ভক্তসকলৰ আগত ব্যক্ত কৰিছিল। শংকৰদেৱৰ জীৱনৰ বিষয়ে এইদৰে নিজৰ স্মৃতিৰ মাধ্যমেৰে তেওঁৰ শিষ্য মাধৱদেৱে আৰম্ভ কৰা প্ৰথাই হ'ল চৰিত তোলা প্ৰথা। মাধৱদেৱৰ বিয়োগৰ পাছত শংকৰদেৱৰ জীৱন চৰিতৰ লগতে মাধৱদেৱৰ জীৱন চৰিতো অন্তৰ্ভুক্ত হৈছিল। এনেদৰে শংকৰদেৱ, মাধৱদেৱ আৰু সত্ৰসমূহৰ আতা-পুৰুষসকলৰ চৰিত পাঠ প্ৰথমে মৌখিক ৰূপত চলিছিল। কৃষ্ণ ভাৰতীৰ 'সন্ত-নিৰ্ণয়', ৰামচৰণ ঠাকুৰৰ বৰ-চৰিত', ৰামৰায়ৰ 'গুৰু লীলা', কৃষ্ণ মিশ্ৰৰ 'দামোদৰ চৰিত' আদি চৰিত পুথিৰ উদাহৰণ। চৰিত পুথিৰ ৰচকসকলে তেওঁলোকৰ গুৰুসকলক অৱতাৰী পুৰুষ হিচাপে গণ্য কৰিছিল। সেইবাবে চৰিতকাৰসকলে সন্ত-মহন্তসকলৰ ব্যক্তিগত জীৱনত গুৰুত্ব দিয়াৰ পৰিবৰ্তে অলৌকিক অৱতাৰী কাৰ্য্যকহে অধিক গুৰুত্ব দিছিল। চৰিত পুথিৰ গদ্যৰীতি সহজ-সৰল আৰু ভাষা পোনপটীয়া। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ হেতু শংকৰদেৱ আৰু অন্যান্য শিষ্যসকলে কৰা কথোপকথনৰ ৰীতিৰেও এনে কিছু পুথি ৰচনা কৰা হৈছে। ❖

*চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# নীলা মছজিদ



নীলা মছজিদ (Blue Mosque) তুৰস্কৰ ইস্তানবুল চহৰত অৱস্থিত এটি প্ৰাচীন মছজিদ। এই মছজিদটো ১৬১৬ চনত নিৰ্মাণ কৰা হৈছিল। মছজিদটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছৰ পৰাই এই মছজিদটো ইস্তানবুলৰ গৌৰৱ হিচাপে পৰিচিত হৈছে। সাগৰৰ পাৰত অৱস্থিত ছটা স্তম্ভবিশিষ্ট এই মছজিদটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। এই প্ৰকাণ্ড মছজিদটোত প্ৰায় ১০ হাজাৰ মানুহে একেলগে প্ৰাৰ্থনা কৰিব পাৰে। তাৰ চৌহদৰ ভিতৰত কেইবাটাও ফোৱাৰা আৰু মাৰ্বলখচিত চিৰি তথা মজিয়া আছে। ইয়াৰ গম্বুজটো নীলা টাইলছ খটোৱা। সেই নীলা টাইলছৰ বাবেই মছজিদটোৰ নাম নীলা মছজিদ হৈছে। গম্বুজটো ১৪০০ ফুট ওখ। ইয়াত প্ৰায় ২৬০ খন খিৰিকী আছে। চুলতান আহমেদৰ (প্ৰথম) নিৰ্দেশ ক্ৰমে এই মছজিদটো সজা হৈছিল। ইয়াৰ স্থপতিবিদ আছিল মহম্মদ আগা আৰু এইটো সাজোঁতে প্ৰায় সাত বছৰ সময় লাগিছিল। চুলতানে আনকি নিজেও এই মছজিদটোৰ নিৰ্মাণত হাতে-কামে সহায় কৰিছিল। এই মছজিদটোৰ কাম সমাপ্ত হোৱাৰ এবছৰৰ ভিতৰতে ২৭ বছৰ বয়সত চুলতানৰ মৃত্যু হয়।

ইস্তানবুলত ইছলামিক স্থাপত্যৰ আন ভালেমান নিদৰ্শন আছে যদিও নীলা মছজিদে বিশ্বৰ পৰ্য্যটকসকলক আকৰ্ষিত কৰি আহিছে। ❖ *(উৎস ঃ ১২১ বিস্ময়)*

## শুৱলা ভাষা

**মুখ ফালি ক (স্পষ্টকৈ কোৱা) :** তোমাক কি লাগে মুখ ফালি কোৱা; নহ'লে আমি কেনেকৈ জানিম?

**মুখ বজা (কাজিয়া কৰিবলৈ কথা কোৱা) :** ইমান সৰু কথা লৈ তহঁত দুটাই 'মুখ বজাই আছ'— অলপ শান্ত হচোন।

**মুখে পেটে সমান (অন্তৰে বাহিৰে একে) :** মুখে পেটে সমান মানুহে সহজে সকলোৰে পৰা সমাদৰ লাভ কৰে।

**মুখ মেলি থাক (আনৰ ওপৰত আশা কৰি থকা) :** মুখ মেলি নাথাকি হাতে-কামে ধৰিলেহে পেট ভৰাই খাবলৈ পাবি।


**মুখৰ ছাই গুচা (মৃতকৰ শ্ৰাদ্ধাদি কৰা) :** ৰাইজৰ সহায়-সহযোগত পৰিয়ালটোৱে মুখৰ ছাই গুচালে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

### অসমীয়া ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন ইত্যাদি

## সকলো চৰায়ে মাছ খায়, মাছৰোকাৰ নাম যায়



মাছৰোকা এবিধ মাছ খোৱা চৰাই। কিন্তু দেখা যায় মাছৰোকা চৰাইৰ লগতে আন আন চৰায়েও মাছ খায়, অৱশ্যে মাছ খোৱাৰ নাম আহিলে কেৱল মাছৰোকাৰ নামহে উল্লেখ কৰা হয়। এই যোজনাটোৰ অৰ্থ হ'ল—সকলোৱে দোষ কৰিলেও সাধাৰণতে কোনো এজন লোকক অধিক দায়ী কৰা হয়। কোনো ব্যক্তি সম্পৰ্কে পূৰ্বতে লোৱা ধাৰণা অনুসৰিয়ে যিকোনো বেয়া কামৰ বাবে নিৰ্দিষ্ট মানুহ এজনকে দোষী সাব্যস্ত কৰা হয়। প্ৰকৃতপক্ষে ঘটনা এটাত বহুতো লোক জড়িত থাকিলেও এজন মানুহকহে দোষী সজোৱা হয়।

**প্ৰায়োগিক বাক্য :** ৰাজহুৱা কামবোৰ কৰোঁতে অলপ সজাগ হৈ কৰিবিচোন, তোৰ ওপৰত কিমানে দোষ জাপি দি আহিছে জানইচোন—গতিকে সাৱধান হ'বি—কথাতে কয় নহয়, **সকলো চৰায়ে মাছ খায়, মাছৰোকাৰ নাম যায়।** ❖

## সৰুৱে পানী পেলায়, ডাঙৰে পিছল খায়



সৰু ল'ৰা-ছোৱালীয়ে নাজানি অনেক ভুল কৰে। কিন্তু নজনাকৈ কৰা এনে ভুল-ভ্ৰান্তিৰ বাবে ডাঙৰসকলো কেতিয়াবা বিপদত পৰিবলগীয়া হয়। যিদৰে সৰুৱে পানী পেলাই থ'লে অসাৱধানবশতঃ জ্যেষ্ঠ লোক পিছল খাই পৰি আঘাতপ্ৰাপ্ত হ'ব পাৰে, একেদৰে সৰুৱে জানি-শুনি বা নজনাকৈ কৰা ভুলৰ শাস্তি ডাঙৰে ভোগ কৰিব লগা হয়। জ্যেষ্ঠজনৰ এই ক্ষেত্ৰত কোনো দোষ নাথাকিলেও সন্তান বা পৰিয়ালৰ কনিষ্ঠজনৰ অপৰাধৰ দায় নিজে ল'বলগীয়া হয়।

**প্ৰায়োগিক বাক্য :** বৃদ্ধ দেউতাকজনে ইমান মনোকষ্ট পাবলগীয়া হৈছে—সৰু ল'ৰাটোৱে এনেদৰে নাক-কাণ কাটি জেলত সোমাবলগীয়া হোৱাটো কম লাজৰ কথানে! এতিয়া উকীল বিচাৰি দেউতাকে কমখন ঘূৰা-ঘূৰি কৰিছেনে—ইয়াকে বোলে **সৰুৱে পানী পেলায়, ডাঙৰে পিছল খায়।** ❖

## চতুৰ্থৰ পৰা যষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# মইনাহঁতৰ মইনা মাত

শিশু উপযোগী সাধুকথাৰ পুথি, গল্প, উপন্যাস আদিৰ তুলনাত পদ্য পুথি অসমীয়া সাহিত্যত কম। জ্যোতিপ্ৰসাদ আগৰৱালা, নিৰ্মলপ্ৰভা বৰদলৈ, নৱকান্ত বৰুৱা আদি প্ৰসিদ্ধ লেখকসকলৰ পাছত বৰ্তমান সময়ত গগন চন্দ্ৰ অধিকাৰী, সুৰেন্দ্ৰ মোহন দাস আদিয়ে শিশু উপযোগী পদ্য ৰচনাৰে শিশু সাহিত্যৰ ভঁৰাল চহকী কৰিছে। শেহতীয়াকৈ কবি জোনমণি দাসৰ শিশু উপযোগী এখন সুন্দৰ পদ্য পুথি প্ৰকাশ পাইছে। কিতাপখনৰ নাম 'মইনাহঁতৰ মইনা মাত'। এই পদ্যলানিৰ বিশেষত্ব হ'ল কবিগৰাকীৰ অসমীয়া নিভাঁজ থলুৱা শব্দসম্ভাৰৰ ক্ষেত্ৰত থকা গভীৰ দখল। পদ্যলানিত বিয়পি থকা অসমীয়া ভাষাৰ ধ্বনি-মাধুৰ্য্যই শিশুসকলৰ মন সহজে চুব পৰা বিধৰ। কেইটিমান উদাহৰণ—

আমাৰ মায়ে ৰৈ যোৱা ভাত<br>
পানীত তিয়াই থয়,<br>
গোটেই ৰাতি পানীত তিতি<br>
পুৱালৈ পঁইতা হয়।

গৰম দিনত পঁইতা খালে<br>
শৰীৰ শীতল পৰে,<br>
পোৱা-পিটিকা লগত থাকিলে<br>
সোৱাদ দুগুণে চৰে। (পঁইতা-পোতনি)

পদ্যসমূহত ব্যৱহৃত শব্দসমূহে শিশুসকলক নিভাঁজ অসমীয়া শব্দ বুজি উঠাত সহায় কৰিব। তদুপৰি জয়মতী কুঁৱৰী, বুঢ়াৰ কচু খেতি, কনক ককাৰ কথা, অসম অসম সোণৰ অসম আদি কাহিনীধৰ্মী কবিতাসমূহে শিশুসকলক কাহিনী পঢ়াৰ আমেজো প্ৰদান কৰিব।

ফুলৰ পদ্য, সন্ধিয়া আদি বিষয়ভিত্তিক পদ্যবোৰ শিশুসকলক পদ্যৰ মাজেৰে জ্ঞান লাভ কৰাতো সহায়ক হ'ব।

শেৱালি নেৰালি বকুল তগৰ<br>
নাহৰ খৰিকাজাঁই<br>
গোলাপ কাঞ্চন ৰজনীগন্ধাৰ<br>
গোন্ধে মলমলায়।

শিমলু পলাশ সৌৰভবিহীন<br>
ফাগুন মাহত ফুলে<br>
ব'হাগ মাহত কপৌপাহি<br>
গছৰ ডালত দোলে। (ফুলৰ পদ্য)

'মইনাহঁতৰ মইনা মাত'ৰ পদ্যসমূহে অসমীয়া খাদ্যাভ্যাস, ইতিহাস, সংস্কৃতি, অসমৰ মনোৰম প্ৰকৃতি আদি বিভিন্ন বিষয় তুলি ধৰিছে। পদ্যসমূহত হাস্যৰসৰো সঁফুৰা আছে। বি এণ্ড পাব্লিছাৰ্চে প্ৰকাশ কৰা কিতাপখনৰ প্ৰচ্ছদ আঁকিছে ড° সঞ্জীৱ বৰাই। ভিতৰৰ ছবিবোৰ আঁকিছে অসম জাতীয় বিদ্যালয়ৰ সোপান শ্ৰেণীৰ ছাত্ৰী মৌপিয়া মূৰ্চ্ছনাই। কিতাপখন পঢ়ি শিশুসকলে নিশ্চয় ভাল পাব। ❖

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক জন্তুসমূহ

**ৰঙা পাণ্ডা** (ইংৰাজী নাম : Red Panda, বৈজ্ঞানিক নাম *Ailurus fulgens*)



এইলুৰিডি (Ailuridae) পৰিয়ালৰ অন্তৰ্গত ৰঙা পাণ্ডা এবিধ আকাৰত সৰু, গছত বাস কৰা স্তন্যপায়ী প্ৰাণী। ৰঙা পাণ্ডা ভাৰতবৰ্ষৰ ছিকিমৰ ৰাজ্যিক জন্তু। ইয়াক সাধাৰণতে পূব হিমালয় আৰু দক্ষিণ-পশ্চিম চীনত পোৱা যায়। ইয়াৰ ভিতৰত তিব্বত, ভাৰতৰ ছিকিম, অসম আৰু ভূটান, বাৰ্মাৰ (ম্যানমাৰৰ) উত্তৰ পৰ্বতীয়া অৰণ্য, দক্ষিণ-পশ্চিম চীন, য়ুনান আদি ঠাই ৰঙা পাণ্ডাৰ বাসস্থান হিচাপে অন্যতম। বন্য পৰিবেশত দ্ৰুতভাৱে ইয়াৰ জনসংখ্যা হ্ৰাস পোৱাৰ লক্ষ্য ৰাখি এই জন্তুবিধক আইইউচিএনৰ ৰঙা তালিকাত অসুৰক্ষিত (vulnerable) বুলি স্বীকৃতি প্ৰদান কৰা হৈছে।

ৰঙা পাণ্ডাক সাধাৰণতে সাগৰপৃষ্ঠৰ পৰা প্ৰায় ২,২০০ৰ পৰা ৪,৮০০ মিটাৰ উচ্চতাত বসবাস কৰা দেখা যায়। এই জন্তুবিধে ঘাইকৈ ১০ৰ পৰা ২৫ ডিগ্ৰী চেলছিয়াছৰ জলবায়ু পছন্দ কৰে। বাঁহ গছেৰে পৰিপূৰ্ণ হিমালয়ৰ মিশ্ৰ পৰ্ণপাতী (যিবোৰ গছৰ পাত এটা নিৰ্দিষ্ট ঋতুত মৰি যায়) অৰণ্যত ই বাস কৰে। ৰঙা পাণ্ডাৰ দেহৰ দৈৰ্ঘ্য প্ৰায় ৫০ৰ পৰা ৬৪ ছেমি. আৰু নেজৰ দৈৰ্ঘ্য প্ৰায় ২৮ৰ পৰা ৫৯ ছেণ্টিমিটাৰ হয়। ইয়াৰ সমগ্ৰ দেহ কোমল ৰঙচুৱা নোমেৰে আবৰা। দেহৰ তলৰ অংশৰ নোমৰ বৰণ ক'লা। ইয়াৰ মূৰৰ আকাৰ ঘূৰণীয়া আৰু কাণ দুখন মজলীয়া আকাৰৰ, উঠঙা। নাক ক'লা আৰু চকুযোৰ গাঢ় ক'লা বৰণৰ। ৰঙা পাণ্ডাৰ নোমাল ছালখনে ইয়াক অত্যধিক ঠাণ্ডা পৰিবেশত দেহৰ উষ্ণতা নিয়ন্ত্ৰণ কৰাত সহায় কৰে। সাধাৰণতে এইবিধ জন্তু অকলশৰীয়াকৈ থাকে। ই গছৰ ডালত বা খোৰোঙত দিনৰ ভাগত শুই থাকে আৰু আন্ধাৰ নামি অহাৰ লগে লগে সক্ৰিয় হৈ পৰে। ৰঙা পাণ্ডা গছ বগোৱাত খুবেই পাকৈত আৰু ই প্ৰধানকৈ গছৰ পাত খাই জীয়াই থাকে। বাঁহ গছৰ বিভিন্ন অংশ ইয়াৰ প্ৰিয় খাদ্য। তদুপৰি ই সৰু আকাৰৰ স্তন্যপায়ী প্ৰাণী, চৰাই, কণী, ফল-মূল আদিও খায়।

ৰঙা পাণ্ডাৰ গড় আয়ুস ৮ৰ পৰা ১০ বছৰ। সম্প্ৰতি ৰঙা পাণ্ডা বিলুপ্তিৰ পথত। ইয়াৰ মূল কাৰণ হৈছে জলবায়ু পৰিবৰ্তন আৰু বনাঞ্চল ধ্বংস। ইতিমধ্যে সমগ্ৰ পৃথিৱীতেই এই বিলুপ্তপ্ৰায় ৰঙা পাণ্ডাৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে যোৱা ২০১০ চনৰ পৰা ছেপ্টেম্বৰ মাহৰ তৃতীয় শনিবাৰটোত আন্তৰ্জাতিক ৰঙা পাণ্ডা দিৱস পালন কৰি অহা হৈছে। ❖

## *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| উপাধি, পদবী | title | উপনৈ | tributary |
| সমাধি | tomb | জয়লাভ | triumph |
| ভ্ৰমণ | tour, travel | ক্ৰান্তীয় | tropical |
| ভীৰু, ভয়াতুৰ | timid | পাগুৰি | turban |
| সংক্ৰমণ | infection | আলোড়ন, | |
| কোষাগাৰ | treasury | উগুল-থুগুল | turmoil |
| সন্ধি, চুক্তি | treaty | সৰ্বসন্মত | unanimous |
| ভ্ৰমণ কাহিনী | travelogue | চেতনাহীন | unconscious |
| সহ্য কৰা | tolerate | কুৎসিত | ugly |
| ন্যায়াধিকৰণ | tribunal | সৰ্বব্যাপী | ubiquitous |
| সৈন্যদল | troops | অতিবেঙুনীয়া ৰশ্মি | ultraviolet ray |
| কঁপনি, জোকাৰণি | tremor, | সংঘ | union, club |
| | vibration | বিশ্ববিদ্যালয় | university |
| অতীন্দ্ৰিয় | transcendental | নগৰীয়া | urban |
| ক্ষণস্থায়ী | transitory | একক, গোট | unit |
| অনধিকাৰ প্ৰবেশ | trespass | অপ্ৰয়োজনীয় | unnecessary ❖ |

# জীৱাশ্ম ইন্ধন : প্ৰকৃতিৰ বাবে এক ভাবুকি

■ উদয়া ফুকন



পৃথিৱী সৃষ্টি হোৱাৰ সময়ৰ পাছৰ পৰা লাহে লাহে ইয়াৰ পৰিৱেশ সলনি হৈ হৈ শেষত এনে এক পৰিৱেশ গঢ় লৈ উঠিল য'ত জীৱকুলৰ সৃষ্টি আৰু বৰ্তি থকা সম্ভৱ হ'ল। জীৱৰ বসবাসৰ বাবে উপযোগী পৰিৱেশত প্ৰকৃতিয়ে উদাৰভাৱে প্ৰাকৃতিক সম্পদ জীৱকুলক যোগান ধৰি আহিছে। জীৱশ্ৰেষ্ঠ মানুহে প্ৰাকৃতিক সম্পদ আহৰণ কৰি নিজৰ জীৱন সুচল কৰাৰ লগতে মানৱ সভ্যতাৰ বিকাশ ঘটাই আহিছে। কিন্তু প্ৰাকৃতিক সম্পদৰ অত্যধিক আহৰণ আৰু ব্যৱহাৰে প্ৰকৃতিৰ অন্যায় সাধন কৰি ইয়াক বিনষ্ট হোৱাৰ পথলৈ ঠেলি দিছে। তাৰে এক উদাহৰণ হ'ল ভূগৰ্ভৰ পৰা আহৰণ কৰা জীৱাশ্ম ইন্ধনৰ (fossil fuel) অত্যধিক ব্যৱহাৰ। জীৱাশ্ম ইন্ধন শক্তিৰ এনে উৎস যি কোটি কোটি বছৰৰ আগতে প্ৰাচীন উদ্ভিদ আৰু প্ৰাণী ভূগৰ্ভত পোত গৈ প্ৰচণ্ড চাপ আৰু তাপৰ প্ৰভাৱত সৃষ্টি হৈছিল। ফলস্বৰূপে, কয়লা, পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ আদি জীৱাশ্ম ইন্ধন ভূগৰ্ভত সঞ্চিত অৱস্থাত আছে। এইবোৰ মানুহে বিভিন্ন পদ্ধতিৰে আহৰণ কৰি শক্তিৰ উৎস হিচাপে ব্যৱহাৰ কৰি আহিছে। এই ইন্ধনবোৰৰ উদ্যোগ, যাতায়াত আৰু শক্তি উৎপাদন ক্ষেত্ৰত ব্যৱহাৰে মানুহৰ জীৱন ধাৰণ সুচল কৰাৰ লগতে মানৱ সভ্যতাৰ বিকাশ ঘটাই আধুনিক যুগৰ সূচনা কৰিছে। বিশ্বৰ অৰ্থনৈতিক, ৰাজনৈতিক ক্ষেত্ৰসমূহতো জীৱাশ্ম ইন্ধনে এক বিশেষ ভূমিকা পালন কৰা দেখা যায়। এনে ইন্ধনসমূহৰ অত্যধিক আৰু অপৰিকল্পিত ব্যৱহাৰে প্ৰকৃতিলৈ এক অশনি সংকেত কঢ়িয়াই আনিছে। ইয়াৰ লগতে এই ইন্ধনসমূহৰ ওপৰত নিৰ্ভৰশীলতাৰ বাবে মানৱ জীৱনৰ ভৱিষ্যৎ সংকটৰ দিশে আগবাঢ়িছে। যিহেতু প্ৰকৃতিৰ ওপৰতে জীৱকুল নিৰ্ভৰশীল, সেয়েহে প্ৰকৃতিৰ ক্ষতি বা বিনষ্টকৰণে জীৱকুলৰো ক্ষতি সাধন কৰিব।

পৃথিৱীত ঔদ্যোগিক বিপ্লৱৰ সূচনা হোৱাৰ লগে লগে মানৱ সভ্যতা আধুনিকৰ পৰা অত্যাধুনিক পৰ্য্যায়লৈ আগবাঢ়িছে। জীৱাশ্ম ইন্ধনৰ দহনে বায়ুমণ্ডললৈ সেউজ গৃহ গেছ (green house gas) এৰি দিছে। এই সেউজ গৃহ গেছসমূহে বায়ুমণ্ডলত তাপ আবদ্ধ কৰি পৃথিৱীৰ বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি কৰিছে। সেউজ গৃহ গেছসমূহৰ ভিতৰত অন্যতম হ'ল কাৰ্বন ডাই-অক্সাইড ($CO_2$)। এইবিধ গেছ জীৱাশ্ম ইন্ধন দহনৰ ফলত নিৰ্গত হয়। অত্যধিক জীৱাশ্ম ইন্ধনৰ দহনে এই গেছবিধৰ নিৰ্গমন অধিক কৰাৰ ফলত বায়ুমণ্ডলত ইয়াৰ মাত্ৰা অধিক হ'বলৈ আৰম্ভ কৰিছে। ফলস্বৰূপে গোলকীয় উষ্ণতা (global warming) বৃদ্ধি হৈছে। পৃথিৱীৰ মেৰু অঞ্চলৰ বৰফ অত্যধিক উষ্ণতাৰ বাবে গলিবলৈ আৰম্ভ কৰিছে। ই প্ৰকৃতিৰ প্ৰকৃত ৰূপ বিনষ্ট হোৱাৰ এক উদাহৰণ। উষ্ণতা বৃদ্ধিৰ বাবে হিমবাহবোৰ (glacier) গলিবলৈ ধৰাত সাগৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে। ইয়াৰ প্ৰভাৱত উপকূলীয় অঞ্চলৰ জৈৱবৈচিত্ৰ্য সলনি হোৱাৰ আশংকাই দেখা দিছে। সাগৰৰ উপকূলীয় অঞ্চলৰ জলাশয়সমূহৰ জীৱৰ জীৱন বিপদাপন্ন হৈছে।

ইণ্টাৰগভৰ্ণমেণ্টেল পেনেল অন ক্লাইমেট চেঞ্জ (Intergovernmental Panel on Climate Change) নামৰ সংস্থাটোৱে প্ৰকাশ কৰা তথ্য অনুসৰি ঊনৈছ শতিকাৰ শেষৰ ভাগৰ পৰা বৰ্তমানলৈকে পৃথিৱীৰ গড় উষ্ণতা প্ৰায় ১.১০ চেলছিয়াছ বৃদ্ধি পাইছে। পৃথিৱীৰ উষ্ণতা ২০৫০ চনলৈ ১.৫° চেলছিয়াছৰ পৰা ২° চেলছিয়াছ পৰ্য্যন্ত বৃদ্ধি

হোৱাৰ আশংকা আছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰভাৱত মেৰু অঞ্চলৰ প্ৰায় ৪০% বৰফ গলিব ধৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মেৰু অঞ্চলৰ জীৱ-জন্তুৰ জীৱন যে বিপদাপন্ন হ'ব তাক নুই কৰিব নোৱাৰি।

পৃথিৱীৰ জলমণ্ডল, স্থলমণ্ডল আৰু বায়ুমণ্ডলৰ দ্বাৰা জীৱমণ্ডল (biosphere) গঠন হৈছে। ইয়াত নানান প্ৰকাৰৰ অসংখ্য জীৱ আছে যিয়ে পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰি একো একোটা পৰিবেশতন্ত্ৰ (ecosystem) সন্তুলিত কৰি ৰাখিছে। ইয়াৰ ফলস্বৰূপে পৃথিৱীখন সকলো জীৱৰ বাবে বসবাসৰ উপযোগী হৈ আছে। এই জীৱসমূহৰ কোনো এক প্ৰজাতি (species) বিলুপ্ত হ'লে পৰিবেশতন্ত্ৰত এক বিৰূপ প্ৰভাৱ পৰে যি জীৱসমূহৰ মাজত থকা খাদ্য-শৃংখল (food chain) আৰু খাদ্য জালত (food web) ব্যাঘাত জন্মায়। ই পৰিবেশতন্ত্ৰৰ সুস্থিৰতা নষ্ট কৰি প্ৰকৃতিলৈ এক ভাবুকি কঢ়িয়াই আনে। জীৱাশ্ম ইন্ধনৰ দহনে ক্ষতিকাৰক গেছ, যেনে—কাৰ্বন ডাই-অক্সাইড, ছালফাৰ ডাই-অক্সাইড, নাইট্ৰাছ অক্সাইড আদি বায়ুমণ্ডললৈ এৰি দিয়াৰ লগতে কিছুমান অদাহ্য কাৰ্বন কণাও সৃষ্টি কৰে। এই প্ৰদূষকবোৰে মাটি, পানী, বায়ুৰ জৰিয়তে উদ্ভিদৰ দেহত প্ৰবেশ কৰে আৰু খাদ্য শৃংখলৰ জৰিয়তে বিভিন্ন জীৱৰ দেহলৈ বিয়পি পৰি প্ৰজাতিবোৰৰ অনিষ্ট সাধন কৰে। কয়লা, পেট্ৰ'লিয়াম আদি কল-কাৰখানা আৰু যান-বাহনৰ ইন্ধন হিচাপে ব্যৱহাৰ হৈ আহিছে। পৃথিৱীত মানুহৰ জনসংখ্যা বাঢ়ি যোৱাৰ লগে লগে শক্তিখণ্ডত জীৱাশ্ম ইন্ধনৰ চাহিদা আৰু ব্যৱহাৰ বৃদ্ধি পাইছে। ফলস্বৰূপে, বায়ু প্ৰদূষণ এক জ্বলন্ত সমস্যা হৈ দেখা দিছে। প্ৰদূষণৰ প্ৰভাৱত জলবায়ুৰ পৰিবৰ্তন ঘটিছে। পৰিবৰ্তিত জলবায়ুত খাপ খাব নোৱৰা প্ৰজাতিসমূহৰ সংখ্যা দিনকদিনে কমি যোৱাৰ লগতে সেইবোৰৰ আবাসস্থল সংকুচিত হৈ আহিছে। জলবায়ুৰ পৰিবৰ্তনৰ বাবে খৰাং পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে বনজুইৰ দৰে প্ৰাকৃতিক দুৰ্য্যোগ সঘনাই বিধ্বংসী ৰূপত ঘটি প্ৰকৃতিৰ অনিষ্ট সাধন কৰা পৰিলক্ষিত হৈছে। আৰ্জেণ্টিনাৰ পেটাগনিয়াত (Patagonia) হোৱা বনজুয়ে



প্ৰায় ১২,০০০ হেক্টৰ অৰণ্য ধ্বংস কৰিছে। ভাৰতৰ উত্তৰাখণ্ডতো বৰষুণ আৰু তুষাৰপাতৰ অভাৱত বনজুইৰ সৃষ্টি হৈছে। একেদৰে চিলিৰ (Chile) বায়'বায়' (Biobio) অঞ্চলত বিধ্বংসী বনজুই লগাৰ মূল কাৰণ হ'ল দীৰ্ঘকালীন খৰাং বতৰ।

জীৱাশ্ম ইন্ধনসমূহৰ নিষ্কাসন, পৰিশোধন আৰু ব্যৱহাৰ বৃদ্ধিয়ে সমস্যাৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে, কয়লাখনিৰ পৰা ওলোৱা গধুৰ ধাতুবোৰ (heavy metal) পানীৰ উৎস, যেনে—নদীত মিহলি হৈ প্ৰদূষণৰ কাৰক হিচাপে পৰিগণিত হৈছে। ভূগৰ্ভৰ পৰা খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ আহৰণৰ বাবে এক পদ্ধতি প্ৰয়োগ কৰা হয় যাক হাইড্ৰলিক ফ্ৰেক্চাৰিং (hydraulic fracturing) বা ফ্ৰেকিং (fracking) বোলা হয়। এই পদ্ধতিত লাখ লাখ গেলন পানীত ৰাসায়নিক পদাৰ্থ আৰু বালি মিহলি কৰি উচ্চচাপত ভূগৰ্ভৰ শিলাস্তৰত নিক্ষেপ কৰি শিলাস্তৰত ফাট মেলোৱা হয়। এই ৰাসায়নিক পদাৰ্থবোৰ ভূগৰ্ভৰ পানীৰ স্তৰলৈ নিগৰি জলপ্ৰদূষণ ঘটায়। একেদৰে বিদ্যুৎ উৎপাদন প্ৰকল্পত প্ৰাকৃতিক গেছ বা কয়লা দহন কৰি প্ৰচুৰ তাপ উৎপন্ন কৰা হয়। ইয়াত ব্যৱহাৰ কৰা আহিলা বা যন্ত্ৰপাতিবোৰ শীতল কৰিবলৈ বহু পৰিমাণৰ পানীৰ প্ৰয়োজন হয়। এনে ব্যৱহৃত পানীৰ উষ্ণতা অধিক হৈ থকা অৱস্থাতে নদী বা হ্ৰদসমূহলৈ প্ৰবাহিত কৰা হয়। এনে কাৰ্য্যই নদী বা হ্ৰদৰ পানীৰ উষ্ণতা বৃদ্ধি ঘটাই জলজ জীৱৰ ক্ষতিসাধন কৰাৰ লগতে আন কেতবোৰক প্ৰব্ৰজনৰ বাবে বাধ্য কৰায়। তদুপৰি তেল শোধনাগাৰৰ পৰা নিষ্কাসিত বৰ্জিত পানীত বেনজিন, মাৰ্কিউৰি আৰু অন্যান্য বিষাক্ত যৌগ মিহলি হৈ থাকে। এনে পানী কোনো পানীৰ

উৎসলৈ প্ৰবাহিত কৰিলে জল প্ৰদূষণ ঘটে আৰু ই খাদ্য শৃংখলত প্ৰৱেশ কৰি কিছুমান প্ৰজাতিৰ প্ৰজনন ক্ষমতা হ্ৰাস কৰি ইয়াক বিপদাপন্ন প্ৰজাতিলৈ ৰূপান্তৰ কৰে। সাগৰৰ পানীয়ে বায়ুমণ্ডলৰ কাৰ্বন ডাই-অক্সাইডৰ প্ৰায় ৩০ শতাংশ দ্ৰবীভূত কৰে। জীৱাশ্ম ইন্ধনৰ অত্যধিক দহনে সাগৰৰ পানীত কাৰ্বন ডাই-অক্সাইডৰ মাত্ৰা বৃদ্ধি কৰিছে ফলত এনে পানী অধিক আম্লিক হৈ সামুদ্ৰিক জীৱৰ আবাসস্থলীৰ ক্ষতিসাধন কৰি প্ৰকৃতিলৈ ভাবুকি কঢ়িয়াই আনিছে। সাগৰ-মহাসাগৰৰ শেলাইবোৰে পানীত অক্সিজেন যোগান ধৰি আহিছে, যাৰ বাবে জলজ জীৱই অক্সিজেন আহৰণ কৰি জীয়াই থকা সম্ভৱ হৈছে। জল প্ৰদূষণে এনে শেলাইবোৰ বৰ্তি থকাৰ লগতে এইবোৰৰ বংশ বৃদ্ধিত বাধাৰ সৃষ্টি কৰে। এনে ঘটনা প্ৰকৃতিৰ প্ৰতি ভাবুকিস্বৰূপ। মহাসাগৰত তৈলবাহী জাহাজবোৰৰ পৰা তেল নিগৰি সমুদ্ৰৰ পানীৰ গুণাগুণ হ্ৰাস কৰে। এনে ক্ষেত্ৰত উপযুক্ত ব্যৱস্থাপনা গ্ৰহণ কৰি প্ৰকৃতিৰ বিশাল জলৰাশিৰ স্বাভাৱিক গুণ বৰ্তাই ৰখা দৰকাৰ।

জীৱাশ্ম ইন্ধন অবিহনে আমাৰ দৈনন্দিন জীৱন যাপন সম্ভৱ নহয়। এই ইন্ধনৰ অত্যধিক ব্যৱহাৰৰ ফলত মানৱ জাতি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে যদিও ইয়াৰ সমাধান নিশ্চয় আছে। জীৱাশ্ম ইন্ধনৰ নিষ্কাসন আৰু ব্যৱহাৰ হ্ৰাস কৰি বিকল্প ইন্ধন ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত ল'লে আমি প্ৰকৃতিক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিব পাৰিম। উদাহৰণ হিচাপে, সৌৰ শক্তি, বতাহ শক্তি, জলবিদ্যুৎ শক্তিৰ দৰে বিকল্প শক্তিৰ ব্যৱহাৰে পৰিবেশজনিত সমস্যা হ্ৰাস কৰিব বুলি ভবাৰ থল আছে। একেদৰে বনাঞ্চল, জলাশয় আদিৰ সংৰক্ষণৰ দ্বাৰা বায়ুৰ কাৰ্বন ডাই-অক্সাইডৰ পৰিমাণ স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিব পৰা যায়। পুনঃ বনানীকৰণ (reforestation) আৰু বনানীকৰণৰ (forestation) দ্বাৰা বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব পৰা যায়। একেদৰে পানী প্ৰদূষণ হ্ৰাস কৰিব পাৰিলে নদ-নদীবোৰ পুনৰ জীৱন্ত হৈ উঠি জলজ জীৱসমূহক সুৰক্ষিত আবাসস্থল প্ৰদান কৰিব। জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ হ্ৰাস আৰু উপযুক্ত ব্যৱস্থাপনাৰ দ্বাৰা প্ৰকৃতিলৈ অহা ভাবুকি প্ৰতিহত কৰিব পৰা যায়। ❖

## কুইজৰ উত্তৰসমূহ

১। ওড়িশা ২। সংস্কৃত ভাষাত প্ৰকাশিত একমাত্ৰ কাকত ৩। অষ্ট্ৰেলিয়ান অ'পেন ৪। ৩০ বছৰ ৫। দালাই লামা ৬। ভেনিজুৱেলা ৭। ৰাণী ভিক্টোৰিয়া ৮। মণিপুৰী আৰু সত্ৰীয়া। সংগীত নাটক অকাডেমিয়ে স্বীকৃতি দিয়া আঠটা শাস্ত্ৰীয় নৃত্য ৯। জৰ্জ অৰৱেল ১০। অন্নপূৰ্ণা ১১। পূৰ্ণিমা দেৱী বৰ্মন ১২। উমা ছেত্ৰী ১৩। অসম বাণী ১৪। হেমাংগ বিশ্বাস ১৫। বিজয় অমৃতৰাজ ১৬। টনী মৰিছন। (আমেৰিকাৰ ঔপন্যাসিক) ❖

## চুড়'কুৰ শুদ্ধ উত্তৰ দিওঁতাসকল, জানুৱাৰী, ২০২৬

১। ময়ূৰী তালুকদাৰ (সপ্তম ক), ২। বৰষা শৰ্মা (পঞ্চম ঘ) ৩। পল ভৰালী (সপ্তম গ) ৪। নৰজিৎ কলিতা (নৱম ঘ), ৫। ধ্ৰুবাক্ষী মজুমদাৰ (ষষ্ঠ গ), ৬। জ্ঞানাৰ্ণৱ ডেকা (পঞ্চম, নৱোদয় জাতীয় বিদ্যালয়)। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, জানুৱাৰী, ২০২৬

১। জানুছ
২। এছেজ
৩। ৰীমা দাস
৪। ৰেজ বেইট (rage bait)। অক্সফ'ৰ্ডে ঘোষণা কৰা বৰ্ষটোৰ শব্দ।
৫। ফিফা । ❖

# ওজাপালি

■ যুথিকা পাটোৱাৰী



লোক-সংস্কৃতিৰ লগত জড়িত নাট্যধৰ্মী অনুষ্ঠানকেই লোকনাট্যানুষ্ঠান বুলি কোৱা হয়। ওজাপালিও এক ধৰণৰ লোকনাট্যানুষ্ঠান। এই প্ৰাচীন লোকনাট্যানুষ্ঠানবিধে অসমৰ চুকে-কোণে জনপ্ৰিয়তা অৰ্জন কৰি আহিছে। পুৰণি কথা, জনশ্ৰুতি, কাহিনী আৰু সাধুকথাৰ ব্যাখ্যা তথা বৰ্ণনাত ওজাপালিৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ।

ওজাপালি গীত অসমীয়া গীতি-সাহিত্যৰ এটি প্ৰধান অংগ। কেতিয়া ইয়াৰ জন্ম হ'ল, ক'ৰ পৰা কেনেদৰে ই প্ৰচাৰ লভিলে ইত্যাদি কথাৰ কোনো প্ৰকৃত সত্য উদ্ঘাটন হোৱা নাই।

ওজাপালি গীত শংকৰী যুগৰো আগৰ। কোনো কোনোৰ মতে শংকৰদেৱে ওজা-ডাইনাপালিৰ কথোপকথন আৰু ওজাৰ হাতৰ মুদ্ৰা আৰু নাচৰ পৰা অনেক সমল গ্ৰহণ কৰি অংকীয়া নাটৰ সৌষ্ঠৱ বঢ়াইছিল। মহাপুৰুষজনাই ওজাপালিৰ হতুৱাই ভাগৱতৰ পৰা নিজে ইতিমধ্যে ভাঙনি কৰি উলিওৱা গীত-পদ, মুদ্ৰা, নাচ আদিৰ সহায়ত অংগ-ভংগিৰে গোৱাই শুনাইছিল।

বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি বহল অৰ্থত ওজাপালিক মহাকাব্য আশ্ৰয়ী আৰু মহাকাব্য অনাশ্ৰয়ী— এই দুটা ভাগত ভাগ কৰা হৈছে। এই দুটা প্ৰধান ভাগক আকৌ কেইবাটাও ভাগত ভাগ কৰা হৈছে। ইয়াৰ ভিতৰত মহাকাব্য অনাশ্ৰয়ী ভাগৰ সুকনানি ওজাপালি আৰু মহাকাব্য আশ্ৰয়ী ভাগৰ বিয়াহ ওজাপালি ভাগ দুটা অন্যতম। সুকবি নাৰায়ণদেৱ বিৰচিত পদ্মাপুৰাণ বা বেউলা লখিন্দাৰৰ কাহিনী প্ৰধান গীত গোৱা ওজাক সুকনানি গোৱা ওজা বোলে। 'সুকবি নাৰায়ণী' শব্দৰেই চমুকৰণত 'সুক-নাৰায়ণী' বা 'সুকনানি' নাম হোৱা বুলি জনা যায়। সুকনানি গোৱা ওজাকে মাৰৈ গোৱা ওজাও বোলে। মাৰৈ পূজা মানে মনসা পূজা।

ব্যাস গোৱা বা বেদব্যাস বিৰচিত কাহিনী গীত গোৱা ওজাকে চমুকৈ বিয়াহৰ ওজা বোলে। যি পণ্ডিতে কোনো এক নিৰ্দিষ্ট শাস্ত্ৰৰ কেন্দ্ৰ ভেদ কৰিবলৈ সমৰ্থ হয়, অৰ্থাৎ শাস্ত্ৰজ্ঞানৰ পৰিপূৰ্ণতা লাভ কৰে তেওঁক 'ব্যাস' উপাধি দিয়া হৈছিল।

উৎসৱ, পূজা-পাৰ্বণ আৰু শ্ৰাদ্ধাদি অনুষ্ঠানৰ লগত ওজাপালিৰ গীত ওতপ্ৰোতভাৱে জড়িত হৈ আছে যদিও ধৰ্মৰ লগত বিশেষ সম্বন্ধ নথকা আমোদ-প্ৰমোদৰ উৎসৱ আৰু অনুষ্ঠানতো ইয়াৰ আদৰ আৰু প্ৰচলন কম নহয়।

ওজাপালি গীতত অন্ততঃ পাঁচজন লোকৰ প্ৰয়োজন। যেনে—ওজা, ডাইনাপালি, বানাধৰা পালি এজন বা দুজন আৰু গোৰধৰা পালি দুজন বা এজন। মুঠ পাঁচগৰাকী সদস্যৰ সমাবেশে ওজাপালি সংগীতক পঞ্চাংগ সংগীত আখ্যা দিয়াৰ যুক্তিযুক্ততা প্ৰমাণ কৰে।

ওজাপালি দল এটাৰ এক অন্যতম সদস্য হ'ল ডাইনাপালি। ওজাৰ সোঁহাত স্বৰূপ বাবেই এইগৰাকী পালিক 'ডাইনাপালি' বোলে। পালিসকলৰ ভিতৰত এওঁক 'ওজা' বুলি ধৰা হয়। ওজাৰ মুখৰ পৰা পদ টানি আনি এওঁ বাকী পালিসকলক দিয়াৰ উপৰি ওজাই পদৰ ভাঙনি কোৱাৰ সময়ত এওঁ ওজাৰ সোঁহাতস্বৰূপ হৈ ওজাক অৰ্থ কোৱাত সহায় কৰে। তাকে কওঁতে তেওঁ নানাপ্ৰকাৰে ৰসিকতা কৰে। সেইবাবে ডাইনাপালিক ওজাপালি অনুষ্ঠানৰ মেৰুদণ্ড বুলি কোৱা হয়। ❖

*(সহায়ক পুথি : শ্ৰীঅতুল চন্দ্ৰ বৰুৱাৰ 'মনসা কাব্য আৰু ওজাপালি')*

# ব্ৰেইন-ড্ৰেইন

■ তৃষা ঠাকুৰীয়া
সপ্তম শ্ৰেণী

"হয়তো ! তাৰ বন্ধু অজিতে ঠিকেই কৈছে তাক। সি কিয় আমেৰিকালৈ গৈ নিজৰ কৰ্মসংস্থান বিচাৰি ল'ব? আমাৰ ভাৰততো সি বহুতো ভাল ভাল কৰ্মসংস্থান পাব।" এনেদৰে গধূলি পৰত লুইতৰ পাৰত বহি ৰিয়ানে ভাবি আছে বন্ধু অজিতে খং, দুখ আৰু স্বাভিমানত কোৱা কথাষাৰ। অজিতে কালি তাক কেৱল এইষাৰ কথা কৈয়েই নিজৰ ঘৰলৈ গুচি গৈছিল। ৰিয়ানে কালিৰ পৰা অজিতৰ এইষাৰ কথাই ভাবি আছে আৰু শেষত আজি সি অজিতক লুইতৰ পাৰলৈ গধূলি মাতি পঠিয়াইছে।

"অ' তই আহিলি।"

ৰিয়ানে কোৱা কথাষাৰ অজিতে গুৰুত্ব দিলে নে নাই ভালদৰে বুজিব পৰা নগ'ল। অজিতে আহিয়েই ৰিয়ানৰ কাষত বহি তাৰ কথালৈ বাট নাচাই লুইতৰ সিপাৰে কঁহুৱা বনবোৰৰ ওচৰত চৰি থকা ম'হৰ জাকটোলৈ চাই ক'লে, "সেই ম'হৰ জাকটো দেখিছ ! সিহঁত লুইতৰ সিপাৰে যেনেকৈ আছে তেনেকৈয়ে সুখী। সিহঁতৰ এটা ম'হকো যদি তই এই পাৰলৈ আন মই ভাবোঁ সেই ম'হটো কেতিয়াও মুকলিকৈ তাত থকাৰ দৰে চৰি ফুৰিব নোৱাৰিব। কেইদিনমান পাছত হয়তো আমাৰ মৰমক আঁকোৱালি ল'ব। কিন্তু এতিয়া যেনেকৈ আনন্দত, অন্তৰত এটা ধূলিকণাও নথকাকৈ ফুৰিছে তেতিয়া কিন্তু আনন্দত থাকিলেও অন্তৰখনত পুৰণি স্মৃতিৰ বহুতো ধূলি ৰৈ যাব।"

ৰিয়ানে মনে মনে থাকি অজিতলৈ চালে। কিন্তু অজিতৰ চকু তেতিয়াও সিপাৰতেই আছিল।

কিছু সময় পাছত ৰিয়ানে ক'লে, "অজিত, তই কালি কোৱা কথাষাৰ মই ভাবিলোঁ, কিন্তু একো সিদ্ধান্ত ল'ব পৰা নাই। মই জানো যে তই বাহিৰলৈ যাবলৈ সুযোগ পোৱাৰ পাছতো অসমতে থাকিলি আৰু বৰ্তমান এজন ভাল চিকিৎসক হিচাপে পৰিচিত। কিন্তু মই বাহিৰলৈ গৈ এজন ভাল অভিযন্তা হ'ব বিচাৰোঁ। মই বাহিৰলৈ যোৱা মানে আমেৰিকালৈ যোৱাৰ এই সুযোগ হেৰুৱাব নিবিচাৰোঁ।"

"তই বাহিৰলৈ গ'লেহে যদি এজন ভাল অভিযন্তা হ'ব পাৰ যা, তাত মোৰ একো ক'বলগীয়া নাই। কাৰণ তইতো ভাৰতত থাকিলে এজন ভাল অভিযন্তা হ'ব নোৱাৰিবি চাগে'।"

এনেদৰে অজিতে কোৱাত ৰিয়ান নিশ্চুপ হৈ গ'ল। অজিতে আকৌ আৰম্ভ কৰিলে, "মই তোক টানকৈ কোৱাত বেয়া নাপাবি। পাছে তই কেতিয়াবা ব্ৰেইন-ড্ৰেইন শব্দটো শুনিছনে?"

এইবাৰ অলপ সহজ হৈ সি ক'বলৈ আৰম্ভ কৰিলে, "তই আৰু মই সৰুৰ পৰাই এই ঠাইতেই একেলগে ডাঙৰ-দীঘল হ'লোঁ। এয়ে আমাৰ মাতৃভূমি বা এয়াই জন্মভূমি। তই যে নিজৰ মাতৃভূমি এৰি আমেৰিকালৈ যাব বিচাৰিছ তই কি তোৰ প্ৰাথমিক শিক্ষা আমেৰিকাত গ্ৰহণ কৰিছ? ...তই যি কৰিছ শিক্ষা গ্ৰহণেই হওক, খোৱা-লোৱাই হওক সকলো তই ভাৰততেই কৰিছ। মই জানো যে ভাৰতত এইবিলাক চাকৰিৰ দৰমহা আমেৰিকা আদিৰ দৰে উন্নত ৰাষ্ট্ৰৰ তুলনাত কম। মই যে ক'লোঁ এই ব্ৰেইন-ড্ৰেইন শব্দটো—এই পইচাৰ লোভত যে তই বেলেগ দেশলৈ যাবলৈ বিচাৰিছ সেইটোকে বুজায়। অই, তই শুনি আছনে মোৰ কথাবোৰ?"

এইদৰে কোৱাত ৰিয়ানে ক'লে, "শুনি আছোঁ কৈ যা। আজি একো ক'বৰ ইচ্ছা নাই। কেৱল শুনিম মই তোৰ কথা।"

"শুন তেতিয়াহ'লে। আমি সৰুতে সমাজ বিজ্ঞানত ভাৰত এখন উন্নয়নশীল ৰাষ্ট্ৰ বুলিহে পঢ়িবলৈ পাইছিলোঁ। কিন্তু কিয় উন্নত ৰাষ্ট্ৰ হ'ব পৰা নাই এবাৰ ভাবিছনে?" এইবুলি কৈ অজিতে হাতঘড়ীটোলৈ চাই ক'লে, "আজি

যাওঁ দে বহুত ৰাতি হ'ল। মই বাৰু তোক কাইলৈ এখন ঠাইলৈ লৈ যাম। গধূলিলৈ তই ওলাবি। বাকী কথা পাছত ক'ম। ব'ল এতিয়া।" দুয়ো এইবুলি লুইতখন এৰি জোনাকৰ পোহৰত আগুৱাই গ'ল নিজৰ আপোন ঘৰখনলৈ বুলি।...

"অ' খুৰী ৰিয়ান আছেনে ঘৰত?"

"অ' জিত (অজিতক চুবুৰিৰ মানুহবোৰে মতা বা চিনি পোৱা নাম) দেখোন, ই ভিতৰতেই আছে। এই গধূলিপৰত আহিলা যেতিয়া চাহ একাপ খাই যাব লাগিব দেই। পাছে মই নামঘৰত চাকিগছি দি আহোঁ, তুমি অলপ ভিতৰতেই বহা। অই ৰণ, (ৰিয়ানৰ ঘৰত মতা নাম) জিত আহিছে ওলাই আহ।" বুলি কৈ মাক নামঘৰলৈ গ'ল।

নামঘৰৰ পৰা আহি ৰিয়ানৰ মাকে চাহ কৰি দুয়োকে খাবলৈ দিলে। পাছে ৰিয়ানক দেখি ক'বলৈ ধৰিলে, "ৰণ তই যে একেবাৰে কালি ধুই দিয়া কাপোৰযোৰ পিন্ধি লৈছ? ক'ত যাব?" ৰিয়ানৰ হৈ অজিতেই ক'লে, "মানে খুৰী এইকেইদিন মই যেতিয়াই ইয়াক লগ পাওঁ তেতিয়াই কিবা চিন্তা কৰি থকা দেখি ভাবিলোঁ একেলগে অলপ বাহিৰলৈ ওলাই যাওঁ, এডোখৰ শান্ত ঠাইলৈ।"

"অ' সেইটোহে, লৈ যোৱা ইয়াক, ঘৰত থাকিলেও একেবাৰে বেমাৰ হোৱা কুকুৰা চৰাইৰ দৰে জুপুকা লাগি থাকে। ঘৰত থকা-নথকা একেই কথা। পাছে আজি ৰাতিৰ সাঁজটো ঘূৰি আহি ইয়াতে খাবা দিয়া। মই মাৰাক ফোন কৰি কৈ দিম আৰু দুয়োটাই সোনকালে ঘৰলৈ উভতিবা। যোৱা এতিয়া বেছি দেৰি নকৰিবা।" এইবুলি কৈ মাকে বাচনখিনি পাকঘৰত থৈ আহিল। জিত আৰু ৰণ মানে অজিত আৰু ৰিয়ানে মাকক মাত লগাই ওলাই গ'ল।

"মই ভাবিছিলোঁ তই ক'ৰবাৰ বেলেগ ঠাইলৈ নিবি বুলি। তই যে এই হাবিখনলৈ লৈ আহিলি?" বুলি ৰিয়ানে জোনাকৰ পোহৰত উজলি থকা অজিতৰ মুখখনলৈ চাই ক'লে। অজিতে ক'লে, "তইতো এই হাবিখনলৈ কেতিয়াও আহি পোৱা নাই আৰু প্ৰকৃতিৰ মাজত থাকি বেয়া নালাগে নহয়। অলপমান তোৰ গৰম হৈ থকা মূৰটোও ঠাণ্ডা হ'ব।" বুলি কৈ হাবিখনৰ বেছি ভিতৰলৈ সোমাই নগৈ অজিতে আগতে চাই থোৱা গছৰ মুঢ়া দুটাত ওচৰা-উচৰিকৈ বহি জোনৰ পোহৰত কথা পাতিবলৈ ধৰিলে।

"তই যে কালি আধাতে ৰৈ গৈছিলি, বাকী কথাখিনি আজিয়েই ক। সিদ্ধান্ত ল'বলৈ মোৰ বেছিদিন ৰ'বলৈ আৰু একেবাৰে ইচ্ছা নাই।" ৰিয়ানে এইবুলি কৈ অজিতৰ উত্তৰলৈ বাট চাই থাকিল।

"অ' তই মানে বৰ উৎসুকতাৰে ৰৈ আছ মোৰ কথাখিনিলৈ। শুন তেতিয়াহ'লে। ভাৰতত থকা মানুহবিলাক উন্নত ৰাষ্ট্ৰৰ দৰে সহজে পোৱা বিলাসী জীৱন কটোৱা মানুহ নহয়। আমাৰ ইয়াত থকা মানুহবোৰ হ'ল মধ্যবিত্ত শ্ৰেণীৰ মানুহ। তেওঁলোক বা আমি বহুত পাবলৈ ইচ্ছা কৰোঁ আৰু তাৰ বাবে চেষ্টা বা কষ্টও কৰোঁ। সেয়ে আমি এটা বিলাসী জীৱনৰ সন্ধানত উন্নত ৰাষ্ট্ৰক আঁকোৱালি ল'বলৈ বাধ্য হওঁ। তাৰ ফলত কি হয় ভাবিছ? ...আমাৰ দেশৰ উন্নতি নহয়, সেই উন্নত ৰাষ্ট্ৰবিলাক আমাৰ বা আন উন্নয়নশীল ৰাষ্ট্ৰৰ লোকসকলৰ দ্বাৰাহে উন্নত হয়। মই নকওঁ যে সেই দেশত থকা লোকৰ দ্বাৰা একো নহয়। কিন্তু মই ভাবোঁ তাৰ সংখ্যা নিচেই নগণ্য। সেই ৰাষ্ট্ৰবিলাকৰ উচ্চ পদবীধাৰী লোকসকলৰ বেছিভাগেই আন ৰাষ্ট্ৰৰ পৰা অহা আৰু সেই ৰাষ্ট্ৰবোৰৰ বেছিভাগেই উন্নয়নশীল ৰাষ্ট্ৰ। আমি পঢ়া-শুনাৰ পৰা আদি কৰি সকলো কাম নিজৰ দেশ বা মাতৃভূমিত কৰি বেলেগ ৰাষ্ট্ৰত বিলাসী জীৱন কটাবলৈ কিয় যাওঁ? আমি নিজৰ মাতৃভূমিতে যি কৰোঁ সেয়া ভালদৰে কৰি দেশৰ নাম উজলাব পাৰোঁ। এই কথা যদি মোৰ দৰে সকলোৱে ভাবিলেহেঁতেন তেতিয়াহ'লে ভাৰত উন্নত ৰাষ্ট্ৰৰ তালিকাত অন্তৰ্ভুক্ত হ'বলৈ বেছি সময় নালাগিলহেঁতেন। মই ভাবোঁ যে ভাৰতত বহুতো প্ৰতিভা আছে। যিয়ে ভাৰতক উন্নত ৰাষ্ট্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰাত সহায় কৰিব আৰু এইটো কথাত মই বহুত বিশ্বাসী। কিন্তু এক বিলাসী জীৱনৰ সন্ধানত বা উচ্চ দৰমহাৰ বাবে আন ৰাষ্ট্ৰলৈ যোৱাত এই প্ৰতিভাই নিজৰ দেশৰ নাম উজলালেও সেই ব্ৰেইন-ড্ৰেইন কৰা ৰাষ্ট্ৰখনৰহে উন্নতি হয়। আমাৰ ভাৰতত হয়তো উন্নত মানৰ সম্পদৰ অভাৱ

হোৱা নাই। অভাৱ হৈছে উন্নত মানৱ সম্পদে আগবঢ়োৱা অৱদানৰহে। সেয়ে মই তোক আমেৰিকালৈ যোৱাৰ ক্ষেত্ৰত বাধা দি আছোঁ। তই যি কৰ ইয়াতে কৰ আৰু তই অলপমান ভাব কথাটো” বুলি কৈ অলপ সময় ৰৈ অজিতে ৰিয়ানলৈ চালে।

ৰিয়ানে তেতিয়া ক’বলৈ ধৰিলে, “অজিত, তোক কেতিয়াবা মোৰ গণিত পঢ়োৱা শিক্ষক যেন লাগে। এটা ডাঙৰ অংক লৈ মই তোৰ ওচৰলৈ আহোঁ আৰু বিভিন্ন সূত্ৰৰ সহায়ত গণিত বা মোৰ সেই ডাঙৰ সমস্যাটো সমাধান কৰি দিয়। তই মোক সমাধান দিয়াত চাগে’ খুব অভ্যস্ত হৈ পৰিছ। সঁচা কথা কৈছ তই, ভাৰতত মানৱ সম্পদৰ অভাৱ হোৱা নাই। মই সিদ্ধান্ত লৈয়ে পেলালোঁ যে মই আৰু আমেৰিকালৈ নাযাওঁ। মই ভাৰততে ভাল এজন অভিযন্তা হ’ম। তোৰ দৰে নাগৰিক অৰ্থাৎ তোৰ দৰে কথাবিলাক ভবা গণিতৰ শিক্ষকৰ দৰে সমাধান বিচৰা নাগৰিক যদি সকলো হ’লহেঁতেন, তেনেহ’লে ভাৰত এখন উন্নত ৰাষ্ট্ৰ হ’বলৈ বেছি সময় নালাগিলহেঁতেন আৰু তোৰ দৰে বন্ধু যদি সকলোৱে পালেহেঁতেন তেন্তে চাগে’ তেওঁক আৰু একো নালাগিলহেঁতেন। যেনে মই। “...ও পলমেই হ’ল দেখোন ব’ল এতিয়া ঘৰলৈ।” এইবুলি দুয়ো আন্ধাৰ ফালি জোনাক নিশা ৰিয়ানৰ ঘৰৰ ফালে খোজ ল’লে। আন্ধাৰ ৰাতি জোনটো নহ’লে যেনেকৈ তৰা নচলে আৰু তৰা নহ’লে জোনটোৱে পোহৰ অকলে বিলাব নোৱাৰে; ঠিক তেনেদৰে অজিত আৰু ৰিয়ানে আন্ধাৰৰ মাজেৰে জোন আৰু তৰাৰ দৰে একেলগে দুয়োৱে আন্ধাৰ মনক উজলাই হাতে হাতে ধৰি স্বাভিমানেৰে উভতিল ঘৰলৈ বুলি। ❖

# The eight classical dances of India : A celebration of culture and tradition

■ **Zichan Ray**
Class VII

India is home to a rich and diverse cultural heritage, with eight classical dances that are recognised by the Sangeet Natak Akademi. Each dance form has its unique style, technique and history, reflecting the region and community it orginates from.

**I. Bharatanatyam: The ancient dance of Tamil Nadu :** Originating in Tamil Nadu, Bharatanatyam is one of the oldest classical dances of India. It's knwon for its intricate footwork, expressive hand gestures and storytelling through mime and dance. The dance form is often performed to depict mythological stories and legends.



**II. Kathak : The whirling dervish of Uttar Pradesh :** Hailing form Uttar Pradesh, Kathak is a classical dance form that combines rapid footworks, spinning movements and elegant

gestures. The dance is often performed to the tales of Radha and Krishna, with intricate footwork and rhythmic patterns.



**III. Kathakali : The dramatic dance of Kerala :** From Kerala, kathakali is a dramatic dance form that combines dance, music and acting to depict mythological stories. The dancers wear elaborate costumes and striking facial expressions, bringing the stories to life.



**IV. Kuchipudi : The energetic dance of Andhra Pradesh :** Originating in Andhra Pradesh, Kuchipudi is a classical dance form that combines energetic and dynamic movements, often depicting mythological stories. The dance is known for its intricate footwork, beautiful hand gestures, and dramatic expressions.



**V. Oddissi : The fluid dance of Odisha :** From Odisha, Oddissi is a classical dance form characterized by its fluid movements, intricate footwork and beautiful hand gestures. The dance is often performed to depict the stories of Lord Jagannath, with a focus on devotion and spirituality.



**VI. Manipuri : The unique dance form of Manipur :** Originating in Manipur, Manipuri is a classical dance form known for its subtle and nuanced movements. The dance is often performed to depict the tales of Raslila and other Vaishnavite themes, with a focus on elegance and refinement.



**VII. Mohiniyattam : The elegant dance form of Kerala :** From Kerala, Mohiniyattam is a classical dance form famous for its gentle and subtle movements. The dance is often performed by women, depicting stories of love and devotion, with a focus on elegance and refinement.



**VIII. Sattriya : The ancient dance of Assam :** Hailing from Assam, Sattriya is a classical dance form that combines dance, music and drama to depict mythological stories. The dance is often performed in Sattras of Assam, with a focus on spiritual and cultural themes.



Each of this classical dances is a testament to India's rich cultural heritage, showcasing the country's diversity and creativity. By celebrating these dance forms, we can appreciate the beauty and elegance of Indian classical dances. ❖

# নাহৰ

■ ময়ূৰ ডেকা
অষ্টম শ্ৰেণী

জুবিন মামাৰ প্ৰিয় গছ আছিল নাহৰ। নাহৰ গছ হ'ল প্ৰকৃতিৰ এক বিৰল উপহাৰ। প্ৰকৃতিপ্ৰেমী জুবিন মামাই গছৰ ভিতৰত আটাইতকৈ ভাল পাইছিল নাহৰ গছক। এই নাহৰ গছ প্ৰায় ১০০ ফুট ওখ হয়। গছৰ গুৰিৰ পৰিধি প্ৰায় ২ মিটাৰমান হ'ব পাৰে। ইয়াৰ ডালবোৰ বৰ লাহী। নাহৰৰ বাকলি আধা ইঞ্চিমান ডাঠ হয়। নাহৰ গছৰ কাণ্ডৰ পৰা আঠাও পোৱা যায়। এই গছৰ কাঠ বৰ টান। কাঠৰ ৰং ৰঙা। এই গছ ধীৰ গতিত ডাঙৰ হয়। নাহৰ এবিধ শোভাবৰ্ধক গছ। ইয়াৰ পাত আৰু ফল উভয়ে সুন্দৰ আৰু মনোমোহা। নাহৰ ফুল সুগন্ধি। ই এক প্ৰকাৰৰ চিৰসেউজীয়া উদ্ভিদ। নাহৰ ফুলৰ পাপৰিৰ ৰং বগা, পুংকেশৰবোৰ সোণালী, যি ফুলৰ সৌন্দৰ্য্যত নতুন মাত্ৰা যোগ কৰে। সকলোবোৰ মিলি এই ফুল অনন্য। নাহৰৰ ফুল উভয়লিংগী হয়। সাধাৰণতে নাহৰ ফুল বসন্ত ঋতুত ফুলে। কিন্তু বৰ্ষা ঋতুতো ফুল ফুলা দেখা যায়। পাতবোৰ সৰু আৰু বল্লমাকৃতিৰ হয়। গোটেই বছৰ নতুন নতুন পাত গজা নাহৰ গছৰ অন্যতম বৈশিষ্ট্য। পিৰামিড আকৃতিৰ গঠন, ৰঙীন কুঁহিপাত, শুভ্ৰপুষ্পৰ স্নিগ্ধ শোভা ইত্যাদিৰ কাৰণে পথৰ দাঁতিত নাহৰ ৰোপণ কৰা হয়। গৃহসজ্জা আৰু পূজাৰ উপকৰণত ইয়াৰ ফুল লাগে। অসমীয়া সংস্কৃতিৰ লগত নাহৰ বহু প্ৰকাৰে জড়িত হৈ আহিছে। নাহৰ (ইংৰাজী Ceylon ironwood বা Indian rose chestnut বা Cobra's saffron) হৈছে কেলোফিলেচিয়া (Calophyllaceae) পৰিয়ালৰ অন্তৰ্গত এক প্ৰকাৰৰ চিৰসেউজ বৃক্ষ। ১৯৮৬ চনত ইয়াক শ্ৰীলংকাৰ জাতীয় বৃক্ষ হিচাপে ঘোষণা কৰা হৈছিল। শ্ৰীলংকাত নাহৰ গছ 'না' বৃক্ষ নামে পৰিচিত। ইয়াৰ বৈজ্ঞানিক নাম হ'ল *Mesua ferrea*। সমগ্ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াত ইয়াক প্ৰচুৰ পৰিমাণে দেখা যায়। সাগৰপৃষ্ঠৰ ১০০০ৰ পৰা ১৫০০ মিটাৰ উচ্চতালৈ ই গজিব পাৰে। নাহৰৰ কেইবাটাও প্ৰজাতি আছে। নাহৰৰ ঔষধি গুণ বহুত আছে। যেনে—সাপে খুঁটিলে নাহৰৰ পাত আৰু ফুল খাব লাগে আৰু ভালকৈ পিহি খোঁটা ঠাইত লগাব লাগে বুলি বিশ্বাস কৰা হয়। ভাৰত, মালয়েছিয়া ইত্যাদি দেশত জৈৱিক ঔষধি ৰূপত ইয়াক ব্যৱহাৰ কৰাৰ উপৰি সুগন্ধি ধূপকাঠি তৈয়াৰ কৰাতো ইয়াক ব্যৱহাৰ কৰা হয়। নাহৰ গছৰ ছালৰ ৰস গ্ৰহণ কৰিলে কেঁচুমূৰীয়া ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰি। নাহৰ গছক বিভিন্ন ভাষাত বিভিন্ন নামেৰে জনা যায়। যেনে—অসমীয়াত নাহৰ; গাৰো ভাষাত কিমেদ, বাংলা ভাষাত নাগেশ্বৰ, হিন্দী ভাষাত নাগ চম্পা, কন্নড় ভাষাত নাগচম্পিগে, মালয় ভাষাত পেনাগা, মালায়ালাম ভাষাত নাগচম্পকম, মাৰাঠী ভাষাত নাগচফা, সংস্কৃত ভাষাত নাগকেসৰ, নাগপুষ্প, সিংহল ভাষাত না ইত্যাদি।



নাহৰ গছৰ ইমানবোৰ গুণ আৰু সৌন্দৰ্য্যৰ বাবেই হয়তো নাহৰৰ প্ৰেমত পৰিছিল আমাৰ মৰমৰ জুবিন মামা। নাহৰক লৈ লিখিছিল বহু গীত, যি গীতে প্ৰতিজন অসমীয়াক নাহৰক ভাল পাবলৈ বাধ্য কৰাইছিল। ❖

# ভাষা

■ ৰশ্মিনন্দা কলিতা
পঞ্চম শ্ৰেণী

বিমান বৰুৱা। এগৰাকী প্ৰখ্যাত ব্যৱসায়ী। মানুহজন দয়ালু, অলপো অহংকাৰ নাই। পাছে ব্যৱসায়ৰ কামত ইমানেই ব্যস্ত যে ঘৰলৈ বছৰত প্ৰায় দুবাৰহে আহে। তেওঁ বেছিভাগ সময় বেলেগ দেশতেই থাকে।

এবাৰ ঘৰলৈ আহোঁতে এটা ঘটনা ঘটিল। তেওঁ উৰাজাহাজেৰে আহি অসমৰ বৰঝাৰ বিমান বন্দৰত নামি এখন গাড়ীৰে ঘৰলৈ আহি আছিল। এনেদৰে আহি থাকোঁতে ৰাস্তাৰ এটা সৰু গলিৰ পৰা অহা হাই-উৰুমিৰ শব্দ শুনি উৎসুকতাত বৰুৱাই ড্ৰাইভাৰজনক গাড়ী ৰখাবলৈ ক'লে। তেওঁ গাড়ীৰ পৰা নামি লাহে লাহে গলিটোৰে আগবাঢ়ি গ'ল। অলপ দূৰ গৈ দেখে এটা সৰু তৰ্জাৰ ঘৰ বহুকেইজন মানুহে ভাঙি আছে। এজন বয়োজ্যেষ্ঠ লোকে তেওঁলোকক ঘৰটো ভাঙিবলৈ মানা কৰিছে। এজন মানুহে পুলিচক ফোন কৰিবলৈ লওঁতেই বিখ্যাত ব্যৱসায়ী বিমান বৰুৱাক দেখি সকলো স্তব্ধ হৈ ৰ'ল। তেতিয়া এজনী সৰু ছোৱালীয়ে বিমান বৰুৱাৰ ওচৰলৈ আহি সিহঁতৰ ঘৰটো ভাঙিবলৈ মানা কৰিবলৈ অনুৰোধ জনালে।

ঘটনাৰ বুজ লৈ বৰুৱাই কি হৈছে সোধাৰ আগতে ফোনযোগে পুলিচ ইন্সপেক্টৰক আহিবলৈ অনুৰোধ জনালে। ইন্সপেক্টৰে কনিষ্টবল কেইগৰাকীমান লগত লৈ আহি আন সকলোকে তাৰ পৰা আঁতৰাই পঠিয়ালে। ঘটনাৰ বুজ লৈ তেওঁলোকে গম পালে যে পৰিয়ালটো অৰুণাচলী। সেইকাৰণে স্থানীয় লোকে তেওঁলোকক তাত থাকিবলৈ দিয়া নাই। অনা-অসমীয়া হ'লেও কিন্তু তেওঁলোকে সুন্দৰকৈ অসমীয়া ক'ব আৰু লিখিব পাৰে। আনৰ দুখৰ সমভাগী হোৱা বিমান বৰুৱাই ইন্সপেক্টৰক জনাই পৰিয়ালটোক তেওঁৰ চাৰিমহলীয়া ঘৰটোৰ তলৰ মহলাটোত থকাৰ ব্যৱস্থা কৰি দিলে। বৰুৱাৰ পৰিয়ালেও কথাটো বৰ ভাল পালে।

দুদিন পাছত বৰুৱা ব্যৱসায়ৰ কামত বিদেশলৈ গুচি গ'ল।

বৰুৱাৰ পত্নীৰ অফিচৰ পৰা আহোঁতে দেৰি হয় বাবে তেওঁলোকৰ যমজ সন্তান দুটিক দিনটো শিশুৰ ওমলা গৃহত ৰাখিছিল। সিহঁত দুয়োটাই সৰুৰে পৰা ইংৰাজী ভাষাটোকে আয়ত্ত কৰি লৈছে কাৰণে অসমীয়া ভাষা ভালকৈ নাজানে। কিন্তু অৰুণাচলী পৰিয়ালটো অহাৰ পাছৰ পৰা বৰুৱাৰ সন্তান ৰোজ আৰু ৰাজক সিহঁতৰ ঘৰত ৰখাৰ ব্যৱস্থা কৰিলে। অৰুণাচলী পৰিয়ালটোৰ একমাত্ৰ সন্তান আছিল তানীয়া। ৰোজ আৰু ৰাজে তাইক ঘৰত মতা এটা নতুন নাম দিলে। সেয়া হ'ল জিমি। কিন্তু জিমিহঁতৰ ঘৰত থকাৰ পৰা ৰোজ আৰু ৰাজে অসমীয়া শিকিবলৈ ল'লে। ঘৰতো ইংৰাজী ক'বলৈ এৰি অসমীয়া ভাষা ক'বলৈ ধৰিলে। তাতেই লাগিল লেঠা। মাকৰ মতে সিহঁতে কেৱল ইংৰাজী জানিব লাগে। আনফালে তানীয়াই অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ি অসমীয়াৰ লগতে ইংৰাজী আৰু হিন্দী ভাষাতো পাৰ্গত হৈ উঠিছিল। নিজৰ ভাষাটোৰ প্ৰতি আগ্ৰহী বৰুৱাই বিদেশৰ পৰা ঘূৰি আহি নিজৰ সন্তানৰ মুখত শুদ্ধ অসমীয়া শুনিবলৈ পাই অত্যন্ত সুখী হ'ল। অনা-অসমীয়া পৰিয়াল এটাৰ অসমীয়া ভাষাটোৰ প্ৰতি দৰদ দেখি বৰুৱাই তানীয়া আৰু পৰিয়ালটোক ধন্যবাদ জনালে। অসমীয়া সাহিত্যৰ প্ৰতি আগ্ৰহী তানীয়াৰ বহুতো গল্প, কবিতা, সাধু আদি বিভিন্ন আলোচনী, বাতৰিকাকত আদিত প্ৰকাশ পাইছে। নিজৰ জাতি আৰু ভাষাটোৰ প্ৰতি সচেতন বৰুৱাই নিজৰ সন্তান দুটিকো তানীয়া পঢ়া বিদ্যালয়খনতে নামভৰ্তি কৰাই দিলে।


কেইবাবছৰ পাছত তানীয়াই অসমৰ এখন প্ৰখ্যাত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা পদত নিযুক্তি লাভ কৰে আৰু কেইবাখনো উপন্যাস প্ৰকাশ কৰি উলিয়ায়। আনহাতে ৰোজ আৰু ৰাজে বিদেশৰ বিশ্ববিদ্যালয়ত গৱেষণা কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনে। ❖

# নাম নথকা মানুহজন

## ■ কৌশিক বাগচী

নৱম শ্ৰেণী

তেওঁ নামটো ক'ত থৈ আহিলে
মনত নপৰে
সকলোৰে তেওঁৰ মুখখন চিনে
কিন্তু অন্তৰখন নিচিনে
ভিৰৰ মাজত থিয় দি থাকে তেওঁ
ছাঁটোহে আগবাঢ়ে
প্ৰশ্নবোৰে তেওঁৰ আগত
আওৰাবলৈ পথ বিচাৰে
আইনাত চকু পেলাওঁতে
এজন অচিনাকি মানুহে
মোক চাই থাকে
যেতিয়া মই হাঁহোঁ
তেতিয়া তেৰোঁ হাঁহে
নাম নথকা মানুহজন
সম্ভৱতঃ মোৰ চিনাকি
'তেওঁ' বোলা মানুহজন
কিজানি মই নিজেই ❖



# সময়ৰ সদ্ব্যৱহাৰ

## ■ নিচান প্ৰতীম ভৰদ্বাজ

অষ্টম শ্ৰেণী

নদীৰ দৰে বৈ যায় সময়
আমাৰ বাবে ই অকণো নৰয়
এইবুলি জ্ঞানীলোকে সদায়েই কয়
সময়ৰ কাম সময়ত কৰিবা
তেতিয়াহে তুমি ভাল ফল পাবা
টিকটিককৈ সময় হয় পাৰ
কামৰ দ্বাৰাহে হয় তাৰ সদ্ব্যৱহাৰ।
ৰ'বলৈ নাই সময়
পালেহি পৰীক্ষাৰ প্ৰলয়
নকৰিবা নষ্ট অবাবত সময়
কৰা সময়ৰ সদ্ব্যৱহাৰ
হ'ব তেতিয়াহে জীৱনৰ উদ্দেশ্য সাকাৰ ❖

# প্ৰতিবিম্ব

## ■ দোকমোকালি গোস্বামী

ষষ্ঠ শ্ৰেণী

এটা পঁজাঘৰ
এখন খিৰিকী
এখন দাপোণ
আৰু মই
ঘৰটো আজি ভগ্নপ্ৰায়
খিৰিকীখনেৰে ৰ'দৰ কিৰণ সোমাইছে
দাপোণখন পৰি আছে
চকু ছাট মাৰি ধৰে
চকীখনত বহি আছোঁ
ভৰি দুখন আজি অসাৰ
হঠাৎ আকাশখন যে ক'লা হ'ল?
খিৰিকীখন জপাই দিওঁ নেকি
নাই, নালাগে
থাকক খোলাকৈয়ে
আহে যদি আহক
এজাক ধুমুহা
আহে যদি আহক
এজাক বৰষুণ
পাৰে যদি মচি নিয়ক
মোৰ মনৰ মলিনতা
চকীখনত বহি বহি আমনি লাগিছে
দাপোণখন মোৰ হাতত
ভঙা দাপোণত মোৰ প্ৰতিবিম্ব
চাৰিওফালে এতিয়া কেৱল
প্ৰতিবিম্ব
সেইবোৰ চাগে মোৰেই প্ৰতিবিম্ব... ❖

■ দীপাংকৰ কৌশিক

১। আমাৰ ৰাষ্ট্ৰীয় সংগীতত উল্লেখ আছে 'দ্ৰাৱিড় উৎকল বংগ'। এই উৎকলৰ বৰ্তমানৰ নামটো কি?

২। ১৯৭০ চনত কৰ্ণাটকৰ মহীশূৰৰ পৰা প্ৰকাশিত 'সুধৰ্মা' নামৰ বাতৰিকাকতখনৰ বিশেষত্ব কি?

৩। ১৯০৫ চনৰ পৰা আৰম্ভ হোৱা কোনখন টেনিছ টুৰ্নামেণ্টৰ পুৰুষৰ ছিংগলছৰ প্ৰথম চেম্পিয়ন আছিল ৰডনী হীথ (Rodney Heath)?

৪। আমাৰ দেশৰ উচ্চ সদন ৰাজ্যসভাৰ সদস্য হ'বলৈ ন্যূনতম বয়স কিমান হ'ব লাগে?

৫। 'ইনাৰ ৱৰ্ল্ড'—কোনগৰাকী শান্তিৰ ন'বেল বঁটা বিজয়ীৰ প্ৰথমটো ষ্টুডিঅ' এলবাম?

৬। বৰ্তমান চৰ্চাত থকা কোনখন দেশৰ ৰাজধানী চহৰখনৰ নাম কাৰাকাছ?

৭। বিশ্বৰ প্ৰথমটো ডাকটিকট ১৮৪০ চনৰ ১ মে'ত প্ৰকাশ পাইছিল। নাম আছিল 'পেনী ব্লেক' (Penny Black)। এই ডাকটিকটটোত কাৰ ছবি আছিল?

৮। ভৰতনাট্যম, কথক, কথকলি, কুচিপুড়ী, ওডিছি, মোহিনীঅট্টম; আৰু কোন দুটা নামেৰে তালিকাখন সম্পূৰ্ণ হ'ব?

৯। বিহাৰৰ মোতিহাৰীত ১৯০৩ চনত জন্মলাভ কৰা কোনজন বিখ্যাত লেখকৰ প্ৰকৃত নাম এৰিক আৰ্থাৰ ব্লেয়াৰ?

১০। ১৯৫২ চনত গৌৰাংগ চন্দ্ৰ ঘোষে আৰম্ভ কৰা কোনটো বিখ্যাত কোম্পানীৰ নাম এগৰাকী হিন্দু দেৱীৰ নামেৰে ৰখা হৈছিল?

১১। 'হুইটলী গ'ল্ড' (Whitley Gold) বঁটা লাভ কৰা প্ৰথমগৰাকী অসমীয়া কোন?

১২। ভাৰতীয় টেষ্ট ক্ৰিকেট দলত স্থান লাভ কৰা প্ৰথমগৰাকী অসমীয়া খেলুৱৈৰ নাম কি?

১৩। ১৯৫৫ চনৰ ১ জুলাইৰ পৰা সতীশ চন্দ্ৰ কাকতিৰ সম্পাদনাত কোনখন সাপ্তাহিক কাকতৰ যাত্ৰা আৰম্ভ হৈছিল?

১৪। ২০২২ চনত প্ৰকাশিত ড° ভূপেন শইকীয়াৰ 'সুৰমাৰ গঙাচিলনী' গ্ৰন্থখন কাৰ জীৱনৰ আধাৰত ৰচিত?

১৫। কোনজন ভাৰতীয় খেলুৱৈয়ে জেমছ বণ্ড ছিৰিজৰ চলচ্চিত্ৰ 'অক্টোপুছী'ত (Octopussy) অভিনয় কৰিছিল?

**চিত্ৰ সংকেত**

১৬। সাহিত্যত ন'বেল বঁটাপ্ৰাপক এইগৰাকী ব্যক্তিৰ নাম কি? ❖



## তোমালোকৰ বাবে প্ৰশ্ন, ফেব্ৰুৱাৰী, ২০২৬

১। 'পুৱতি নিশাৰ সপোন'—কোনগৰাকী সাহিত্য অকাডেমি বঁটাপ্ৰাপকৰ একমাত্ৰ প্ৰকাশিত উপন্যাস?

২ । ডাফনে অখুৰ্ষ্ট মেম'ৰিয়েল কাপ (Daphne Akhurst Memorial Cup) কাক প্ৰদান কৰা হয়?

৩। 'ভাৰতৰত্ন ভূপেন হাজৰিকা : গীতৰ চিত্ৰকৰ সুৰৰ ভাস্কৰ' কিতাপখন কোনে লিখিছে?

৪। কোনগৰাকী ৰঞ্জী ক্ৰিকেটাৰ 'ভূপাল এক্সপ্ৰেছ' নামৰ চলচ্চিত্ৰখনৰ সহ-চিত্ৰনাট্যকাৰ আছিল?

৫। এন্থনী মাৰিয়া ইৰুডায়াম (Anthony Maria Irudayam) কোনবিধ খেলত অৰ্জুন বঁটা লাভ কৰা প্ৰথমজন খেলুৱৈ? ❖

# শৰীৰত কিমান শতাংশ কাৰ্ব’হাইড্ৰেট থকাটো প্ৰয়োজনীয়

■ দিগন্ত তালুকদাৰ



কাৰ্ব’হাইড্ৰেট বা শৰ্কৰা হৈছে আমাৰ শৰীৰৰ প্ৰয়োজনীয় তিনিটা মূল পুষ্টিকৰ (macronutrients) উপাদানৰ ভিতৰত এটা, বাকী দুটা হ’ল প্ৰ’টিন আৰু চৰ্বী। ই হৈছে মানৱ শৰীৰৰ শক্তিৰ প্ৰাথমিক উৎস। কাৰ্ব’-হাইড্ৰেটযুক্ত খাদ্যৰ ভিতৰত চাউল, ঘেঁহু, আলু, ফল-মূল, চেনি, মৌ, শস্যজাতীয় খাদ্য আদি পৰে। আমি যেতিয়া কাৰ্ব’হাইড্ৰেট খাওঁ তেতিয়া আমাৰ পাচনতন্ত্ৰই ইয়াক ভাঙি গ্লুক’জত পৰিণত কৰে, যিটো আমাৰ কোষে শক্তি উৎপাদনৰ বাবে ব্যৱহাৰ কৰে।

পুষ্টিৰ বৈজ্ঞানিক নিৰ্দেশনা অনুসৰি আমাৰ দৈনিক প্ৰয়োজনীয় মুঠ শক্তিৰ (এই শক্তি কেল’ৰি এককত জোখা হয়) প্ৰায় ৪৫%ৰ পৰা ৬৫% কাৰ্ব’হাইড্ৰেটৰ পৰা আহিব লাগে। অৰ্থাৎ আমি আহৰণ কৰা শক্তিৰ প্ৰায় আধা বা আধাতকৈ অধিক কাৰ্ব’হাইড্ৰেটৰ পৰা অহা হ’ব লাগে। উদাহৰণস্বৰূপে, যদি এজন ব্যক্তিক প্ৰতিদিনে ২০০০ কেল’ৰিৰ প্ৰয়োজন হয়, তেন্তে প্ৰায় ৯০০ৰ পৰা ১৩০০ কেল’ৰি কাৰ্ব’হাইড্ৰেটৰ পৰা আহিব লাগে। ১ গ্ৰাম কাৰ্ব’হাইড্ৰেটে প্ৰায় ৪ কেল’ৰি প্ৰদান কৰে, সেয়েহে বয়স, কাৰ্য্যকলাপৰ মাত্ৰা আৰু স্বাস্থ্যৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ শৰীৰক প্ৰতিদিনে প্ৰায় ২২৫ৰ পৰা ৩২৫ গ্ৰাম কাৰ্ব’হাইড্ৰেটৰ প্ৰয়োজন হয়।

শৰীৰৰ অৰ্ধেক অংগ, বিশেষকৈ মগজু, পেশী আৰু স্নায়ুতন্ত্ৰই সঠিকভাৱে কাম কৰিবলৈ মূলতঃ গ্লুক’জৰ ওপৰত নিৰ্ভৰ কৰে। পৰ্য্যাপ্ত পৰিমাণৰ কাৰ্ব’হাইড্ৰেট নাথাকিলে এজন ব্যক্তিয়ে ভাগৰুৱা, দুৰ্বল, মূৰ ঘূৰোৱা, কামত মনোনিবেশ কৰিব নোৱৰা অৱস্থাৰ সন্মুখীন হয়। ছাত্ৰ-ছাত্ৰী, শ্ৰমিক আৰু খেলুৱৈসকলক দৈনন্দিন কাৰ্য্যকলাপ কৰিবলৈ বা দক্ষতাৰে ব্যায়াম তথা অনুশীলন কৰিবলৈ কাৰ্ব’হাইড্ৰেটৰ প্ৰয়োজন।

তদুপৰি কাৰ্ব’হাইড্ৰেট পৰ্য্যাপ্ত পৰিমাণে উপলব্ধ থাকিলে শৰীৰে শক্তিৰ বাবে প্ৰ’টিন ব্যৱহাৰ নকৰে। ইয়াৰ ফলত প্ৰ’টিনে নিজৰ মূল কাম—কলা নিৰ্মাণ আৰু মেৰামতি কৰা আদি কাম কৰিব পাৰে। চৰ্বীৰ সঠিক বিভাজনৰ বাবেও কাৰ্ব’হাইড্ৰেটৰ প্ৰয়োজন। কাৰ্ব’-হাইড্ৰেটৰ অভাৱত চৰ্বীৰ বিভাজন ঘটি কিট’ন নামৰ ক্ষতিকাৰক পদাৰ্থৰ সৃষ্টি হ’ব পাৰে। সকলো কাৰ্ব’হাইড্ৰেট সমানে স্বাস্থ্যকৰ নহয়। পৰামৰ্শ অনুসৰি শক্তিৰ বেছি শতাংশই জটিল কাৰ্ব’হাইড্ৰেটৰ পৰা আহিব লাগে, যেনে—গোটা শস্য, ব্ৰাউন ৰাইচ, গোটা ঘেঁহু, ওট্‌ছ, ফল-মূল আৰু শাক-পাচলি, দাইল আৰু মাহজাতীয় শস্য আদি।

এই খাদ্যসমূহে শক্তিৰ লগতে আঁহ, ভিটামিন, খনিজ পদাৰ্থ আদিও যোগান ধৰে। আঁহে হজম শক্তি বৃদ্ধি হোৱাত সহায় কৰে, কোষ্ঠকাঠিন্য ৰোধ কৰে, তেজত চেনিৰ মাত্ৰা নিয়ন্ত্ৰণ কৰে। আনহাতে ভাত, মিঠাই, শীতল পানীয়, কেক, বগা ৰুটীৰ দৰে সাধাৰণ কাৰ্ব’হাইড্ৰেট সীমিত পৰিমাণে গ্ৰহণ কৰিব লাগে, কাৰণ ই দ্ৰুতভাৱে শক্তি প্ৰদান কৰে যদিও অতি কম পুষ্টিকৰ উপাদান যোগান ধৰে আৰু বেছিকৈ খালে মেদবহুলতা আৰু মধুমেহৰ দৰে ৰোগ সৃষ্টি হ’ব পাৰে।

এতিয়া প্ৰশ্ন হয় আমি যদি অতি কমকৈ বা বেছিকৈ কাৰ্ব’হাইড্ৰেট খাওঁ তেন্তে কি হ’ব? অতি কম পৰিমাণৰ কাৰ্ব’হাইড্ৰেট গ্ৰহণৰ ফলত শৰীৰে ভাগৰুৱা, দুৰ্বল অনুভৱ কৰিবলৈ লয় আৰু শক্তিৰ বাবে চৰ্বী আৰু প্ৰ’টিন ভাঙিবলৈ আৰম্ভ কৰিব পাৰে, ই শৰীৰৰ বৃদ্ধি আৰু বিকাশৰ বাবে অপকাৰী। একেদৰে অধিক কাৰ্ব’হাইড্ৰেট গ্ৰহণৰ ফলত অতিৰিক্ত কাৰ্ব’হাইড্ৰেটখিনি চৰ্বী হিচাপে জমা হৈ থাকে, যাৰ ফলত ওজন বৃদ্ধি, মেদবহুলতা, জীৱনশৈলী জড়িত ৰোগ আদি হ’ব পাৰে। গতিকে, সুস্থ শৰীৰ আৰু মনৰ বাবে নিয়ন্ত্ৰিত পৰিমাণে কাৰ্ব’হাইড্ৰেট গ্ৰহণ কৰিব লাগে। ❖

# Thor's Well

■ **Niki Katharpi**



Thor's Well is a natural wonder which is a bowl-shaped sinkhole. It is situated on the edges of the Pacific coast of the US state of Oregon. It is often referred to as the "Drainpipe of the Pacific" or the "Gate to the Underworld". It is named after the Norse God of Thunder, "Thor". The name comes from the belief that Thor struck with his powerful hammer in a fit of rage and created the hole. Thor's Well appears like a circular sinkhole with a bottomless abyss swallowing the ocean waves. According to researchers, Thor's Well was likely a former sea cave. However, over the millennia, relentless pounding of the Pacific waves caused the roof of the cave to collapse, leaving an opening at the top and bottom. Now with ocean tides, water surges up and down through the hole. Though it looks fathomless, its depth is estimated to be 20 feet deep, that's about 2 basketball nets in height. The best time to visit Thor's Well is around high tide, ideally an hour before or after or during a stormy weather. However, it's extremely dangerous considering rouge waves and slippery rocks. ❖

# Crooked Forest

In the far northwestern corner of Poland, near the town of Gryfino,lies a botanical enigma: Krzwy Las or the Crooked Forest. This small grove consists of approximately 400 pine trees. Each of the trees curves dramatically at its base. These trees grow with a sharp 90 degree bend toward the north before arching back upward to reach for the sky, creating a J shape. Because the original inhabitants of the nearby village were displaced during World War II, the true story of the forest was lost to history. Despite their bizarre shapes, the trees are remarkably healthy growing to heights of over 15 meters. Today, the Crooked Forest is a protected



natural monument. It serves as a quiet, atmospheric reminder of the region's complex history and the enduring resilience of nature. Whether shaped by human tools or not, the forest remains one of Europe's most enchanting and unresolved mysteries. ❖

# A Journey to the Center of the Earth

■ Papari Kalita

*(Contd. from January issue)*




On May 24, 1863, Professor Otto Lidenbrock returns home early to his house in Hamburg. His servant, Martha, worries that Lidenbrock will expect dinner to be served even though he's home early, and she asks Lidenbrock's nephew Axel to get Lidenbrock to listen to reason. Axel doubts anyone could convince his irritable uncle to see reason. Lidenbrock calls for Axel, and Axel's attempt to "escape" to his room is thwarted when Lidenbrock storms in and demands his nephew to follow him. In his narration, Axel acknowledges that Lidenbrock, his "dreadful master," is not a bad man––he is just remarkably unique. Lidenbrock is a genius, but he is a poor public speaker and centers his lectures on his own interests. Despite of his eccentricity, Lidenbrock is well-respected and is the curator at the Museum of Mineralogy.

The study is full of meticulously organized mineral specimens that Axel knows well. Lidenbrock excitedly shows his nephew an old book. Axel humors his uncle, but his interest only becomes genuine when Lidenbrock reveals the book is written in Icelandic runes that must be translated. A piece of parchment falls from the book, and Axel's narration remarks that the runes inscribed upon it, will lead him and Lidenbrock to "the strangest expedition of the nineteenth century."

Lidenbrock is proficient with languages, but he cannot decipher the runes. Axel takes some pleasure at seeing his uncle as mystified as he is. Martha tells the men that dinner is ready, but Lidenbrock sends Axel to dine alone. Axel and Martha are both surprised by this, since Lidenbrock never misses meals. The dinner is delicious, and Axel decides to eat his uncle's portion as well as his own. He justifies this as the duty of a "devoted nephew." He is finishing his meal when Lidenbrock summons Axel back to the study.

Lidenbrock sets to work trying to translate the runes. Axel transcribes while the professor dictates the German equivalent of each Icelandic character. The result is incoherent, and Lidenbrock proclaims the message must be encrypted. Axel believes this is nonsense, but he says nothing. Lidenbrock looks closer and, noticing a discrepancy in the handwriting, deduces that the loose parchment was written on by someone who owned the book at least 200 years after its publication. He finds some "half obliterated" runes on the first page that reveal the name of Arne Saknussemm, a 16th-century Icelandic alchemist.

Lidenbrock resolves to decode the runes on the parchment. He figures out that the message must be written in coded Latin, and as he undertakes the mathematics of cracking the code, Axel gets distracted looking at a portrait of Gräuben, his uncle's ward. Axel and Gräuben are in love and secretly betrothed, and he imagines the idyllic life he might lead with her. ❖ *Contd.*

## মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

**(1)**


1. 6 জন ল'ৰাই এখন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। প্ৰতিজন ল'ৰাই আন প্ৰতিজনৰ লগত এখনকৈ খেল খেলিব। মুঠ খেলৰ সংখ্যা কিমান হ'ব?

    a) 36　　b) 30　　c) 15　　d) 7

2. এটা শ্ৰেণীকোঠাত কিছুসংখ্যক বেঞ্চ আছিল। যদি একোখন বেঞ্চত 4 জনকৈ শিক্ষাৰ্থী বহে, তেন্তে 3 খন বেঞ্চ খালী থাকে। আকৌ, যদি প্ৰতিখন বেঞ্চত 3 জনকৈ বহে তেন্তে 3 জন শিক্ষাৰ্থীয়ে বহিবলৈ ঠাই নাপায়। মুঠ শিক্ষাৰ্থীৰ সংখ্যা আৰু বেঞ্চৰ সংখ্যা কিমান?

    a) 48 জন, 15 খন　　b) 48 জন, 18 খন　　c) 35 জন, 8 খন　　d) 39 জন, 9 খন

3. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?




    a) 10　　b) 15　　c) 20　　d) 25

4. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

| | | |
|---|---|---|
| 1 | 2 | 3 |
| 4 | 5 | 6 |
| 7 | 8 | 9 |
| 27 | 38 | ? |

    a) 49　　b) 50　　c) 51　　d) 52

5. এটা পৰীক্ষাত A ই Bতকৈ বেছি নম্বৰ পালে। Cয়ে Dতকৈ কম পালে যদিও Aতকৈ বেছি পালে। Eয়ে Bতকৈ বেছি কিন্তু Aতকৈ কম নম্বৰ পালে। কোনে আটাইতকৈ বেছি নম্বৰ পালে?

    a) A　　b) B　　c) C　　d) D

**উত্তৰসমূহ :** 1) c　　2) a　　3) d　　4) c　　5) d

**(2)**

**নিৰ্দেশনা :** '?' চিনৰ ঠাইত কি সংখ্যা বহিব?

1. ICE, JDF, KEG, LFH, ?

a) MIG b) MHG c) MGI d) HHI

2 EFGH, MNOP, QRST, ?

a) QRTS b) VLMN c) UVWX d) JIKH

3. BY, GT, LO, ?, VE

a) PJ b) QJ c) QK d) QP

4. 1, 8, 17, 30, ?, 76

a) 39 b) 49 c) 59 d) 69

5. 12, 8, 14, 6, 16, ?

a) 18 b) 32 c) 5 d) 4

6. 1, 6, 13, 22, 33, ?

a) 47 b) 43 c) 46 d) 44

7. যদি 2 (a) 16 = 8, 8 (a) 8 = 1, 6 (a) 12 = 2, তেন্তে 12 (a) 144 = ?

a) 11 b) 12 c) 16 d) 24

8. CAT : 3120 : : MAT : ?

a) 1312 b) 10120 c) 13120 d) 12120

9. যদি 2 * 3 = 49, 5 * 6 = 2536, 1 * 9 = 181, তেন্তে 4 * 7 = ?

a) 1628 b) 1649 c) 2549 d) 1219

**উত্তৰসমূহ :**

1. c 2. c 3. b 4. b 5. d
6. c 7. b 8. c 9. b ❖

## চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড’কু ২২৭ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | 8 | 5 | 9 | 4 | 2 | 6 | 7 | 1 |
| 7 | 9 | 1 | 5 | 6 | 8 | 3 | 4 | 2 |
| 2 | 6 | 4 | 7 | 1 | 3 | 5 | 9 | 8 |
| 6 | 2 | 8 | 4 | 5 | 7 | 1 | 3 | 9 |
| 1 | 4 | 7 | 6 | 3 | 9 | 2 | 8 | 5 |
| 9 | 5 | 3 | 2 | 8 | 1 | 4 | 6 | 7 |
| 8 | 3 | 9 | 1 | 2 | 4 | 7 | 5 | 6 |
| 4 | 1 | 6 | 8 | 7 | 5 | 9 | 2 | 3 |
| 5 | 7 | 2 | 3 | 9 | 6 | 8 | 1 | 4 |

### চুড’কু ২২৮

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | | | | 2 | | | 5 |
| | | 7 | | | 9 | 4 | | 2 |
| 8 | | 9 | | | | | | 1 |
| 5 | 6 | | | 3 | 1 | 8 | | |
| | | | | 6 | | | | |
| 1 | | 3 | | | 8 | | | |
| 9 | | 5 | | | 7 | 1 | | 3 |
| | | | 1 | | 3 | | | |
| | | 1 | | | 5 | | | |

## তোমালোকে জানানে?

# জোনবিল মেলা

অসমৰ মৰিগাঁও জিলাৰ জোনবিল নামৰ ঠাইত অনুষ্ঠিত এক বৈশিষ্ট্যপূৰ্ণ মেলা জোনবিল মেলা। এই মেলা মূলতঃ উৎপন্ন পণ্য দ্ৰব্যাদিৰ বিনিময়ৰ বজাৰ। জোনবিল মেলাৰ প্ৰসংগতে তিৱাসকলৰ গোভা ৰজাৰ কথাও উল্লেখযোগ্য। গোভা ৰজাৰ ৰাজ্যৰ পুৰণি বাসিন্দা আছিল তিৱাসকল। গোভা ৰাজ্যৰ তিৱাসকলে মাঘ বিহুৰ উৰুকাৰ সাত দিনৰ পাছত ৰাজ অভিষেক অনুষ্ঠিত কৰিছিল। গোভা ৰজা জোন সিঙৰ দিনত ৰাজ্যৰ মধ্যস্থলত এখন সংৰক্ষিত বিলৰ পাৰত ৰাজ অভিষেক আড়ম্বৰেৰে উদ্‌যাপন কৰা হৈছিল। গোভা ৰজা জোন সিঙৰ নাম অনুসৰি এই সংৰক্ষিত বিলৰ নাম হয় জোনবিল। আন এক প্ৰবাদ অনুসৰি গোভা ৰজাই এনিশা এই বিলৰ পানীত জোনৰ পোহৰ পৰি তিৰবিৰাই থকা দেখি আনন্দিত হৈ পৰে আৰু বিলখনৰ নাম জোনবিল ৰাখে। জোনবিলৰ পাৰত অনুষ্ঠিত হোৱাৰ বাবে এই মেলাৰ নাম জোনবিল মেলা।

দূৰ-দূৰণিৰ পাহাৰ-ভৈয়ামৰ পৰা বিভিন্ন জনগোষ্ঠীৰ লোকেৰে এই মেলাথলী ভৰি পৰে। পাহাৰৰ লোকসকলে ভৈয়ামৰ লোকক নানাবিধ পাহাৰীয়া জলকীয়া, আলু, কচু, আদা, হালধি, ধূনা, চিৰতা, কপাহ, টেঙা আদি দিয়ে। বিনিময়ত ভৈয়ামৰ লোকসকলে দিয়া পিঠা, সান্দহ, শুকান মাছ, তামোল-পাণ আদি লৈ তেওঁলোক পুনৰ পাহাৰলৈ উঠি যায়। মাঘ বিহুৰ উৰুকাৰ পাছৰ বৃহস্পতিবাৰৰ পৰা আৰম্ভ হোৱা এই জোনবিল মেলাৰ শেষৰ দিনা সংৰক্ষিত বিল ‘জোনবিল’ত সমূহীয়াভাৱে মাছ ধৰা প্ৰথা আজিও প্ৰচলিত। জোনবিল মেলাত ৰজাই ডা-ডাঙৰীয়া, বিষয়া-ঢুলীয়া-কালীয়াক লৈ ৰাজ দৰবাৰত বহে আৰু কৰভাৰ গ্ৰহণ কৰে। দৰবাৰত পাটৰ, বৰবৰুৱা, বৰদলৈ, তামুলী, খাটনিয়াৰ, ঠেঙাভাৰী আদি বিষয়ববীয়াও উপস্থিত থাকে।

আধুনিক মুদ্ৰাৰ প্ৰচলনে বিনিময় প্ৰথাৰ গুৰুত্ব কমালেও পাহাৰ-ভৈয়ামৰ জনজীৱন আৰু লোক-সংস্কৃতিৰ আঁহে আঁহে সংপৃক্ত এই প্ৰথা আজিও জোনবিল মেলাত বিৰাজমান। ❖

*(উৎস : শান্তনু কৌশিক বৰুৱাৰ ‘সংক্ষিপ্ত অসম বুৰঞ্জী কোষ’)*

# ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ তলৰ সুৰংগ পথ

■ জাহ্নৱী বৰুৱা



প্ৰযুক্তিয়ে নতুনত্ব আনে, নতুনত্বই সম্ভাৱনা আনে, সম্ভাৱনাই সপোনবোৰ দৃঢ় কৰাত সহায় কৰে। বৰ্তমান সময়ত আমাৰ ৰাজ্য অসম এনে এক গতিতেই আগবাঢ়িবলৈ ধৰিছে। ৰাজ্যত প্ৰযুক্তিৰ বিকাশ চকুত পৰা বিধৰ হ'বলৈ ধৰিছে আৰু দেশৰ আন উন্নত ৰাজ্যৰ লগত ফেৰ মাৰিব পৰাও হৈছে। ৰাজ্যৰ উত্তৰণৰ এই কাৰ্য্যক্ৰমত এক নতুন সংযোজন হৈছে ব্ৰহ্মপুত্ৰৰ নদীৰ পানীৰ তলত যাতায়াতৰ বাবে সুৰংগ নিৰ্মাণৰ প্ৰকল্প। যাতায়াতৰ উদ্দেশ্যে পানীৰ তলৰ কাৰ্য্যক্ষম সুৰংগ ইতিমধ্যে আমাৰ দেশত দুটা আছে। এটা হ'ল হুগলী নদীৰ (পশ্চিমবংগ) পানীৰ তলৰ কলকাতা মেট্ৰ'ৰ পূব-পশ্চিম মেট্ৰ' সুৰংগ আৰু আনটো হ'ল মহাৰাষ্ট্ৰৰ আৰব সাগৰৰ পানীৰ তলত নিৰ্মাণ কৰা উপকূলীয় অঞ্চল আৰু মুম্বাই সংযোগী পথ সুৰংগ। কিন্তু ব্ৰহ্মপুত্ৰৰ পানীৰ তলত যিটো সুৰংগ নিৰ্মাণৰ প্ৰস্তাৱ বৰ্তমান আন্তঃমন্ত্ৰালয় আৰু বিত্ত মন্ত্ৰালয়ত গৃহীত হৈছে, সেইটো আন সকলোতকৈ ব্যতিক্ৰম আৰু বিশাল। কাৰণ ১৫.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই যাতায়াতৰ সুৰংগটো এছিয়াৰ ভিতৰত আটাইতকৈ দীঘল পানীৰ তলৰ পথ-ৰেল সুৰংগ হ'ব। অৱশ্যে ইয়াৰ লগত সংযোগী পথসমূহক ধৰিলে ইয়াৰ মুঠ দৈৰ্ঘ্য ৩৩.৭ কিলোমিটাৰ হ'ব। স্লাৰী শ্বিল্ড টানেল ব'ৰিং মেচিন (slurry sheild tunnel boring machine) নামৰ বিশেষ যন্ত্ৰ এটাৰ সহায়ত ব্ৰহ্মপুত্ৰৰ পৃষ্ঠৰ তলৰ ভাগ খান্দি ব্ৰহ্মপুত্ৰৰ তলিৰ পৰা ৩২ মিটাৰ তলত ইয়াক নিৰ্মাণ কৰাৰ পৰিকল্পনা কৰা হৈছে।

সুৰংগটো টুইন টিউব (twin tube) ৰূপত পৰিকল্পনা কৰা হৈছে। টুইন মানে যমজ। সুৰংগটো দেখাত নলী সদৃশ হ'ব বাবে ইয়াক টিউব বুলি কোৱা হৈছে। প্ৰতিটো টিউবৰ ব্যাস ১২-১৩ মিটাৰ হ'ব। দুয়োটা টিউবতে উন্নত প্ৰযুক্তি তথা উচ্চমানসম্পন্ন পোহৰ ব্যৱস্থা, চিচিটিভি আদি উপলব্ধ থাকিব। ইয়াৰ টিউব-১ এটা সাধাৰণ ঘাইপথৰ দৰে হ'ব। ২৪ ঘণ্টা অহৰ্নিশে একদিশীয়ভাৱে যান-বাহনসমূহ যাবলৈ দুটা লেনৰ ব্যৱস্থা থাকিব। জৰুৰীকালীন অৱস্থাত খোজ কাঢ়ি যাবলৈও বাটৰ কাষত পথ থাকিব। টিউব-২ত ৰেলপথ আৰু সাধাৰণ পথ ব্যৱস্থা দুয়োটা থাকিব। ৰেলপথটো বিদ্যুৎচালিত আৰু বেলেষ্টলেছ (ballastless) ৰেলপথ হ'ব (শিলগুটি নোহোৱাকৈ পোনে পোনে মজিয়াত নিৰ্মিত) যাতে ব্যৱস্থাপনা সহজসাধ্য হয়। ৰেল চলাচল কৰি থকাৰ সময়ত টিউব-২ত বাহনৰ চলাচল কৰাটো বন্ধ কৰি দিয়া হ'ব যাতে তীব্ৰ বেগত ৰেল চলাচল কৰি থকাৰ সময়ত যি কম্পন আৰু চাপৰ সৃষ্টি হয় তাৰ বাবে যাতে কোনো দুৰ্ঘটনা সংঘটিত নহয়। দুয়োটা টিউবৰ মাজত প্ৰায় প্ৰতি ৫০০ মিটাৰৰ দূৰত্বত একোটাকৈ ক্ৰছ পেছেজৰ (cross passage—এটা সুৰংগৰ পৰা আনটোলৈ যোৱা পথ) ব্যৱস্থাও থাকিব। অৰ্থাৎ দুয়োটা টিউব সংযোগী সৰু দুৱাৰ থাকিব। যদি টিউব-১ত কোনো কাৰণবশতঃ বাহনৰ দুৰ্ঘটনাৰ বাবে বাটটো বন্ধ হৈ পৰে, জুই লাগে বা আন কোনো জৰুৰীকালীন অৱস্থাৰ সৃষ্টি হয় তেতিয়া কাষৰ সেই সৰু দুৱাৰখনৰ সহায়ত টিউব-২লৈ সোমাই গৈ বাহিৰলৈ ওলাই যাব পৰা হ'ব। সুৰংগটোত সতেজ বায়ু চলাচলৰ বাবে ওপৰফালে বৃহৎ ভেণ্টিলেছনৰ ব্যৱস্থা থাকিব আৰু পথভাগ শুকান কৰি ৰাখিবলৈ নিষ্কাসন পাম্পৰ ব্যৱস্থা থাকিব।

এতিয়া নিশ্চয় মনলৈ আহিছে ইয়াক ক'ত নিৰ্মাণ কৰা হ'ব? ইয়াৰ নিৰ্মাণস্থলী হ'ব নুমলীগড় আৰু গহপুৰৰ মাজত। নুমলীগড় ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত আৰু গহপুৰ উত্তৰপাৰত অৱস্থিত। নুমলীগড় আৰু গহপুৰৰ মাজৰ পথৰ দূৰত্ব যথেষ্ট দীঘলীয়া। কাৰণ গহপুৰৰ পৰা নুমলীগড়লৈ যাবলৈ তেজপুৰ হৈ কলীয়াভোমোৰা দলং পাৰ হৈ যাব লাগে বা নুমলীগড়ৰ পৰা গহপুৰলৈ যাবলৈ হ'লে কলীয়াভোমোৰা দলং পাৰ হৈ তেজপুৰ হৈ আহিব লাগে। এইদৰে যাবলগীয়া হোৱা বাবে দুয়োখন ঠাইৰ মাজৰ দূৰত্ব হয় ২৪০ কিলোমিটাৰ আৰু এই দূৰত্ব পাৰ কৰিবলৈ প্ৰায় ৬.৫ ঘণ্টা সময়ৰ প্ৰয়োজন হয়। এই সুৰংগৰূপী পানীৰ তলৰ সংযোগী পথ নিৰ্মাণ সম্পূৰ্ণ হ'লে দুয়োখন ঠাইৰ মাজৰ দূৰত্ব হৈ পৰিব মাথোঁ ৩৪ কিলোমিটাৰ, যাক ৩০ মিনিটতে অতিক্ৰম কৰাটো সম্ভৱ হ'ব। কাৰণ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ মাজৰ দূৰত্ব আমি পানীৰ তলেৰে অতিক্ৰম কৰিব পাৰিম। ৰাস্তাৰ দীঘলীয়া বাটেৰে যোৱাৰ কোনো প্ৰয়োজন নাথাকিব। কেৱল এয়াই নহয়, অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু মণিপুৰলৈ অহা-যোৱা কৰা যাত্ৰাও পূৰ্বতকৈ অধিক সুচল আৰু কম সময়ৰ হ'ব।

সাধাৰণভাৱে চাবলৈ গ'লে ব্ৰহ্মপুত্ৰৰ পানীৰ তলৰ এই সংযুক্ত ৰেল আৰু পথ পৰিবহণ সুৰংগটোৰ কাম এইখিনিয়েই হ'ব। কিন্তু ইয়াৰ উদ্দেশ্য আৰু লক্ষ্য দৰাচলতে বহুত গভীৰ আৰু ইয়াৰ কৌশলগত প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব। বহল দৃষ্টিত চাবলৈ হ'লে ই আমাৰ বাবে হ'ব ৰাষ্ট্ৰীয় প্ৰতিৰক্ষাৰ বাবে সম্পদ স্বৰূপ। ইয়াক বিশেষভাৱে নিৰ্মাণ কৰা হ'ব অৰুণাচল প্ৰদেশৰ প্ৰান্তত থকা চীনৰ সীমান্তলৈ গধুৰ সামৰিক সঁজুলি, গোলাবাৰুদ আৰু সৈন্য আদিৰ যাতায়াত তথা পৰিবহণৰ বাবে। ভৰ বাৰিষাৰ সময়ত অসমত প্ৰতি বছৰে বাট-পথৰ সংযোগ কিদৰে বিচ্ছিন্ন হৈ থাকে আমাৰ সকলোৰে জ্ঞাত। এই সুৰংগৰ কাম সম্পূৰ্ণ হ'লে ই আমাক দিব গোটেই বছৰজোৰা স্থায়ী সংযোগ ব্যৱস্থা। দেশৰ যিকোনো সংকটকালীন অৱস্থাত ই সহায়ক হ'ব। মাটিৰ ওপৰৰ পথ, দলঙতকৈ ই অধিক সুৰক্ষিতও হ'ব। নুমলীগড় শোধনাগাৰৰ বাবেও ই পোনপটীয়া কৰিড'ৰৰ সৃষ্টি কৰিব, যাৰ ফলত পেট্ৰ'লিয়ামৰ সামগ্ৰীসমূহৰ অন্যান্য স্থানলৈ দ্ৰুত পৰিবহণ সম্ভৱ হ'ব। তদুপৰি, 'এক্ট-ইষ্ট নীতি'ৰ অধীনত থকা ভূটান আৰু দক্ষিণ-পূব এছিয়াৰ লগত বাণিজ্যিক পথ উন্নত কৰাৰ দিশত ই লাভজনকভাৱে কাৰ্য্যক্ষম হ'ব। এই সকলোবোৰৰ উপৰি এই সুৰংগ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে একপ্ৰকাৰৰ আশীৰ্বাদস্বৰূপ হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ একাংশ অঞ্চলৰ মাজেৰে যিহেতু ৰাষ্ট্ৰীয় ঘাইপথ গৈছে সেইবাবে বছৰ বছৰ ধৰি বন্যপ্ৰাণী আৰু যান-বাহনৰ সংঘৰ্ষত বহু জীৱৰ মৃত্যু হৈছে অথবা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। সুৰংগটোৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে গধুৰ যান-বাহনবোৰৰ পৰিবহণৰ বাবে সেই পথ ব্যৱহাৰ কৰা হ'ব আৰু কাজিৰঙাৰ মাজেৰে অহা-যোৱা কৰা যান-বাহনৰ সংখ্যা হ্ৰাস পাব। ইয়াৰ ফলত বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ, পোহৰ প্ৰদূষণৰ মাত্ৰা যথেষ্ট হ্ৰাস পাব। ই নিশ্চিতভাৱে কাজিৰঙাৰ জীৱ-জন্তুবোৰক সুৰক্ষিত কৰি ৰখাত বিশেষ অৰিহণা যোগাব।

এই টুইন-টিউব পথ-ৰেল সুৰংগটোৰ নিৰ্মাণৰ বাবে ১৮,৬০০ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ সুৰক্ষা আৰু স্থায়িত্বৰ ওপৰত গুৰুত্ব দি বিশেষভাৱে ইয়াৰ আৰ্হি প্ৰস্তুত কৰা হৈছে। তথাপি মনলৈ প্ৰশ্ন আহে—সুৰংগক কিদৰে সুৰক্ষিত বুলি ভবা হৈছে। দৰাচলতে আগতে উল্লেখ কৰাৰ দৰে পানীৰ তলৰ এই সুৰংগটোত বেয়া বতৰৰ প্ৰভাৱ নপৰিব। সেয়া লাগে বাৰিষাৰ প্ৰচণ্ড বৰষুণ, ঘন কুঁৱলী বা বানপানীয়েই হওক। তদুপৰি মাটিৰ তলত নিৰ্মিত হোৱা বাবে ই ভূমিকম্পৰ সময়ত মাটিৰ সৈতে একেলগে গতি কৰিব। ইয়াৰ বিশেষ ডিজাইনৰ বাবে ভূমিকম্পৰ কম্পন সহ্য কৰিব পৰা ক্ষমতা দলং বা পথতকৈ অধিক হ'ব। শেষত ই যিহেতু পানীৰ তলৰ সুৰংগ হ'ব, সংকটকালীন সময়ত শত্ৰুপক্ষৰ পৰা ইয়াৰ লোকচান হোৱাৰ সম্ভাৱনাও যথেষ্ট সীমিত হ'ব।

২০২৬ চনত যদি ইয়াৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হয়, অনুমান কৰা হৈছে ২০৩০লৈ ই সম্পূৰ্ণ হৈ উঠিব। ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ তলৰ সুৰংগটোলৈ আমি সকলো আশাবাদী আৰু ইয়াৰ অভিজ্ঞতা ল'বলৈ নিশ্চয় সকলোৰে আগ্ৰহেৰে বাট চাম। ❖

## শিক্ষাৰ্থীয়ে অঁকা ছবি



অপেক্ষা দেবৰ্ষি, অষ্টম ক



ভায়োলীনা পাটগিৰি, ষষ্ঠ গ



আয়ান আলী, ষষ্ঠ গ



সাগৰিকা বৰ্মন, নৱম খ



বিদিপ কুমাৰ, সপ্তম ক



প্ৰাণজিৎ শৰ্মা, পঞ্চম ঙ



বৰ্ণালী খাখলাৰী, অষ্টম খ

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক চৰাই



পঞ্জাব: গোছাক (Northern goshwk)



উত্তৰাখণ্ড: হিমালয়ান মোনাল (Himalayan monal)



পশ্চিমবংগ: মাছৰোকা (White throated kingfisher)



চণ্ডীগড়: পাকৈটোঁৱা (Indian grey hornbill)



জম্মু আৰু কাশ্মীৰ: কালিজ ফেজেন্ট (Kalij pheasant)



লাডাখ : ক'লা ডিঙিৰ ক্রেন (Black necked crane)